# JOURNAL OF HISTORY

## Duliajan College

## 2004



Editor - Bhupen Saikia

# Journal of History

**Special Issue**

*Sept. 2004*

Editor : Bhupen Saikia

Published by :
**Department of History**
Duliajan College
Duliajan, Dibrugarh, Assam (India)

***Journal of History*** *a special issue published on the occasion of the Regional Seminar organised by the Department of History, Duliajan College 4th September, 2004.*

| | | |
|---|---|---|
| *Editor* | : | *Bhupen Saikia*<br>*Senior Lecturer*<br>*Department of History*<br>*Duliajan College* |
| *Published by* | : | *Department of History*<br>*Duliajan College*<br>*Duliajan, Dibrugarh, Assam*<br>*(India)* |
| *Printed by* | : | *Trisul Enterprise*<br>*Kamalabari Road*<br>*Duliajan* |
| *Price* | : | *20/- (Twenty only)* |

***Faculty Members :***

1. *Mrs. S. D. Gohain H.O.D*
2. *Sri B. Saikia, Sr. Lecturer*
3. *Mrs. A.G. Baruah, Lecturer*
4. *Sri R. Khatoniar, Lecturer*


# SHRI SHRI ANIRUDDHADEVA CHAIR

**Department of Histroy : Dibrugarh University**
**DIBRUGARH, ASSAM**

**Dr. (Mrs.) S.L. Baruah**
**Professor**

**Phone : 2370339 (R)**
**: 2370266 (O)**


**Memo No. DU/HIS/SSAC/2004** **Date : 20/08/04**

## শুভেচ্ছাবাণী

অসমৰ এখন প্ৰসিদ্ধ উচ্চ শিক্ষানুষ্ঠান দুলীয়াজান মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগে ২০০৪ চনৰ জানুৱাৰী মাহৰ পৰা এখন আলোচনী প্ৰকাশ কৰিছে । ইয়াৰে দ্বিতীয় সংখ্যাটি এই বছৰৰ চেপ্তেম্বৰ মাহত প্ৰকাশ হ'ব । তেওঁলোকৰ এই প্ৰচেষ্টা অতি প্ৰশংসনীয় । এইখন আলোচনীয়ে নিশ্চয় সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত বুৰঞ্জী অধ্যয়নৰ প্ৰতি এটি সজাগতা আনিব আৰু আমাৰ গৌৰৱময় ঐতিহ্যৰ প্ৰতি আমাক শ্ৰদ্ধাশীল কৰি তুলিব আৰু লগতে এখন নতুন সমাজ গঢ়াত নতুন আলোক ছটিয়াব।

আলোচনীখনৰ সৰ্ব্বাঙ্গীণ সফলতা কামনা কৰিলোঁ।

( ডঃ স্বৰ্ণলতা বৰুৱা )

# সম্পাদকীয়—

বুৰঞ্জী শব্দটি মূলতে টাই চীন ভাষাৰ । বুৰঞ্জী হ'ল মূৰ্খৰ শিক্ষাৰ ভঁড়াল । বুৰঞ্জী শিক্ষাই উত্তৰ পুৰুষক ভৱিষ্যতৰ সঠিক পথ নিৰ্ধাৰণ কৰি দিব পাৰে । বুৰঞ্জী অনুজ সকলৰ প্ৰেৰণাৰ উৎস । বুৰঞ্জীয়ে একোটা যুগৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, শিল্প, স্থাপত্য আদি সকলো বিষয়ে জ্ঞান দিব পাৰে । ইংৰাজী ভাষাত বুৰঞ্জীৰ সমপৰ্যায়ৰ তিনিটা শব্দ ব্যৱহাৰ কৰা হয় । Chronicle, Annals আৰু History । পুৰণি বুৰঞ্জীবোৰক Chronicle বোলা হয় অৰ্থাৎ প্ৰাচীন বুৰঞ্জীবোৰৰ ঘটনাৰ কাৰণ বা পৰিণতিৰ বিষয়ে মন্তব্যহীনভাৱে সময়ানুক্ৰমিক ভাৱে লিখি ৰখা হয় । এইবিলাক বুৰঞ্জীৰ ঘটনা আৰু তথ্য পাতিৰ পঞ্জীবদ্ধ নথিহে মাত্ৰ। মধ্যযুগৰ বুৰঞ্জীৰ ৰচনা বুজাবলৈ উপৰোক্ত তিনিটা শব্দ ব্যৱহাৰ কৰা পৰিলক্ষিত হয় । ড০ সুনীতি কুমাৰ চট্টোপাধ্যায়ে বুৰঞ্জীৰ সমাৰ্থক হিচাপে History শব্দটোকে ব্যৱহাৰ কৰি থৈ গৈছে । সংস্কৃতৰ ইতিহাস শব্দ বুৰঞ্জীৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা দেখা যায় যদিও ইতিহাস আৰু বুৰঞ্জী সমপৰ্য্যায়ৰ নহয় । আৰ্য্য সকলে ইতিহাসক পঞ্চম বেদ বুলি কৈছিল। তেওঁলোকে ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চাৰি পৰমাৰ্থৰ শিক্ষা দিবলৈ কৰা ৰচনা কাহিনীকে ইতিহাস বুলি কৈছিল । প্ৰাচীন ইতিহাসত বহু উপকথা, অতি প্ৰাকৃত অলৌকিক ঘটনাই ঠাই পাইছিল । মানুহক নৈতিকজ্ঞানেৰে সবল কৰি তোলাৰ উদ্দেশ্য আগত ৰাখি ইতিহাসবিলাক ৰচনা কৰা হৈছিল । ভৱিষ্যত বংশধৰ সকলক প্ৰকৃত শিক্ষা দিয়াৰ উদ্দেশ্যেৰে ৰচিত ইতিহাসক সেই ক্ষেত্ৰত বুৰঞ্জীৰ সমাৰ্থক বুলি ক'ব পৰা যায় । টাইসকলে বুৰঞ্জীক বু-লান-জী, বু-লান চি, পু-লান-চি বুলি কৈছিল যদিও আটাইবোৰে অৰ্থ একে। বুৰঞ্জী সাহিত্য অসমীয়া জাতিৰ আপুৰুগীয়া, অনুপম সুণীয়া সঁফুৰা তথা অসমীয়াৰ গৌৰৱৰ সম্পত্তি। ড০ গ্ৰীয়েৰছন চাহাবে Linguistic Survey of India ত লিখি থৈ গৈছে– Assamese are justly proud of their national literature. In no department have they been more successful than in a branch of study in which India, as a rule is curiously difficient. The historical works are numerous and voluminous. ইয়াৰোপৰি অন্যান্য বহুত বুৰঞ্জীবিদে অসমীয়া বুৰঞ্জী সাহিত্যৰ প্ৰশংসা কৰিছে । তেনে এটা উল্লেখযোগ্য বুৰঞ্জী বিষয়ক কি চিন্তা কৰি অসমীয়া ছাত্ৰ-ছাত্ৰী সকলক অধ্যয়নৰ পৰা চৰকাৰে বিৰত ৰাখিছে নিশ্চয় এটা চিন্তাৰ কাৰণ হৈ পৰিছে । অসম আন্দোলনৰ পিছৰ পৰাই বুৰঞ্জী বিষয়টি উচ্চ মাধ্যমিক বিদ্যালয়সমূহত ঐচ্ছিক বিষয় হিচাপে নিৰ্দ্ধাৰণ কৰাৰ ফল স্বৰূপে কলেজসমূহত বুৰঞ্জীৰ ছাত্ৰ দিনক দিনে কমি আহিবলৈ ধৰিছে। বুৰঞ্জী শিক্ষাৰ অবিহনে এজন ছাত্ৰ বা ছাত্ৰীৰ শিক্ষা কেতিয়াও পৰিপূৰ্ণ হ'ব নোৱাৰে। জাতীয় ঐক্য সংহতি আদি হ'ব নোৱাৰে। সমাজৰ পৰা ভ্ৰষ্টাচাৰ, উচ্ছৃঙ্খলতা দূৰ হ'ব নোৱাৰে । এজন ছাত্ৰ বা ছাত্ৰীক ভৱিষ্যত জীৱনৰ সঠিক পথ বুৰঞ্জীৰ বাহিৰে অন্য কোনোৱে দিব নোৱাৰে। অতীতৰ ঘটনা পৰিঘটনা সমূহৰ বিজ্ঞানসন্মত পৰ্য্যালোচনাই ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যত জীৱনৰ কৰ্মপন্থা নিৰ্ধাৰণ কৰিব পাৰে । ইয়াৰোপৰি বুৰঞ্জী শিক্ষাই নৈতিকতা গঠনত সহায় কৰিব পাৰে । আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল বুৰঞ্জীয়ে নিজক জনাত সহায় কৰে । এনে এটা গুৰুত্বপূৰ্ণ বিষয় ভূতপূৰ্ব অসমৰ মুখ্যমন্ত্ৰী

হিতেশ্বৰ শইকীয়াদেৱে বিদ্যালয় সমূহত পুনৰ বাধ্যতামূলক কৰাৰ কথা ঘোষণা কৰিছিল । উত্তৰ পূব ভাৰত বুৰঞ্জী সন্মিলনৰ তৰফৰ পৰাও অসম চৰকাৰক দাবী জনোৱা হৈছিল কিন্তু আজি পৰ্যন্ত বিদ্যালয় সমূহত বুৰঞ্জী বিষয়টি বাধ্যতামূলক কৰা নাই । এই ক্ষেত্ৰত অসমৰ ছাত্ৰ সংগঠন সমূহেও দাবী কৰিয়েই আছে। অন্যান্য সংস্থা সমূহেও বুৰঞ্জী বিষয়ৰ প্ৰয়োজনীয়তাৰ কথা উপলব্ধি কৰি বিদ্যালয় সমূহত বাধ্যতামূলক কৰাৰ কথা চৰকাৰক জনাই আহিছে । কিন্তু চৰকাৰৰ গা লৰা নাই । বুৰঞ্জী বিষয়টি যদি ছাত্ৰ সমাজৰ পৰা আঁতৰাই ৰখা হয় তেন্তে এটা সময়ত ইয়াৰ পৰিণাম ভয়াবহ হিচাপে সমাজত দেখা দিব । গতিকে তৎকালে বুৰঞ্জী বিষয়টি বিদ্যালয় সমূহত বাধ্যতামূলক কৰা ভাল ।

দুলীয়াজান মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগে বাৰ্ষিক এখন বুৰঞ্জীমূলক আলোচনী প্ৰকাশৰ সিদ্ধান্ত কৰি ইতিমধ্যে ইয়াৰ প্ৰথম সংখ্যা জানুৱাৰী মাহত প্ৰকাশ কৰিছে । এই সংখ্যাটি দুলীয়াজান মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগে ২০০৪ চনৰ ৪ চেপ্তেম্বৰ তাৰিখে আয়োজন কৰা আলোচনা চক্ৰখনিৰ উপলক্ষে বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰা হৈছে । ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ উদ্দীপনা যোগোৱাৰ উদ্দেশ্য আগত ৰাখি তেওঁলোকৰ লেখা সমূহ আলোচনীখনিত স্থান দিয়া হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা ড০ স্বৰ্ণলতা বৰুৱা আৰু ড০ উদ্ধৱধৰ নাথ দেৱে দুটি প্ৰবন্ধ আগবঢ়াই আমাক প্ৰেৰণা দিয়াৰ বাবে আমি তেখেত সকলৰ প্ৰতি কৃতজ্ঞতা জনাইছো। আমাৰ সহকৰ্মী বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা শ্ৰীযুক্তা সৰোজিনী দেৱী গোহাঁই, অনিতা গোহাঁই বৰুৱা আৰু ৰুবুল খাটনিয়াৰ লগতে ছাত্ৰ-ছাত্ৰী সকলে আগবঢ়োৱা সহযোগিতাৰ বাবে আন্তৰিক ধন্যবাদ জনালো ।

শেষত ত্ৰিশূল প্ৰেছৰ কৰ্মকৰ্তা সকলৰ শলাগ লৈছো আৰু পঢ়ুৱৈ সমাজৰ ওচৰত ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি সামৰণি মাৰিলো ।

ইতি
শ্ৰীভূপেন শইকীয়া
সম্পাদক
বুৰঞ্জী বিভাগৰ আলোচনী
বিশেষ সংখ্যা
দুলীয়াজান মহাবিদ্যালয়, ২০০৪ চন

## সূচীপত্ৰ


### বিশেষ নিবন্ধ

| | | |
|---|---|---|
| A Study on the Nature of the Moamoria Revolt -- | Dr. (Mrs) S.L. Barua, Dept. of History Dibrugarh University | 1 |
| অসমত বুৰঞ্জী চৰ্চা | ড০ উদ্ধৱধৰ নাথ, বুৰঞ্জী বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয় | 5 |

### প্ৰবন্ধাৱলী

| | | |
|---|---|---|
| ইতিহাস গঠন প্ৰক্ৰিয়াত ভৌগোলিক প্ৰভাৱ | সৰোজিনী দেৱী গোহাঁই | 11 |
| আহোম যুগৰ নাৰী | ভূপেন শইকীয়া | 14 |
| তৈল নগৰী দুলীয়াজান : এটি চমু পৰিচয় | ববিতা বৰুৱা | 18 |
| আহোম যুগত নিৰ্মিত স্থাপত্য ভাস্কৰ্য্যৰ অনুপম নিদৰ্শনকাৰী কেইটামান মন্দিৰ আৰু দেৱালয় | পুষ্পাঞ্জলী গগৈ | 21 |
| স্বাধীনতা সংগ্ৰামত আজাদ হিন্দ ফৌজ | মিণ্টু খনিকৰ | 24 |
| পৰ্য্যটন বা ভ্ৰমণ, অতীত আৰু বৰ্তমান | ভাস্কৰজ্যোতি চুতীয়া | 27 |
| গৌৰীসাগৰ | অনু সোণোৱাল | 30 |
| অসমীয়া সংস্কৃতিলৈ শিৱসিংহৰ দান | লক্ষ্যধৰ চেতিয়া | 32 |
| সাঁচিপাতৰ নিৰ্মাণ কৌশল | মৃদুল গগৈ | 34 |
| পৰশুৰামকুণ্ডৰ ইতিবৃত্ত | ৰবী গগৈ | 35 |
| বুৰঞ্জী বিভাগৰ ভিতৰ চ'ৰা | | 36 |

# A Study on the Nature of the Moamaria Revolts

**Dr. (Mrs) S. L. Barua**
Deptt, of History
Dibrugarh University.

The history of Assam from the first Moamaria Revolt of 1769, to Captain Welsh's expedition to Assam in 1792, is marked by an incessant outbreak of such rebellions that had never happened before. It was during this period that the seeds of democracy sown in the minds of the people in the 16th century germinated and as a result the age-long hegemony of Ahom power was challenged, and a plebian was placed on the throne. It was again during this period that the subjects dared to disobey the royal orders, come in procession to protest against the injustice prevailing in the existing administration and demand the dismissal of high officials including the "great Gohains".

The nature of the Moamaria Revolt which started the course of the events of the period seems to be misjudged by the historians. While to one section, it was an "internal commotion— a civil war" to the other, "a crusade between the Vaisnavas and the Saktas"[2]. But a careful analysis of the ultimate outcome of the Revolt and the events which accompanied it, shows that it was a democratic rising aiming at destroying the despotism -of the Ahom monarchy and establshing a new regime on the basis of the principles of liberty equality and fraternity. With the beginning of the 18th century a revolutionary spirit was in the offing to challenge the despotism of the Ahom monarchy. This spirit was most powerful among a section of the Assamese Vaisnavas— the Moamarias, who had been seathing under the oppression of the Ahom Government. Starting among the Morans, the revolt had its repercussions in all parts of the Ahom kingdom, bringing forth the dormant elements into action everywhere. Had these elements been united and directed to the proper channel, the trends in the history of Assam would have been different.

'The factors which brought about the Moamaria Revolt are almost similar to those working for the French Revolution (1789). If sponsored by leaders like Mirabean, Danton and Robespierre, it would have been an epoch making event in the history of India as a whole. Like that great European crisis, it was a conflict between the existing political machinary and the new forces of liberalism and humanism.

The question now arises, where from the people of Assam got the ideas of liberalism and humanism ? The answer is not far off. The genesis of these forces was the Neo-Vaisnavite movement sponsored by Srimanta Sankardeva, and his disciple Madhavadeva in the 16th century. A movement with a momentum of unusual magnitude, it brought the message of liberty. equality and fraternity on a spiritual plane and transmitted them in the language of the people, It taught them that men are born free and equal, because there is no distinction between Visnu and his devotees.[3] Bhakti is no respecter of caste. In Bhakti one does not require to be a god, a Brahmana or a sage. The Chandala, whose body, word and mind are turned upon the remembrance of god is superior to a Brahmana maintaining his twelve virtues[4]. Being the children of one god,

the Father, all men are in relation of brothers to one another[5]. Such ideas being emphasised in the wide range of the Vaisnava literature and put to the mouths of the people through the KIRTANA and the NAMAGHOSA, had a profound effect in their mental outlook and social behaviour. A critical view of life, hitherto unknown, was developed. Men could realise the moral bankruptcy of their earlier spiritual guides and the evils associated with the existing social and political organisations.

But the influence of the Neo-Vaisnavite movement in politics was delayed by a century by the Ahom-Mughal conflict. That external danger being over, people diverted their attention to internal questions. The existing political machinery resting upon the principle of blood and iron with power concentrated in the hands of the hereditary nobles, the irregularities associated with the judicial system, the rigid social distinction, the system of exacting compulsory manual labour from the people and the powerful influence of the Church over the state tending to replace secularism by theocracy were some of the evils which stood diametrically opposite to the new ideas of liberalism and humanism. A conflict was therefore inevitable and that conflict started with the Moamaria Revolt.

No doubt the original grievances of the Moamarias centred round religious questions. But religious toleration alone was not the cause for which they fought. With it was bound up the important question of reconstructing the whole socio-political structure on democratic lines. A critical analysis of the causes of the revolt also would lead us to arrive at this conclusion. But we shall avoid these details. Even in the most immediate cause, we find an echo of this. On September 15, 1769, Nahar Khora Saikia, the Chief of the Moran Tribe and Raghav Neog while bringing elephants for the king, incurred Kirtichandra Barbarua's wrath by going direct to the palace, instead of first paying their respect to him. The Barbarua ordered Nahar to be seized and beaten and have his ears cut off. Raghav was pressed to the ground and given twenty lashes. Writhing in pain at the merciless punishment, Raghav shouted in the royal courtyard : "this land is infested with devils. The sun, the moon, the air and the clouds are standing spectators of this injustice and cruelty. Retribution is writ large on the fate of the wrong doer"[6]. Raghav's voice was the voice of all Moamarias, indeed of all common people. The people's sentiments grew against the injustice and cruelty of the Ahom administration. They were only waiting for an oportune moment to fight the evils. The Moamaria Revolt which was originally started by the Moran tribe of the Moamarias only crystalised the revolutionary situation.

United into one man, irrespective of caste and sect, under the banner of the Moamarias, the people raised standard of revolt in Nov. 1769 and attained remarkable success. The Ahom king Lakshmi Singha was deposed and Ramkanta, a Moran was tactfully placed on the throne. This usurpation was shortlived because the Moamarias monopolised power and ignored the general interest. However, the event had a far reaching effect. This was for the first time that a plebian was placed on the throne and the time-honoured custom of hereditary kingship of the Ahoms was completely reupdiated. It proved to the people that the Ahom monarchy rested on so weak a foundation that it could be challenged by any courageous leader commanding a few hundred men. This resulted in the rise of innumerable rebellions all aiming at repudiating the authority of the Ahom monarchy. It is on this ground that some historians describe the Moamaria Revolt as a civil war. But what people really desired was not destruction but reconstruction of the Ahom government,justice in place of injustice, equal opportunities to all in place of hereditary privileges and a share of the common people in the administration of the state. Before according his moral support to the Revolt,, the Mayamara Mahanta Astabhujdeva repeatedly advised his disciples to preserve the Ahom monarchy and never to aspire after suzerain power.

It is true that the rebelled Moamarias ignored the advice of their Guru and could not resist the temptation of usurping the Ahom throne. It is equally true that during their short regime they pursued a policy not better than the Ahoms. But these early events are not sufficient to assess the nature of the Revolt.

It has been stated already that the Moamaria Revolt brought all revolutionary dormant elements into action in every part of the Ahom kingdom. People of Darrang and Kamrup had serious grievances against the Ahom rule. The lead was taken by Darrang and the movement was sponsored neither by the Rajas nor the nobles but by the common people. After the restoration of Lakshmi Singha in 1770,4000 subjects of Darrang marched in a body to Rangpur to lodge their complaints to the king, violating the order of banning the entrance of the people of Darrang and Kamrup to the Ahom capital. Inspite of strong resistance they entered the capital and expressed their determination to die on the spot if their grievances were not listened to and redressed. The Ahom king had to yield. He took immediate step to redress their grievances and assured their security in future[8]. This was for the first time that the subjects dared to lodge complaints against the policy of the king.

But the assurances given by the king to the people of Darrang were not carried out. Meanwhile there was a large infiltration of fugitives from the Ahom kingdom to Darrang, who used to commit raids in the villages[9]. The Ahom king was informed of the situation but without any effect. At last, fortytwo Gaonburhas of Darrang assembled to discuss on the situation and decided to recall the muls from Gauhati and threaten the Ahom king if their grievances be not redressed.[10] Thus a second revolt was in the offing.

Responding to the call of the people, the muls of Darrang returned home disobeying the Ahom authority. It was at this time that Haradatta Bujarbarua of Jikeri organised secret manoeevres with Hansanarayan, the Deka Raja of Darrang to expel the Ahoms from Gauhati. Hansanarayan was executed by Gaurinath Singha and his son Krishnanarayan's legal claim to the throne of Darrang was ignored. As a result Krishnanarayan rose into rebellion recruiting, Barkandez sepoys from Bengal. Gaurinath Singha appealed for British help to expel the Barkandazes from Assam. The result was Captain Welsh's expedition to Assam.

In the revolt of Darrang and Kamrup, we find the same democratic feeling working. The fact that the commoners organised the revolt in-Darrang reveals that they wanted a government of the people if not by the people. Inequality and injustice in the Ahom administration made them suffer a lot. In the early stage they wanted only a reformation but when the Ahom king turned a deaf ear to their complaints, they aimed at its destruction.

The revolt of Darrang was followed by a number of popular risings, The people of Japaribhita in the North Bank revolted first under Harihar Tati and then under one Sagunkanipara Raja and one Barsenapati, people of the neighbourhood of Rangpur under one Gobha Raja, people of Biswanath under one Bairagi Raja, people of Gauhati under another Bairagi Raja and people of Majuli under one Hauha. The people of Nowgong under Sindhura Hazarika subjected king Gaurinath Singha to humiliating treatment during his stay there for the atrocities of his officials. They came to the king and shouted in an insolent tone : "The king should go a way from this place. If he does not quit, let him replace the present set of Baruas and Phukans including the Barbarua and the Barphukan"[10]. The king conceding to the demand, replaced the officers, but when the change of officers did not improve the situation, the people made a second attack at the royal camp, at which the king left Nowgong

on July 15, 1792, for Gauhati[11].

To unify those rebellious groups and reconstruct the socio-political structure in accordance with the needs of the time, what Assam needed was a constructive brain like Momai Tamuli Barbarua. But during this period there were revolts without leaders,Those who posed as leaders were guided by their individual interest only. The people, bored of the existing government, threw themselves under the guidance of any one who promised them a change. But the so-called leaders, as soon as they got power, neglected the interest of their followers. The people were frustated. In vain they fought and suffered and sacrificed their lives. The Moamarias also became divided and carved out separate principalities.

At last the people accepted Purnananda Buragohain as their leader and saviour. He unified the distracted elements and attempted to restore the lost prestige of the Ahom kingdom. He granted autonomy to the Moamaria principality of Bengmara named as "Matak Rajya" in 1805 and conferred the title Barsenapati on its chief. He worked with great caution and in conformity with the interest of the people, who hailed him as "Pitri Buragohain" and "Mahamantri."

In the Matak principality government was reconstructed on democratic lines. The Barsenapati was the nominal head of the state. He was assisted by a Council of Elders representing each clan. The Elders were elected or selected by the members of the clan. "No decision affecting the masses could be taken without the counsel of the Elders[12]. Fiscal measures were sound. Burden of taxation was very light. Even the emigrants who flocked in thousands to this principality, were required to pay not exceeding one third of what they paid to the Ahom king.[13] The Barsenapati adopted all necessary measures for the welfare of the people. He encouraged the cultivation of various crops by lowering burdens of taxes, granting subsides and remitting taxes altogether in times of extreme drought or inundation. "The people worked hard in their fields raising luxuriant crops of rice, mustard, sugarcane, cotton and mulberries, etc. and made their territory the granary of the North East Frontier'[14]. All social, and distinctions were removed and individual liberty assured. Thus in the Matak principality people achieved what they desired."

The vast majority reconciled themselves to the administration of Purnananda Buragohain who established peace and order and carried out a number of reforms on democratic lines. Had he remained alive for another ten years to come the tragic events that followed his death might not have taken place. But, with the usurpation of power by Badanchandra, reactionism revived. The Burmese invaded Assam and introduced their Reign of Terror. The people, out of despair, surrendered to the British Rule. But did they relinquish the idea of having a Government based on equality and liberty? Did they get which they aspired after during the British Rule? Were not they inspired by the same democratic principles at the time of the Nationalist Movement? Answer to such questions may be found only in a critical study of the events of the succeeding period.

**[ Reprint ]**

**References :**


1. David Scott, **Historical Notes** ; Captain Welsh, Report on Assam ; Francis Hamilton, **An Account of Assam** ; 1968. p-11
2. M. Neog, **Sri Sri Sankaradeva**, 1963, p. 215
3. Srimanta Sankardeva, **Bhagavata** I, 15 ; **Bhaki-Ratnakara**, 3,12
4. M. Neog, **Sankaradeva and His times**, 1965, p.368.
5. Srimanta Sankaradeva, **Bhagavata**, 1, 20 : **Bhakti-Ratnakara**, 3,14
6. Mani Ram Dewan, Ms Chronicle, **Buranji Vivek Ratna.**
7. **Ibid.**
8. Ms Chronicles **Assam Buranji.**
9. **Ibid**
10. **Ibid**
11. S.K. Bhuyan (ed), **Tungkhungia Buranji**, 1964, P. 119 ; G.R. Baruah.
12. H.K. Borpujari, **Assam in the Days of the Company**, 1963, p. 105.
13. Bengal Political Consultations, April 13, 1835, No. 4
14. **Ibid.**




বিশেষ নিবন্ধ

# অসমত বুৰঞ্জী চৰ্চা


–ড০ ডম্বৰুধৰ নাথ,অধ্যাপক
বুৰঞ্জী বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়


আধুনিক বুৰঞ্জী অধ্যয়ন আৰু ৰচনা ৰীতি অসমত অতি পুৰণি নহয়। ভাৰতৰ অন্যান্য ঠাইৰ দৰে অসমতো বিশ্লেষণধৰ্মী বুৰঞ্জী প্ৰাচীন কালত ৰচনা হোৱা নাছিল । প্ৰকৃত কথাত ক'বলৈ গ'লে ভাৰতত আলোচনা-সমালোচনা মূলক বিজ্ঞান ভিত্তিক ইতিহাস বা বুৰঞ্জী ৰচনা ৰীতি পশ্চিমীয়া সভ্যতাৰহে অৱদান । ইংৰাজ সকল ভাৰতলৈ আহি ইয়াৰ প্ৰাচীন ইতিহাস ৰচনাত হাত নিদিয়া হ'লে ভাৰতৰ আধুনিক বুৰঞ্জী বা ইতিহাস ৰচনা ৰীতিৰ বেচ্ পলমকৈহে বিকাশ ঘটিলহেঁতেন বুলি কোৱাৰ অৱকাশ আছে। সেয়ে ভাৰতীয় সভ্যতা সংস্কৃতিক যেনেকৈয়ে বিচাৰ নকৰক লাগে পোন প্ৰথম আধুনিক ইতিহাস হিচাপে James Mill ৰ History of British India (1818) খনৰ এক সুকীয়া গুৰুত্ব আছে । কিন্তু সেই বুলি প্ৰাচীন বা মধ্যযুগৰ ভাৰতত যে একেবাৰেই বুৰঞ্জী চৰ্চা কৰা হোৱা নাছিল তেনে নহয়। প্ৰাচীন কালৰ ভাৰতত ছাত্ৰ সকলৰ বাবে পুৰাণক ইতিহাস (বা বুৰঞ্জী) হিচাপে অধ্যয়ন কৰাটো প্ৰায় বাধ্যবাধক বুলি গণ্য কৰা হৈছিল আৰু ইয়াক পাঠ্য হিচাপে অধ্যয়নৰ বিষয় তালিকাত অন্তৰ্ভুক্ত কৰা হৈছিল । উল্লেখনীয় মাথো এইটোৱেই আছিল যে এপাচি পতান ধানৰ মাজত এটা গুটি ধান বিচাৰি উলিয়াবলৈ যেনেদৰে কষ্ট কৰিব লগা হয়, ঠিক একেদৰেই পুৰাণ বিলাকৰো সহস্ৰ বৃত্তান্ত বা কাহিনীৰ মাজৰ পৰা সত্য ঘটনা একোটা বিচাৰি উলিয়াবলৈ সহজ নাছিল। প্ৰখ্যাত বুৰঞ্জীবিদ ৰমেশ চন্দ্ৰ মজুমদাৰে উল্লেখ কৰিছে যে, ১৮০০ খ্ৰীঃত কলিকতাত Fort William college স্থাপন কৰাৰ সময়ত ইতিহাস বা বুৰঞ্জী বিষয়ৰ পাঠ্য পুথি তৈয়াৰ কৰিব লগা হোৱাত সেই সময়ত উচ্চতম ন্যায়ালয়ৰ প্ৰধান পণ্ডিত মৃত্যুঞ্জয় শৰ্মা নামৰ এজনক বঙালী ভাষাত এখন ভাৰত বুৰঞ্জী পুথি ৰচনা কৰি দিবলৈ দায়িত্ব দিয়া হৈছিল, আৰু তেওঁৰ সেই বুৰঞ্জীখন ১৮০৮ খ্ৰীঃত প্ৰকাশ হৈ ওলাইছিল । কিন্তু দেখা গৈছিল যে কিছুমান নাভূত নাশ্ৰুত বৰ্ণনাৰে কিতাপখন ভৰি আছিল। অৰ্থাৎ তেতিয়ালৈকে ভাৰতৰ মানুহৰ অতীত বুৰঞ্জী সম্পৰ্কীয় জ্ঞান আছিল নিচেই তৰল, পুৰাণ ভিত্তিক আৰু সাধু জাতীয় । অৱশ্যে এনে অনৈতিহাসিক ইতিহাস চৰ্চাৰ মাজতে আধুনিক চৰিত্ৰ বিশিষ্ট বুলি ক'ব পৰা বুৰঞ্জীও নথকা নহয়। উদাহৰণ স্বৰূপে খ্ৰীঃ দ্বাদশ শতিকাৰ কাশ্মীৰৰ পণ্ডিত কল্হনৰ ৰাজতঙ্গিনীখনৰ কথা উল্লেখ কৰিব পাৰি । কল্হনে উল্লেখ কৰিছে যে, তেওঁ তেওঁৰ পূৰ্বৱৰ্তী সকলোবোৰ বুৰঞ্জী গ্ৰন্থ অধ্যয়ন আৰু সংশোধন কৰি আৰু সেই সময়ৰ প্ৰায় সকলোবোৰ সম্ভাব্য তথ্যপূৰ্ণ সমল বিচাৰ কৰিহে তেওঁৰ গ্ৰন্থখন ৰচনা কৰি উলিয়াইছিল । তেওঁ আৰু কৈছে যে এজন ঐতিহাসিক এজন বিচাৰকৰ দৰে হ'ব লাগে । পক্ষপাতিতা আৰু অসূয়া প্ৰবৃত্তি এৰি অতীতৰ ঘটনাৰাজি নিষ্ঠাৰে বিচাৰ কৰি সত্যখিনি বাছি উলিওৱাটো তেওঁৰ প্ৰধান দায়িত্ব । কিন্তু ৰাজতঙ্গিনীৰ পৰ্যায়ৰ বুৰঞ্জী চৰ্চা আৰু বৈশিষ্ট্য ভাৰতত ইয়াৰ পিছৰ যুগত ৰক্ষা নপৰিল । কেৱল মাত্ৰ সেইখনক এৰি ভাৰতীয় প্ৰাচীন সাহিত্যমালাত আন কোনো ৰচনাই এনে ইতিহাসৰ স্তৰলৈ উত্তীৰ্ণ নহ'ল ।

ভাৰতৰ দৰে অসমতো প্ৰাচীন কালত বুৰঞ্জী অধ্যয়ন আৰু ৰচনা ৰীতি নাছিল । ইয়াৰ আদিম

জনজাতি সকলৰ ভাষাই তেতিয়াও লিখিতৰূপ পোৱা নাছিল, যেতিয়া সিন্ধু গঙ্গা উপত্যকাত আৰ্যসকলে বেদ উপনিষদ ৰচনা কৰি এইবোৰ লিখিত ৰূপ দিছিল পৰৱৰ্তী কালত আৰ্যসকলৰ বিস্তাৰৰ লগে লগে অসমতো তেওঁলোকৰ এক ক্ষুদ্ৰাংশৰ প্ৰবেশ ঘটে । কিন্তু ইয়াত বেদ উপনিষদৰ দৰে কোনো বিশিষ্ট গ্ৰন্থ তেওঁলোকে ৰচনা কৰা নাছিল । বেদ, উপনিষদ, পুৰাণ, মহাকাব্য কৌটিল্য মনু আৰু যাজ্ঞবল্ক্য আদিৰ সমাজ শাস্ত্ৰ বা স্মৃতিশাস্ত্ৰ সমূহৰ নীতি নিয়ম আৰু উপকথাবোৰেই অসমতো আৰ্য পৰিয়ালখিনিৰ সমাজখনক আৱৰি ৰাখিছিল। তথাপি স্থানীয় সভ্যতা সংস্কৃতি আৰু ধ্যান ধাৰণাৰ সংস্কৃতিকৰণ প্ৰক্ৰিয়াত আৰ্য পণ্ডিতসকলে গঙ্গা উপত্যকাৰ লগত সম্পৰ্ক ৰাখি চলিব পৰাকৈ অসম কেন্দ্ৰিক কিছু আখ্যান উপাখ্যান, দেৱ-দেৱীৰ পূজা বিধি আদি ৰচনা কৰিছিল। নৰকাসুৰৰ উপাখ্যান ৰজাসকলৰ বাবে একোটাকৈ দৈৱিক সূত্ৰ উদ্ভাৱন, কামাখ্যা দেৱীৰ পূজা নিবন্ধন, কালিকা পুৰাণ, যোগিনীতন্ত্ৰ আদি ৰচনা হৈছিল । ৰজাঘৰীয়া বংশ পৰম্পৰা আৰু ব্ৰাহ্মণক মাটি বৃত্তি দান দিয়া কাৰ্যৰ তথ্য ৰাখিবলৈ তাম্ৰ পত্ৰ আৰু অন্যান্য গুৰুত্বপূৰ্ণ ঘটনা একোটাৰ বিষয়ে কোনো কোনো শিলৰ ফলিত সংক্ষিপ্ত ভাৱে লিখি ৰখা হৈছিল । কিন্তু এইবোৰক বুৰঞ্জীৰ সমল হিচাপেহে ধৰিব পাৰি, বুৰঞ্জী হিচাপে নহয় । ভাৰতীয় পুৰাণ সমূহৰ আৰ্হিত লিখা আৰু প্ৰাচীন অসমৰ ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনৰ বিপুল বতৰা বহন কৰি ৰখা পুৰণি অসমৰ একমাত্ৰ পুথিখন হৈছে কালিকা পুৰাণ । পণ্ডিত সকলৰ মতে সংস্কৃত ভাষাৰ এইখন পুৰাণ খ্ৰীঃ ১০ম ১১শ শতিকামানত (কোনো কোনোৰ মতে ইয়াৰ পূৰ্বৰো হ'ব পাৰে) প্ৰণয়ন কৰা হৈছিল । তথাপি এই গ্ৰন্থখন প্ৰাচীন ভাৰতৰ পুৰাণসমূহৰ ঠাঁচৰ এখন উপপুৰাণহে, কল্হনৰ ৰাজতৰঙ্গিনীৰ পৰ্যায়ৰ ইতিহাস নহয় । সমসাময়িক সমাজৰ ছবি একোখনৰ কিছু আভাস পাব পৰাকৈ কেইবাখনো তান্ত্ৰিক সংস্কৃত গ্ৰন্থ সিদ্ধাচাৰ্য সকলৰ হাতত ৰচিত হৈছিল খ্ৰীঃ ৮ম -১০ম শতিকাৰ ভিতৰত । ইয়াৰ উপৰিও গীত মাত আৰু পদ জাতীয় সাহিত্য প্ৰাচীন অসম আৰু ইয়াৰ কাষৰীয়া কোনো কোনো অঞ্চলত ৰচনা কৰা হৈছিল । এনে গীত-পদ জাতীয় পুৰণি সাহিত্যৰ ভিতৰত সিদ্ধাচাৰ্য সকলৰ দোহা বা চৰ্যাপদ সমূহ ধৰিব পাৰি । এইবোৰৰ উপৰিও খ্ৰীঃ ১৮শ শতিকাৰ ভিতৰত চৰিত পুথি আৰু বংশাৱলী নামৰ আন এক শ্ৰেণীৰ সাহিত্য ৰচিত হৈছিল। বৈষ্ণৱ ধৰ্ম প্ৰচাৰক ধৰ্মগুৰু, সত্ৰাধিকাৰ আৰু ৰজাঘৰীয়া বংশ পৰম্পৰা আৰু কাৰ্যাৱলীৰ বৰ্ণনা এই শ্ৰেণীৰ ৰচনাত পোৱা যায় । সেয়ে বুৰঞ্জীৰ সমল হিচাপে চৰিত পুথি আৰু বংশাৱলীবোৰৰ পৰা সমসাময়িক সমাজৰ ধৰ্ম, ৰাজনীতি, অৰ্থনীতি আদি বিভিন্ন দিশৰ বিষয়ে জানিব পাৰি । কিন্তু গুৰুৰ অলৌকিক মহিমা আৰু ৰজাৰ অহেতুক প্ৰশংসাৰ সমাহাৰে এইবোৰক বুৰঞ্জী বা ইতিহাসৰ শ্ৰেণীলৈ উত্তীৰ্ণ কৰাত ব্যৰ্থ হৈছে ।

মধ্যযুগৰ আহোম প্ৰশাসনৰ কালছোৱাত এটা গুৰুত্বপূৰ্ণ বিষয় হিচাপে 'বুৰঞ্জী' চৰ্চা কৰাৰ ধাৰাবাহিক ৰীতি এটা সৃষ্টি নোহোৱালৈকে অসমৰ ইতিহাস বা History চৰ্চাৰ কোনো ঐতিহাসিত পৰম্পৰা সৃষ্টি হোৱা নাছিল। ভাৰতৰ অন্যান্য ঠাইৰ দৰে ইয়াতো সাধু কথা, কিংবদন্তি আদি পুৰাণৰ আৰ্হিৰ বৰ্ণনা কিছুমানতেই প্ৰাচীন সমাজৰ ঘটনা বা জীৱন যাত্ৰাৰ বিষয়ে চৰ্চা কৰা হৈছিল । কিন্তু ত্ৰয়োদশ শতিকাৰ প্ৰথম ভাগতেই অসমত যি ৰাজনৈতিক পৰিৱৰ্তনৰ পাতনি আৰম্ভ হ'ল, তাৰ ফল স্বৰূপে পৰৱৰ্তীকালত ইয়াৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰো উল্লেখনীয় পৰিবৰ্তন আহিল। নতুন ৰাজ্য এখনৰ ভেটি স্থাপন কৰিয়েই আহোম স্বৰ্গদেউ চুকাফাই পণ্ডিত সকলৰ যেতিয়া যি কথা হয়, যি মৰে যাক পাওঁ সকলো কথা লিখি যাবলৈ আদেশ দিলে আৰু তেতিয়াৰ পৰাই অসমত ধাৰাবাহিকভাৱে বুৰঞ্জী চৰ্চা আৰু ৰচনা কৰাৰ এটা



স্থায়ী ৰীতিৰ জন্ম হ'ল । আহোম ৰাজত্বৰ কালছোৱাত সুদীৰ্ঘ ছশ বছৰ ধৰি বুৰঞ্জী ৰচনা কৰোৱাটো এটা ৰাষ্ট্ৰীয় নীতি বা Policy হিচাপে কাৰ্যকৰী কৰা হৈছিল।

বিষয়-বস্তুৰ ফালৰ পৰা অসমৰ এই 'বুৰঞ্জী' বিলাক মূলতঃ ৰাজনৈতিক ঘটনাৰ বিৱৰণহে । এইবোৰক আধুনিক ইতিহাস বা বুৰঞ্জীৰ শাৰীত ধৰিব নোৱাৰি । কাৰণ, ইয়াত বিশ্লেষণ আৰু আলোচনা পোৱা নাযায় । সেয়ে আহোমৰ যুগৰ 'বুৰঞ্জী'বোৰ বৈশিষ্ট্যগতভাৱে chronicle হে বুলিব পাৰি । অৱশ্যে এইবোৰ ৰাজপুত সকলৰ গদ্য আৰু পদ্যত লিখা 'খ্যাত' আৰু মাৰাঠাসকলৰ 'ঝাখাৰ' বিলাকৰ লগৰো নহয় । তথাপি প্ৰত্যক্ষ অভিজ্ঞতাৰ উপৰিও ৰচয়িতা সকলে নানা ধৰণে সমল সংগ্ৰহ কৰি বুৰঞ্জীবোৰ লিখি উলিওৱাত সমাজৰ অন্যান্য বিষয় বস্তুৱেও ইয়াত মাজে মাজে ঠাই পাইছিল । আহোম ৰাজ্যৰ কেওকাষে থকা ৰাজ্য সমূহলৈ দূত হিচাপে পঠোৱা কটকীসকলৰ report বা প্ৰতিবেদনবোৰ সংযোজন কৰি গুৰুত্বপূৰ্ণ বুৰঞ্জী একোখন ৰচনা কৰি উলিওৱা হৈছিল। তেনে বুৰঞ্জীবোৰক কটকী বুৰঞ্জী বুলিয়েই জনা গৈছিল। এইবোৰ বুৰঞ্জীত অসমৰ বাহিৰেও চুবুৰীয়া ৰাজ্যবোৰৰ যেনে ত্ৰিপুৰা, মণিপুৰ আদি ৰাজ্যৰ বুৰঞ্জী লিখি ৰখা হৈছিল । ইয়াৰ উপৰি বেলেগ বেলেগ ৰাজ্যৰ বিষয়ে কোনো কোনো স্বাধীন বুৰঞ্জীও আহোমৰ দিনত লিখি উলিওৱা হৈছিল । পাদছাহ বুৰঞ্জী (Eng. Annales of the Delhi Budshahate. (ed) S.K. Bhuyan) খন তেনে এখন প্ৰধান বুৰঞ্জী । ৰাজ্যৰ ঘৰ-দুৱাৰ, আলি-পদূলি, দলং-সাঁকো নিৰ্মাণ আদি কাৰিকৰী বিষয় সামৰিও বুৰঞ্জী লিখা হৈছিল । এনে বুৰঞ্জীবোৰত চাংকুং ফুকন নামৰ এজন কাৰিকৰী কাৰ্যৰ বিষয়াৰ তত্বাৱধানত ৰচনা আৰু সংৰক্ষণ কৰা হৈছিল বাবে শ্ৰেণী হিচাপে এই বুৰঞ্জীবোৰক চাংকুং ফুকনৰ বুৰঞ্জী বুলি কোৱা হয় । কাৰিকৰী বিদ্যাৰ দৰে একোটা বিষয়ৰ অগ্ৰগতিৰ ওপৰত বুৰঞ্জী লিখি ৰখা ব্যৱস্থাটোৱে নিশ্চিত কৰি প্ৰমাণ কৰে যে আহোমৰ দিনত দেশৰ বুৰঞ্জী চৰ্চাক দেশৰ উন্নতিৰ এক প্ৰধান উপায় হিচাপেই গণ্য কৰা হৈছিল ।

দেখা যায় যে বিভিন্ন বিষয় বস্তুক লৈ আহোমৰ দিনত বুৰঞ্জী লিখাৰ উপৰিও বিভিন্ন ব্যৱস্থাৰেও বুৰঞ্জী ৰচনা কৰা হৈছিল । চৰকাৰী আৰু বেচৰকাৰী উভয় পক্ষই বুৰঞ্জী লিখিছিল আৰু সংৰক্ষণ কৰিছিল । বুৰঞ্জী অধ্যয়ন আৰু ৰচনাৰ ওপৰত এনে গুৰুত্ব আৰোপৰ মূলতে আহোম সকলৰ বুৰঞ্জীৰ প্ৰতি থকা গুৰুত্বকে বুজায় । প্ৰখ্যাত ভাষাতত্ববিদ গ্ৰীয়াৰ্চন চাহাবে মন্তব্য কৰিছে যে প্ৰতিজন সম্ভ্ৰান্ত বংশীয় আহোমৰ বাবে বুৰঞ্জীৰ জ্ঞান থকাটো বাধ্যবাধক আছিল । কাৰণ সমাজত সন্মানিত ব্যক্তি হিচাপে গণ্য হ'বলৈ হ'লে মানুহৰ বুৰঞ্জীৰ জ্ঞান থকাটো নিশ্চিত অৰ্হতা বুলি ধৰা হৈছিল। উল্লেখনীয় যে ভৱিষ্যত বিপদ বিঘিনি বা সৌভাগ্য দুৰ্ভাগ্যৰ বতৰা আগতীয়াকৈ পাবলৈ আহোম সম্ভ্ৰান্ত সকলে বুৰঞ্জীৰ পাঠ আৰু জ্ঞান ব্যৱহাৰ কৰিছিল আৰু সেই বাবেই চকলং প্ৰথাৰ বিয়াত দৰা-কন্যাৰ আগত বুৰঞ্জী পাঠ কৰি শুনোৱা ৰীতি এতিয়াও তেওঁলোকৰ মাজত প্ৰচলন আছে । History বিষয়ত যাক 'prediction' বা ভৱিষ্যত বাণী বুলি কোৱা হয় । সেই prediction ৰ লগত আহোম বুৰঞ্জী অধ্যয়নৰ গুৰিত নিহিত থকা এনে ধাৰণাক ৰিজাব পাৰি । সেয়ে আহোমৰ দিনৰ বুৰঞ্জী সমূহ মধ্যযুগীয় হৈয়ো কিছু পৰিমাণে আধুনিক । যিসময়ত সমগ্ৰ ভাৰততে কল্হনৰ কাশ্মীৰক এৰি, ইতিহাস বা বুৰঞ্জী চৰ্চাৰ কোনো পৰম্পৰাই নাছিল, সেই সময়ত নিজকে ভদ্ৰ সমাজৰ অন্তৰ্ভুক্ত কৰিবলৈ 'বুৰঞ্জী' বা ইতিহাস জ্ঞান চৰ্চা কৰাৰ পৰম্পৰা নিশ্চয় আশ্চৰ্যজনক । উল্লেখনীয় যে য'ত আধুনিক বুৰঞ্জী ৰচনাৰ প্ৰথম বাট মুকলি হয়, সেই ইউৰোপতো খ্ৰীঃ ১৭ শ শতিকাৰ পূৰ্ব ভাগলৈকে chronicle বা ঘটনা পঞ্জী জাতীয় কিছুমান পুথিহে ৰচনা কৰা হৈছিল আৰু সেইবোৰতো আলোচনা সমালোচনাই বিশেষ ঠাই পোৱা নাছিল । আনহাতে বিষয়বস্তুৰ ফালৰ পৰাও খ্ৰীষ্টান গীৰ্জা বা ধৰ্ম সম্পৰ্কীয় বিষয়েহে প্ৰধান ভাৱে ঠাই পাইছিল আৰু সকলোবোৰ গুৰুত্বপূৰ্ণ ঘটনাই ভগৱানৰ ইচ্ছাতে সম্পন্ন হোৱা বুলি ঐতিহাসিক সকলে ধৰি লৈছিল ।

খ্ৰীঃ অষ্টাদশ শতিকাৰ পৰা ইউৰোপত আধুনিক বিজ্ঞানভিত্তিক বুৰঞ্জী ৰচনাৰ কাম আৰম্ভ হয় । সেই

যুগৰ ঐতিহাসিক নেবুহাৰ আৰু ৰাংকে এই ক্ষেত্ৰত অগ্ৰণীপুৰুষ আছিল । এই নতুন ৰীতিৰ বুৰঞ্জীত সমলৰ বিচাৰ বিশ্লেষণ আৰু ঘটনাৰ সমালোচনাই ঠাই পাইছিল । ফলত ভাৰতত ইংৰাজৰ আধিপত্য স্থাপন হোৱাৰ লগে লগে আধুনিক ইতিহাস ৰচনাৰ বিজ্ঞান সন্মত ধাৰা এটাৰো ইয়ালৈ আমদানি হৈছিল। লগে লগে বুৰঞ্জী ৰচনা আৰু ইয়াৰ গুণাগুণ ৰক্ষাৰ ওপৰতো গুৰুত্ব বাঢ়িল । আগতে উল্লেখ কৰি অহা হৈছে যে Jemes Mill (১৭৭৩-১৮৩৬)ৰ History of British India খনেই ভাৰতৰ বিষয়ে লিখা প্ৰথম আধুনিক ইতিহাস । অৱশ্যে সৰ্বপ্ৰথম আধুনিক ইতিহাস হ'লেও Millৰ গ্ৰন্থখন উপৰ্যুপৰি সমালোচনা কৰাৰ স্থল আছে। কাৰণ এখন স্থায়ী উপনিবেশ স্থাপন কৰা আৰু ইয়াৰ দ্ৰুত সম্প্ৰসাৰণ ঘটাব খোজা এটা জাতিৰ প্ৰতিনিধিমূলক ঐতিহাসিক হিচাপে ভাৰতীয় মানুহৰ মনত উপনিবেশিক বীজ ৰোপণ কৰাৰ এয়া আছিল প্ৰথম গোপন আৰু কৃতকাৰ্য প্ৰচেষ্টা । সুদূৰৰ দেশ এখনত বিভাজন আৰু শোষণ প্ৰক্ৰিয়া এটা সহজে আৰু সুন্দৰকৈ চলাই যাব পৰাকৈ বৃটিছ সকলে ভাৰতৰ প্ৰতিটো জাতি জনজাতি তেওঁলোকৰ ভাষা ইতিহাস আৰু তেওঁলোকৰ চাৰিত্ৰিক বৈশিষ্ট্য সমূহ অধ্যয়ন কৰিছিল । এওঁলোকৰ এনে অধ্যয়নৰ পৰিধিৰ পৰা অসম আৰু ইয়াৰ দাঁতি কাষৰীয়া ঠাইৰ জনজাতি সমূহো বাদ পৰা নাছিল ।

বৃটিছসকলৰ নতুন ইতিহাস চৰ্চাৰ পৰম্পৰাই অসমত আহোমৰ দিনৰ বুৰঞ্জী চৰ্চাৰ ওপৰত খোপনি পুতি আগুৱাবলৈ সুবিধা পালে যদিও মূলতে আহোমৰ বুৰঞ্জী লিখা ৰীতি বৃটিছ যুগৰ আধুনিক ৰীতিতকৈ বেলেগ আছিল। পূৰ্বে আহোমৰ দিনৰ বুৰঞ্জী সমূহত নথকা বিচাৰ বিশ্লেষণে বৃটিছৰ সময়ৰ বুৰঞ্জীত অগ্ৰণী ভূমিকা লাভ কৰিলে । কিন্তু সেই বুলি সময়ছোৱাত ৰচনা কৰা অসমৰ বুৰঞ্জীসমূহত যে সকলোবোৰ বিচাৰ বিশ্লেষণেই নিখুঁত আছিল তেনে নহয় । তেতিয়াও মূলতঃ ৰাজনৈতিক ঘটনা পঞ্জীৰ বৰ্ণনাৰেহে প্ৰায়বোৰ বুৰঞ্জী ৰচনা কৰা হৈছিল । উদাহৰণস্বৰূপে অসমৰ প্ৰথম আধুনিক আৰু পূৰ্ণাঙ্গ বুৰঞ্জী Sir Edward Gait-ৰ A History of Assam খনৰ কথা উল্লেখ কৰিব পাৰি । ইয়াৰ উপৰিও স্বদেশী লেখকৰ হাতত সৃষ্টি হোৱা বুৰঞ্জী সমূহতো James Mill ৰ ভাৰত বুৰঞ্জী বিভাজনৰ অনুপ্ৰেৰণা এটাই অজানিতে কাম কৰি গৈছিল । তাৰ ফলত ভাৰতৰ অন্যান্য ঠাইত হোৱাৰ দৰে সেই সময়ৰ বুৰঞ্জীবোৰে প্ৰশাসনীয় কামত বৃটিছ সকলক বিস্তৰ সহায় কৰাৰ উপৰিও স্বাধীনোত্তৰ কালতে উত্তৰ-পূব ভাৰতৰ সমাজৰ গতি নিৰ্ণয় কৰাত প্ৰভূত প্ৰভাৱ পেলোৱা দেখা গৈছে ।

বৃটিছৰ দিনৰ পৰা এটা বিশ্লেষণ ধৰ্মী ইতিহাস ৰচনাৰ পৰম্পৰা সৃষ্টি হোৱাত অসমৰ বুৰঞ্জী ৰচনাৰ পৰম্পৰাত আন এটা অতি গুৰুত্বপূৰ্ণ অধ্যয়নৰ দিশ মুকলি হৈছিল । বুৰঞ্জী ৰচনাৰ বাবে উপযুক্ত আৰু যথেষ্ট সমলৰ আৱশ্যক হোৱাত ইংৰাজ পণ্ডিত সকলে আহোমৰ দিনৰ বুৰঞ্জীবোৰ সম্পাদিত, প্ৰকাশিত আৰু অনুদিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল । সেই সময়তে ইংৰাজ কোম্পানী চৰকাৰৰ সহায়-সহযোগত উত্তৰ-পূৰ ভাৰতত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰত ব্যস্ত থকা আমেৰিকান বেপ্তিষ্ট মিছনেৰী সকলেই সৰ্বপ্ৰথমে প্ৰাচীন বুৰঞ্জী পুথিবোৰ সংগ্ৰহ আৰু প্ৰকাশ কৰি বুৰঞ্জী চৰ্চাৰ অন্য এটা অবিশ্ৰান্ত যুগ সৃষ্টিত সহায় কৰিছিল । উল্লেখ কৰিব পাৰি যে খ্ৰীঃ ১৮৫০-৫২ৰ ভিতৰত শিৱসাগৰ Baptist Mission Press ৰ পৰা প্ৰকাশ পোৱা 'অৰুণোদয়' কাকতত পুৰণি অসম বুৰঞ্জী নামে এখন বুৰঞ্জী খণ্ড-খণ্ডকৈ প্ৰকাশ পায় । ইয়াৰ পৰৱৰ্তী কালত ডঃ সূৰ্য কুমাৰ ভূঞাই ইয়াক পৰিবৰ্দ্ধিত আকাৰত দেওধাই অসম বুৰঞ্জী নামে ১৯৩১ খ্ৰীঃত প্ৰকাশ কৰে। এইদৰে ৰায়চাহাব গোলাপ চন্দ্ৰ বৰুৱাই আহোম ভাষাৰ বুৰঞ্জী এখন ইংৰাজীলৈ অনুবাদ কৰি দি অসমৰ আধুনিক বুৰঞ্জী ৰচনালৈ মূল্যবান সমলৰ যোগান



ধৰে । পুৰণি বুৰঞ্জীবোৰৰ সংকলন, প্ৰকাশন বা অনুবাদ হোৱাৰ লগে লগে আধুনিক বুৰঞ্জী ৰচনাৰ কামো আগবাঢ়ি যায় । ইতিমধ্যে Sir Edwarrd Gait এ ১৯০৫ খ্ৰীঃত A History of Assam লিখি উলিয়াইছিল । তাৰ আগে আগে গুণাভিৰাম বৰুৱাৰ আসাম বুৰঞ্জী (১৮৮৪) পদ্মনাথ গোহাঁই বৰুৱাৰ অসমৰ বুৰঞ্জী (১৮৯৯) আৰু তাৰ বহু পূৰ্বে ১৮২৯ খ্ৰীঃত বঙালী ভাষাত হলিৰাম ঢেকীয়াল ফুকনৰ আসাম বুৰঞ্জী প্ৰকাশ পাইছিল । অকল সেয়ে নহয়, চৰকাৰী সাহায্যত বুৰঞ্জী চৰ্চা হ'ব পৰাকৈ ১৯১২ খ্ৰীঃত 'কামৰূপ অনুসন্ধান সমিতি' আৰু ১৯২৮ খ্ৰীঃত বুৰঞ্জী আৰু পুৰাতত্ব অধ্যয়ন বিভাগ এটা গুৱাহাটীত প্ৰতিষ্ঠা হয়। এই দুটা চৰকাৰী অনুষ্ঠানে বুৰঞ্জী অধ্যয়ন আৰু ৰচনাত বিপুল অৰিহণা যোগাই আহিছে । কিন্তু বৃটিছৰ হাতত ঠন ধৰি উঠা নতুন ইতিহাস চৰ্চাৰ পৰম্পৰাই যি গোষ্ঠী বিভেদ নীতি বা সাম্প্ৰদায়িক মনোবৃত্তি সৃষ্টি কৰিলে সি অসমৰ বুৰঞ্জী প্ৰণয়নত এনে এটা দৃষ্টিকোণ বা Out look সৃষ্টি কৰিলে যে স্বাধীনোত্তৰ কালতো সেই দৃষ্টি দোহাৰ পৰা ঐতিহাসিক সকলৰ বহুতেই মুক্ত হ'ব নোৱাৰিলে ।

ঊনবিংশ শতিকাৰ শেষৰ ফালে ভাৰতত মধ্যবিত্ত শিক্ষিত শ্ৰেণীটোৰ মাজত জাতীয়তাবোধৰ জন্ম হোৱাত সমগ্ৰ ভাৰততে ইতিহাস চৰ্চাৰ আন এটা নতুন ধাৰা সৃষ্টি হয় যাক জাতীয়তাবাদী ধাৰা বুলিব পাৰি । ইয়াৰ ফলত দেশৰ অতীত ইতিহাস চৰ্চাৰ বাবে এচাম বুদ্ধিজীৱী অনুপ্ৰাণিত হোৱাত অসমৰ বুৰঞ্জী ৰচনাৰ ক্ষেত্ৰতো এই ধাৰাটোৰ প্ৰাৱল্য দেখা গৈছিল । কিন্তু বুদ্ধিজীৱী সকলৰ প্ৰায় সকলোৱেই ইংৰাজৰ বিশ্ববিদ্যালয়সমূহৰ ধ্যান ধাৰণা, অনুপ্ৰেৰণা আৰু আদৰ্শেৰে পুষ্ট হোৱাত তেওঁলোকৰ সৃষ্টি বুৰঞ্জীবোৰত Oxford London বা Cambridge আদি বিশ্ববিদ্যালয় সমূহৰ ৰচনা ৰীতি আৰু বিশেষকৈ দৰ্শন নিসৃত হৈ থকাও দেখা যায় । উল্লেখযোগ্য যে আহোমৰ দিনৰ বুৰঞ্জী ৰচনাৰ ৰীতি সলনি কৰি হ'লেও ইংৰাজ সকলে অসমত বুৰঞ্জী অধ্যয়নৰ প্ৰণালী ব্যৱস্থা আৰু যি দৰ্শনৰ পাতনি মেলিলে তাৰ ফলত অসমত বুৰঞ্জী চৰ্চা পূৰ্বৰ পৰা চলি অহা ধাৰাটো অবিচ্ছিন্ন হৈ ৰৈ গৈছিল আৰু সি অধিক প্ৰৱলভাৱে এতিয়াও চলি আছে ।

এইখিনিতে উল্লেখ কৰিব পাৰি যে— কুৰি শতিকাৰ কালছোৱাত, বিশেষকৈ স্বাধীনোত্তৰ কালত অসমত অধিক প্ৰৱল ভাৱে আধুনিক বুৰঞ্জী চৰ্চাৰ কাম আগবাঢ়ে আৰু ক্ৰমে দ্ৰুততৰ গতি লাভ কৰিছে । স্বাধীনতাৰ আগে পিছে প্ৰধানতঃ জাতীয় চেতনা উন্মেষৰ উদ্দেশ্যে ডঃ সূৰ্য কুমাৰ ভূঞা আৰু বেণুধৰ শৰ্মাই বুৰঞ্জী চৰ্চাত হাত দিয়ে । ডঃ ভূঞাৰ আপ্ৰাণ চেষ্টা আৰু সাধনাৰ ফলত অসমত ইয়াৰ বুৰঞ্জী চৰ্চাৰ এখন নতুন দুৱাৰ মুকলি হয় । তেওঁৰ প্ৰচেষ্টাতেই আহোমৰ দিনৰ বহুতো গুৰুত্বপূৰ্ণ বুৰঞ্জী পুথি আৰু ইংৰাজ লেখকৰ টোকা সম্পাদিত হৈ প্ৰকাশ পায় যাৰ ফলত পৰৱৰ্তী কালত অসমৰ বুৰঞ্জী চৰ্চা কিছু সহজ হৈ পৰে। ফলত অসমত বুৰঞ্জী চৰ্চাৰ এক প্ৰকাৰ ধল উঠে । সমসাময়িক আৰু পৰৱৰ্তী কালত প্ৰায় একে দৰ্শন আৰু মাপকাঠিৰ মাজত বাণীকান্ত কাকতি, হৰিনাৰায়ণ দত্ত বৰুৱা, ৰাজমোহন নাথ, বিৰিঞ্চি কুমাৰ বৰুৱা, মহেশ্বৰ নেওগ, ডঃ হেৰম্বকান্ত বৰপূজাৰী, ডঃ প্ৰতাপ চন্দ্ৰ চৌধুৰী আৰু বহুতে এই পৰম্পৰাৰ গতি ধৰি ৰাখে । কিন্তু সাম্প্ৰতিক কালত এনে ধ্যান ধাৰণাৰে পুষ্ট বুৰঞ্জী ৰচনাৰ পৰম্পৰা কিছু দুৰ্বল হৈ পৰিছে আৰু ডঃ স্বৰ্ণলতা বৰুৱাৰ দৰে আধুনিক লেখকৰ চৰ্চাত সাধাৰণ প্ৰজাৰ জীৱনৰ ঘটনাৰাজিয়ে কিছু ঠাই পোৱাত অসমৰ বুৰঞ্জী অধ্যয়নলৈয়ো অন্য এক পৰম্পৰাৰ আমদানি হৈছে । কিন্তু স্বাধীনোত্তৰ কালৰ বুৰঞ্জী চৰ্চাৰ পৰম্পৰালৈ বস্তুবাদী ধ্যান ধাৰণাৰ সণ্চালনি হয় কিছু পলমকৈ । এই ক্ষেত্ৰত বস্তুবাদী চিন্তাৰ লেখক ভবানন্দ দত্ত আৰু বিষ্ণু প্ৰসাদ ৰাভাৰ

যুগৰ ঐতিহাসিক নেবুহাৰ আৰু ৰাংকে এই ক্ষেত্রত অগ্রণীপুৰুষ আছিল । এই নতুন ৰীতিৰ বুৰঞ্জীত সমলৰ বিচাৰ বিশ্লেষণ আৰু ঘটনাৰ সমালোচনাই ঠাই পাইছিল । ফলত ভাৰতত ইংৰাজৰ আধিপত্য স্থাপন হোৱাৰ লগে লগে আধুনিক ইতিহাস ৰচনাৰ বিজ্ঞান সন্মত ধাৰা এটাৰো ইয়ালৈ আমদানি হৈছিল। লগে লগে বুৰঞ্জী ৰচনা আৰু ইয়াৰ গুণাগুণ ৰক্ষাৰ ওপৰতো গুৰুত্ব বাঢ়িল । আগতে উল্লেখ কৰি অহা হৈছে যে Jemes Mill (১৭৭৩-১৮৩৬)ৰ History of British India খনেই ভাৰতৰ বিষয়ে লিখা প্রথম আধুনিক ইতিহাস । অৱশ্যে সর্বপ্রথম আধুনিক ইতিহাস হ'লেও Millৰ গ্রন্থখন উপর্যুপৰি সমালোচনা কৰাৰ স্থল আছে। কাৰণ এখন স্থায়ী উপনিবেশ স্থাপন কৰা আৰু ইয়াৰ দ্রুত সম্প্রসাৰণ ঘটাব খোজা এটা জাতিৰ প্রতিনিধিমূলক ঐতিহাসিক হিচাপে ভাৰতীয় মানুহৰ মনত উপনিবেশিক বীজ ৰোপণ কৰাৰ এয়া আছিল প্রথম গোপন আৰু কৃতকার্য প্রচেষ্টা । সুদূৰৰ দেশ এখনত বিভাজন আৰু শোষণ প্রক্রিয়া এটা সহজে আৰু সুন্দৰকৈ চলাই যাব পৰাকৈ বৃটিছ সকলে ভাৰতৰ প্রতিটো জাতি জনজাতি তেওঁলোকৰ ভাষা ইতিহাস আৰু তেওঁলোকৰ চাৰিত্রিক বৈশিষ্ট্য সমূহ অধ্যয়ন কৰিছিল । এওঁলোকৰ এনে অধ্যয়নৰ পৰিধিৰ পৰা অসম আৰু ইয়াৰ দাঁতি কাষৰীয়া ঠাইৰ জনজাতি সমূহো বাদ পৰা নাছিল ।

বৃটিছসকলৰ নতুন ইতিহাস চর্চাৰ পৰম্পৰাই অসমত আহোমৰ দিনৰ বুৰঞ্জী চর্চাৰ ওপৰত খোপনি পুতি আগুৱাবলৈ সুবিধা পালে যদিও মূলতে আহোমৰ বুৰঞ্জী লিখা ৰীতি বৃটিছ যুগৰ আধুনিক ৰীতিতকৈ বেলেগ আছিল। পূর্বে আহোমৰ দিনৰ বুৰঞ্জী সমূহত নথকা বিচাৰ বিশ্লেষণে বৃটিছৰ সময়ৰ বুৰঞ্জীত অগ্রণী ভূমিকা লাভ কৰিলে । কিন্তু সেই বুলি সময়ছোৱাত ৰচনা কৰা অসমৰ বুৰঞ্জীসমূহত যে সকলোবোৰ বিচাৰ বিশ্লেষণেই নিখুঁত আছিল তেনে নহয় । তেতিয়াও মূলতঃ ৰাজনৈতিক ঘটনা পঞ্জীৰ বর্ণনাৰেহে প্রায়বোৰ বুৰঞ্জী ৰচনা কৰা হৈছিল । উদাহৰণস্বৰূপে অসমৰ প্রথম আধুনিক আৰু পূর্ণাঙ্গ বুৰঞ্জী Sir Edward Gait-ৰ A History of Assam খনৰ কথা উল্লেখ কৰিব পাৰি । ইয়াৰ উপৰিও স্বদেশী লেখকৰ হাতত সৃষ্টি হোৱা বুৰঞ্জী সমূহতো James Mill ৰ ভাৰত বুৰঞ্জী বিভাজনৰ অনুপ্রেৰণা এটাই অজানিতে কাম কৰি গৈছিল । তাৰ ফলত ভাৰতৰ অন্যান্য ঠাইত হোৱাৰ দৰে সেই সময়ৰ বুৰঞ্জীবোৰে প্রশাসনীয় কামত বৃটিছ সকলক বিস্তৰ সহায় কৰাৰ উপৰিও স্বাধীনোত্তৰ কালতে উত্তৰ-পূব ভাৰতৰ সমাজৰ গতি নির্ণয় কৰাত প্রভূত প্রভাৱ পেলোৱা দেখা গৈছে ।

বৃটিছৰ দিনৰ পৰা এটা বিশ্লেষণ ধর্মী ইতিহাস ৰচনাৰ পৰম্পৰা সৃষ্টি হোৱাত অসমৰ বুৰঞ্জী ৰচনাৰ পৰম্পৰাত আন এটা অতি গুৰুত্বপূর্ণ অধ্যয়নৰ দিশ মুকলি হৈছিল । বুৰঞ্জী ৰচনাৰ বাবে উপযুক্ত আৰু যথেষ্ট সমলৰ আৱশ্যক হোৱাত ইংৰাজ পণ্ডিত সকলে আহোমৰ দিনৰ বুৰঞ্জীবোৰ সম্পাদিত, প্রকাশিত আৰু অনুদিত কৰাৰ ব্যৱস্থা গ্রহণ কৰিছিল । সেই সময়তে ইংৰাজ কোম্পানী চৰকাৰৰ সহায়-সহযোগত উত্তৰ-পূব ভাৰতত খ্রীষ্টান ধর্ম প্রচাৰত ব্যস্ত থকা আমেৰিকান বেপ্তিষ্ট মিছনেৰী সকলেই সর্বপ্রথমে প্রাচীন বুৰঞ্জী পুথিবোৰ সংগ্রহ আৰু প্রকাশ কৰি বুৰঞ্জী চর্চাৰ অন্য এটা অবিশ্রান্ত যুগ সৃষ্টিত সহায় কৰিছিল । উল্লেখ কৰিব পাৰি যে খ্রীঃ ১৮৫০-৫২ৰ ভিতৰত শিৱসাগৰ Baptist Mission Press ৰ পৰা প্রকাশ পোৱা 'অৰুণোদয়' কাকতত পুৰণি অসম বুৰঞ্জী নামে এখন বুৰঞ্জী খণ্ড-খণ্ডকৈ প্রকাশ পায় । ইয়াৰ পৰৱৰ্তী কালত ড০ সূর্য কুমাৰ ভূঞাই ইয়াক পৰিবর্দ্ধিত আকাৰত দেওধাই অসম বুৰঞ্জী নামে ১৯৩১ খ্রীঃত প্রকাশ কৰে। এইদৰে ৰায়চাহাব গোলাপ চন্দ্র বৰুৱাই আহোম ভাষাৰ বুৰঞ্জী এখন ইংৰাজীলৈ অনুবাদ কৰি দি অসমৰ আধুনিক বুৰঞ্জী ৰচনালৈ মূল্যবান সমলৰ যোগান



ধৰে । পুৰণি বুৰঞ্জীবোৰৰ সংকলন, প্রকাশন বা অনুবাদ হোৱাৰ লগে লগে আধুনিক বুৰঞ্জী ৰচনাৰ কামো আগবাঢ়ি যায় । ইতিমধ্যে Sir Edwarrd Gait এ ১৯০৫ খ্রীঃত A History of Assam লিখি উলিয়াইছিল । তাৰ আগে আগে গুণাভিৰাম বৰুৱাৰ আসাম বুৰঞ্জী (১৮৮৪) পদ্মনাথ গোহাঁই বৰুৱাৰ অসমৰ বুৰঞ্জী (১৮৯৯) আৰু তাৰ বহু পূর্বে ১৮২৯ খ্রীঃত বঙালী ভাষাত হলিৰাম ঢেকীয়াল ফুকনৰ আসাম বুৰঞ্জী প্রকাশ পাইছিল । অকল সেয়ে নহয়, চৰকাৰী সাহায্যত বুৰঞ্জী চর্চা হ'ব পৰাকৈ ১৯১২ খ্রীঃত 'কামৰূপ অনুসন্ধান সমিতি' আৰু ১৯২৮ খ্রীঃত বুৰঞ্জী আৰু পুৰাতত্ত্ব অধ্যয়ন বিভাগ এটা গুৱাহাটীত প্রতিষ্ঠা হয়। এই দুটা চৰকাৰী অনুষ্ঠানে বুৰঞ্জী অধ্যয়ন আৰু ৰচনাত বিপুল অৰিহণা যোগাই আহিছে । কিন্তু বৃটিছৰ হাতত ঠন ধৰি উঠা নতুন ইতিহাস চর্চাৰ পৰম্পৰাই যি গোষ্ঠী বিভেদ নীতি বা সাম্প্রদায়িক মনোবৃত্তি সৃষ্টি কৰিলে সি অসমৰ বুৰঞ্জী প্রণয়নত এনে এটা দৃষ্টিকোণ বা Out look সৃষ্টি কৰিলে যে স্বাধীনোত্তৰ কালতো সেই দৃষ্টি দোহাৰ পৰা ঐতিহাসিক সকলৰ বহুতেই মুক্ত হ'ব নোৱাৰিলে ।

ঊনবিংশ শতিকাৰ শেষৰ ফালে ভাৰতত মধ্যবিত্ত শিক্ষিত শ্রেণীটোৰ মাজত জাতীয়তাবোধৰ জন্ম হোৱাত সমগ্র ভাৰততে ইতিহাস চর্চাৰ আন এটা নতুন ধাৰা সৃষ্টি হয় যাক জাতীয়তাবাদী ধাৰা বুলিব পাৰি । ইয়াৰ ফলত দেশৰ অতীত ইতিহাস চর্চাৰ বাবে এচাম বুদ্ধিজীৱী অনুপ্রাণিত হোৱাত অসমৰ বুৰঞ্জী ৰচনাৰ ক্ষেত্রতো এই ধাৰাটোৰ প্রাৱল্য দেখা গৈছিল । কিন্তু বুদ্ধিজীৱী সকলৰ প্রায় সকলোৱেই ইংৰাজৰ বিশ্ববিদ্যালয়সমূহৰ ধ্যান ধাৰণা, অনুপ্রেৰণা আৰু আদর্শেৰে পুষ্ট হোৱাত তেওঁলোকৰ সৃষ্টি বুৰঞ্জীবোৰত Oxford London বা Cambridge আদি বিশ্ববিদ্যালয় সমূহৰ ৰচনা ৰীতি আৰু বিশেষকৈ দর্শন নিসৃত হৈ থকাও দেখা যায় । উল্লেখযোগ্য যে আহোমৰ দিনৰ বুৰঞ্জী ৰচনাৰ ৰীতি সলনি কৰি হ'লেও ইংৰাজ সকলে অসমত বুৰঞ্জী অধ্যয়নৰ প্রণালী ব্যৱস্থা আৰু যি দর্শনৰ পাতনি মেলিলে তাৰ ফলত অসমত বুৰঞ্জী চর্চা পূর্বৰ পৰা চলি অহা ধাৰাটো অবিচ্ছিন্ন হৈ ৰৈ গৈছিল আৰু সি অধিক প্রৱলভাৱে এতিয়াও চলি আছে ।

এইখিনিতে উল্লেখ কৰিব পাৰি যে— কুৰি শতিকাৰ কালছোৱাত, বিশেষকৈ স্বাধীনোত্তৰ কালত অসমত অধিক প্রৱল ভাৱে আধুনিক বুৰঞ্জী চর্চাৰ কাম আগবাঢ়ে আৰু ক্রমে দ্রুততৰ গতি লাভ কৰিছে । স্বাধীনতাৰ আগে পিছে প্রধানতঃ জাতীয় চেতনা উন্মেষৰ উদ্দেশ্যে ড০ সূর্য কুমাৰ ভূঞা আৰু বেণুধৰ শর্মাই বুৰঞ্জী চর্চাত হাত দিয়ে । ড০ ভূঞাৰ আপ্রাণ চেষ্টা আৰু সাধনাৰ ফলত অসমত ইয়াৰ বুৰঞ্জী চর্চাৰ এখন নতুন দুৱাৰ মুকলি হয় । তেওঁৰ প্রচেষ্টাতেই আহোমৰ দিনৰ বহুতো গুৰুত্বপূর্ণ বুৰঞ্জী পুথি আৰু ইংৰাজ লেখকৰ টোকা সম্পাদিত হৈ প্রকাশ পায় যাৰ ফলত পৰৱর্তী কালত অসমৰ বুৰঞ্জী চর্চা কিছু সহজ হৈ পৰে। ফলত অসমত বুৰঞ্জী চর্চাৰ এক প্রকাৰ ধল উঠে । সমসাময়িক আৰু পৰৱর্তী কালত প্রায় একে দর্শন আৰু মাপকাঠিৰ মাজত বাণীকান্ত কাকতি, হৰিনাৰায়ণ দত্ত বৰুৱা, ৰাজমোহন নাথ, বিৰিঞ্চি কুমাৰ বৰুৱা, মহেশ্বৰ নেওগ, ড০ হেৰম্বকান্ত বৰপুজাৰী, ড০ প্রতাপ চন্দ্র চৌধুৰী আৰু বহুতে এই পৰম্পৰাৰ গতি ধৰি ৰাখে । কিন্তু সাম্প্রতিক কালত এনে ধ্যান ধাৰণাৰে পুষ্ট বুৰঞ্জী ৰচনাৰ পৰম্পৰা কিছু দুর্বল হৈ পৰিছে আৰু ড০ স্বর্ণলতা বৰুৱাৰ দৰে আধুনিক লেখকৰ চর্চাত সাধাৰণ প্রজাৰ জীৱনৰ ঘটনাৰাজিয়ে কিছু ঠাই পোৱাত অসমৰ বুৰঞ্জী অধ্যয়নলৈয়ো অন্য এক পৰম্পৰাৰ আমদানি হৈছে । কিন্তু স্বাধীনোত্তৰ কালৰ বুৰঞ্জী চর্চাৰ পৰম্পৰাৰে বস্তুবাদী ধ্যান ধাৰণাৰ সঞ্চালনি হয় কিছু পলমকৈ । এই ক্ষেত্রত বস্তুবাদী চিন্তাৰ লেখক ভবানন্দ দত্ত আৰু বিষ্ণু প্রসাদ ৰাভাৰ

ৰচনা ৰাজি উল্লেখযোগ্য । সাম্প্ৰতিক কালত ডঃ হীৰেণ গোহাঁই, অমলেন্দু গুহ, ডঃ ধ্ৰুৱজ্যোতি বৰা, লক্ষীনাথ তামুলী, যতীন্দ্ৰ নাথ বৰগোহাঞি, প্ৰসেনজিৎ চৌধুৰী, শিৱনাথ বৰ্মণ, ৰমেশ কলিতা, প্ৰফুল্ল কুমাৰ মহন্ত আদিয়ে বস্তুবাদী বুৰঞ্জী চৰ্চাৰ পৰম্পৰা ৰক্ষা কৰিছে । অৱশ্যে এইবোৰ বহুততে নিৰ্মোহ অনুসন্ধিৎসাতকৈ পূৰ্ব নিৰ্ধাৰিত গতত ৰচনা কৰা ৰীতি এটা অধিক ভাৱে দেখা যায় ।

আধুনিক কালত হোৱা বুৰঞ্জী অধ্যয়নৰ ৰীতিৰ কিছু নিজা বৈশিষ্ট্য আছে । ইয়াত বিষয় বস্তুৰ পৰিধি যেনে বহল, ব্যাখ্যাৰ ৰীতিও বিশ্লেষণাত্মক । তথাপি ইংৰাজৰ ঔপনিবেশিক ৰীতি, বস্তুবাদী দৰ্শন, ক্ষুদ্ৰ জাতীয়তাবাদ বা সাম্প্ৰদায়িকতাবাদী ধ্যান-ধাৰণা আদিয়েও বুৰঞ্জী ৰচনাৰ পৰম্পৰাক প্ৰতিক্ৰিয়া কৰিছে। তাৰ ফলত সাম্প্ৰতিক কালত অসামাজিক বা নিকৃষ্ট শ্ৰেণীৰ বুৰঞ্জী সৃষ্টি নোহোৱাকৈ থকা নাই । তেনে শ্ৰেণীৰ বুৰঞ্জীত অসমৰ সভ্যতা সংস্কৃতি ভুল ব্যাখ্যা দিয়া ইয়াৰ আচল ছবিখন ঢাকি ৰাখিবলৈ বুৰঞ্জী লেখক সকলে চেষ্টা কৰাও দেখা যায় । আহোম প্ৰশাসনৰ সময়তো বুৰঞ্জীত ভুল ব্যাখ্যা দিবলৈ প্ৰয়াস কৰা হৈছিল বুলি জনা যায়, কিন্তু সেয়া সম্পূৰ্ণ ব্যক্তি কেন্দ্ৰিক হে আছিল, জাতি বা সমাজ কেন্দ্ৰিক নাছিল । মন কৰিব লগা যে সেই সময়ত বুৰঞ্জী লিখা হৈছিল যেনেকৈ, সেইবোৰৰ পৰীক্ষনো চলিছিল তেনেকৈ । নিৰ্বাচনত নুঠা বুৰঞ্জীবোৰ সংৰক্ষণ নহৈছিল। কিন্তু তাৰ অৰ্থ এইটো নাছিল যে বুৰঞ্জী ৰচনা ৰাজনীতিয়ে গৰকা আছিল । বুঢ়া গোহাঞিৰ দৰে উচ্চতম পদৰ অধিকাৰী হাবিৰ মাজত হেৰাই থাকি যোৱা আৰু তিৰোতা মানুহে ৰজা আৰু মন্ত্ৰীক মেখেলা পিন্ধাবলৈ সাহস কৰা আদি দুৰ্ভাগ্যজনক ঘটনাও সেইবোৰ বুৰঞ্জীত নিৰ্বিবাদে বৰ্ণিত হৈছিল । সেই বাবেই অকল ভাৰততে কিয় সমগ্ৰ বিশ্বতে মধ্যযুগত অসমৰ বুৰঞ্জীবোৰ সাহিত্য আৰু বুৰঞ্জী উভয় ক্ষেত্ৰত অনন্য মূল্যৰ প্ৰতীক বুলি ক'ব পাৰি ।

দেখা যায় যে আধুনিক অসমৰ বুৰঞ্জী ৰচনাৰ পৰম্পৰা ভাৰতৰ অন্যান্য ঠাইৰ দৰে এতিয়াৰ সৃষ্টি নহয় । কাশ্মীৰৰ একমাত্ৰ বুৰঞ্জী লেখক কলহনক এৰি সমগ্ৰ ভাৰতবৰ্ষতে যি পৰম্পৰা আন ক'তো গঢ়ি উঠা নাছিল, তেনে এক গুৰুত্বপূৰ্ণ বিষয়ৰ অধ্যয়ন আৰু চৰ্চা অসমত বাধ্যবাধক আৰু ৰাষ্ট্ৰনীতি ৰূপে হৈছিল মধ্যযুগৰ আহোম প্ৰশাসনত ছশবছৰ ধৰি চলা শাসন কালত । এই পৰম্পৰা তেতিয়া এনে নিখুঁত আৰু একেধাৰে চলিছিল যে ১২২৮ খ্ৰীঃত প্ৰথম আহোম ৰজা চুকাফাই চৰাইদেউত ৰাজধানী পাতি দেশৰ বুৰঞ্জী লিখি যাবলৈ পণ্ডিত সকলক নিৰ্দেশ দি যোৱাৰ পৰা ১৮৩৮ খ্ৰীঃত পুৰন্দৰ সিংহ স্বৰ্গদেউক আঁতৰাই অসমখন বৃটিছৰ খাচ্ দখললৈ নিয়া সময়লৈকে বুৰঞ্জী লিখা ৰীতি চলি আছিল । উল্লেখনীয় যে অন্যান্য কেইবাখনো অপ্ৰকাশিত অৱস্থাত থকা বুৰঞ্জী পুথিৰ উপৰিও তেওঁৰ অতি দুৰ্যোগৰ কাল চলি থকা সময়ছোৱাতো পুৰন্দৰ সিংহই কাশীনাথ তামুলী ফুকনৰ 'আসাম বুৰঞ্জী' 'পদ্যবুৰঞ্জী'ৰূপে প্ৰকাশ পোৱা দুতিৰাম হাজৰিকাৰ 'কলি ভাৰত বুৰঞ্জী' আৰু বিশ্বেশ্বৰ বৈদ্যাধিপৰ 'বেলিমাৰৰ বুৰঞ্জী' দুখন লিখোৱাইছিল। তেনে এক চহকী পৰম্পৰা শেষ নৌহওঁতেই অসমলৈ আমদানি হৈছিল ইউৰোপৰ ইতিহাস চৰ্চাৰ আন এক পৰম্পৰা য'ত ঘটনাৰ বিচাৰ-বিশ্লেষণক অধিক গুৰুত্ব দিয়া হৈছিল আৰু ইতিহাসক বিজ্ঞানৰ শাৰীলৈ উত্তোলন কৰাৰ বাবে সত্যৰ অন্বেষণ চলিছিল । কিন্তু বিষয় বস্তুৰ বিচাৰ-বিশ্লেষণে ঐতিহাসিকৰ মনত পূৰ্বৰে পৰা ভুমুকি মাৰি থকা একো একোটা ধ্যান ধাৰণাক পৰোক্ষভাৱে উপস্থাপন কৰিবলৈ সুবিধা দিয়াত বৰ্তমানৰ বুৰঞ্জীবোৰত পূৰ্বনিৰ্দ্ধাৰিত মন্তব্যই ক্ৰিয়া কৰা দেখা যায় । কিন্তু সেই বুলি এই নতুন পৰম্পৰাৰ ইতিহাস বা বুৰঞ্জীয়ে পূৰ্বৰ পৰা চলি অহা বুৰঞ্জী চৰ্চাৰ পৰম্পৰাক দুৰ্বল কৰা নাই বা ই নিজেও এক দুৰ্বল পৰম্পৰাৰ প্ৰতীক নহয় । বৰঞ্চ এই নতুন পৰম্পৰাই পূৰ্বৰ পৰম্পৰাক পুনৰ সুদৃঢ় কৰিলে আৰু ইয়াৰ পৰিধি আৰু গুণাগুণ বৃদ্ধি কৰি অসমত বিজ্ঞান ভিত্তিক বুৰঞ্জী সাহিত্য সৃষ্টিৰ পথ মুকলি কৰিলে । ●●



# ইতিহাস গঠন প্ৰক্ৰিয়াত ভৌগোলিক প্ৰভাৱ

–সৰোজিনী দেৱী গোহাঁই
মুৰব্বী অধ্যাপিকা, বুৰঞ্জী বিভাগ
দুলীয়াজান মহাবিদ্যালয়

ইতিহাসৰ লগত ভৌগোলিক পৰিবেশৰ অঙ্গাঙ্গী সম্বন্ধ । সকলো অঞ্চলৰ অধিবাসীৰ শাৰীৰিক আৰু মানসিক কৰ্মসমূহ পৰিচালিত হয় ভৌগোলিক পৰিবেশৰ দ্বাৰা । বিভিন্ন দেশৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় এখন দেশৰ জনসংখ্যাৰ প্ৰকৃতি নিৰ্ধাৰণ কৰে ভৌগোলিক স্থিতি মাটি আৰু জলবায়ু আৰু আন প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত । প্ৰকৃতিৰ সংহাৰ মূৰ্তি অথবা শান্ত সমাহিত ৰূপ উভয়কে ভৌগোলিক পৰিবেশে নিয়ন্ত্ৰণ কৰে । সাগৰ তীৰত অথবা পাহাৰৰ চূড়াৰে সূৰ্য্যোদয়-সূৰ্য্যাস্তৰ অপৰূপ সৌন্দৰ্য্য আৰু জোনাক নিশাৰ মায়াময় বাৰেবৰণীয়া ৰূপৰ সৈতে শিল্প-উদ্যোগৰ ধূৱলী-কুঁৱলী পৰিবেশ চহৰৰ পাৰ্থক্যও নিৰ্ভৰ কৰে ভৌগোলিক স্থিতিৰ ওপৰত। ইতিহাসৰ ঘটনাৰাজিয়ে স্পষ্টৰূপত দাঙি ধৰিছে যে সকলো ৰাজ্যই অতন্দ্ৰ প্ৰহৰী স্বৰূপ সীমান্তবৰ্তী ৰাজ্য সমূহৰ লগত সৌহাদ্যপূৰ্ণ আৰু সু-সম্পৰ্ক বজায় ৰখাৰ ওপৰত অধিক গুৰুত্ব দিয়ে। চুবুৰীয়া ৰাজ্যৰ সংস্পৰ্শৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰা ৰাজ্যসমূহে অকলশৰীয়া জীৱন অতিক্ৰম কৰিব লগা হয় যিয়ে হয়তো ৰাজ্যখনলৈ ৰাজনৈতিক আৰু অৰ্থনৈতিক বিপৰ্য্যয় নমাই আনে। অৱশ্যে এইটোও নুই কৰিব নোৱাৰি যে ভৌগোলিক বাতাৱৰণৰ বাবে এনে ৰাজ্যই বিদেশী আক্ৰমণৰ সম্ভাৱনাৰ পৰা মুক্ত হৈ স্বচ্ছন্দে সময় পাৰ কৰিব পাৰে । চীন দেশৰ এনে নীতিৰ কাৰণে চতুৰ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সেই দেশত উপনিবেশ বা বাণিজ্য কেন্দ্ৰ স্থাপন কৰিব পৰা নাছিল। কিন্তু পিচলৈ এই ঘটনাৰ পৰিণতি স্বৰূপে চীনে তিনিখন বিধ্বংসী যুদ্ধত অৱতীৰ্ণ হ'ব লগা হৈছিল । জলবায়ু আৰু ভৌগোলিক অৱস্থানৰ বাবে আমাৰ অসমেও চতুৰ্দ্দশ শতিকালৈ মুছলিম শক্তিক প্ৰতিহত কৰিবলৈ সমৰ্থ হৈছিল ; সমৰ্থ হৈছিল ঔৰংজেৱৰ দৰে শক্তিশালী শাসকৰ অভিযান ব্যৰ্থ কৰিবলৈ । ইষ্ট ইণ্ডিয়া কোম্পানীয়েও বাণিজ্য নীতি অসমৰ ভৌগোলিক অৱস্থানৰ বাবেই সলনি কৰিবলৈ বাধ্য হৈছিল । জাতিৰ মানসিক গঠনতো ইয়াৰ প্ৰভাৱ অপৰিসীম। স্বাভাৱিকতে স্থলভাগৰ চাৰিওফালে সাগৰ বা মহাসাগৰে আগুৰি থকা দেশৰ জনসাধাৰণ সাহসী, আগৰণুৱা আৰু পৰিপক্ক হোৱা দেখা যায় । আয়তনত বৃহদাকাৰ, কৃষি আৰু খনিজাত দ্ৰব্যত চহকী আৰু সাগৰীয় উপকূল থকা দেশসমূহ আত্মনিৰ্ভৰশীল আৰু উন্নয়নমুখী হোৱা দেখা যায় । আকাৰত সৰু, পাহাৰীয়া অথবা মৰুময় দেশসমূহ সদায় বাহ্যিক সহায়ৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয় ।

দুখন দেশৰ পাৰস্পৰিক সম্পৰ্ক ভৌগোলিক পৰিবেশে নিয়ন্ত্ৰণ কৰে । শক্তিশালী দেশসমূহে সীমান্ত সুৰক্ষিত ৰখাৰ অৰ্থে মিত্ৰৰাষ্ট্ৰৰ প্ৰয়োজন অনুভৱ কৰে। আত্মনিৰ্ভৰশীলতা, ক্ষমতা আৰু উন্নয়নমুখী ভূমিকা, আধুনিক জীৱন-যাপন, কৃষি আৰু শিল্প-উদ্যোগৰ বিকাশ সকলোখিনি নিৰ্ভৰ কৰে ঘাইকৈ দেশৰ ভৌগোলিক পৰিবেশৰ ওপৰত । দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়ত আমেৰিকা আৰু ছোভিয়েট ৰাচিয়াৰ শক্তি-বৃদ্ধিত নিজ দেশৰ ভৌগোলিক পৰিস্থিতিয়ে যথেষ্ট সহায় কৰিছিল । দেশৰ ৰাজনৈতিক পৰিপক্কতাত সহায় কৰা প্ৰধান উপাদান সমূহ হৈছে— ভৌগোলিক

অৱস্থান, জলবায়ু, মাটিৰ শ্ৰেণীবিভাগ আৰু কেঁচা মালৰ উৎপাদন । পৰোক্ষভাৱে তাৰ প্ৰভাৱ দেশৰ জনসাধাৰণৰ শাৰীৰিক গঠন আৰু মানসিক দিশতো প্ৰভাৱ পেলায়। শীত প্ৰধান অঞ্চলৰ অধিবাসীসকল যেনেকৈ স্বাস্থ্যবান গ্ৰীষ্মপ্ৰধান দেশৰ অধিবাসী কিছু পৰিমাণে এলেহুৱা আৰু পিচপৰা । আনহাতে ক্ৰান্তীয় অঞ্চলৰ অধিবাসী কষ্ট সহিষ্ণু । মৰুময় অঞ্চলৰ উত্তপ্ত আৰু শুকান পৰিবেশ স্বাভাৱিক জীৱনযাত্ৰাৰ বাবে কষ্টকৰ । চাহাৰা মৰুভূমি, আৰবৰ মৰুময় অঞ্চলৰ অধিবাসী দুৰ্বল আৰু কম পৰিমাণে শিল্প উদ্যোগী । বিষুৱীয় অঞ্চলৰ বৰষুণৰ প্ৰাবল্যৰ বাবে ঠাইবোৰ চিৰসেউজ আৰু গভীৰ অৰণ্যৰে ভৰা আৰু কৃষিৰ উপযোগী । ইন্দোনেচীয়া, মালয় আৰু উত্তৰ আৰু দক্ষিণ আমেৰিকাৰ কাষৰীয়া ঠাই সমূহ এনে জলবায়ুৰ অন্তৰ্ভুক্ত । Semi-tropical অঞ্চলৰ দেশসমূহৰ জলবায়ু অতি মনোৰম। এনে দেশৰ অধিবাসীৰ চৰিত্ৰত সাহস আৰু সদাজাগ্ৰত মনোভাৱ পৰিলক্ষিত হয় । ইউৰোপ, আমেৰিকা, জাপান, চীন, ভাৰত আদি এনে জলবায়ুৰ অন্তৰ্ভুক্ত ।

সমীক্ষাত দেখা গৈছে ভৌগোলিক ভাৱে সুবিধাজনক আৰু অনুকূল বাতাৱৰণত থকা দেশ সমূহে আন্তৰাষ্ট্ৰীয় ৰাজনীতিত উচ্চ স্থান লাভ কৰে। দেশৰ মূল অংশৰ পৰা বিচ্ছিন্ন, প্ৰাকৃতিক সীমা নথকা দেশ, প্ৰাকৃতিক সীমাই ৰক্ষণা-বেক্ষণ দিয়া দেশ আদিৰ ইতিহাস লক্ষণীয় । ভৌগোলিক অৱস্থানৰ বাবে বিচ্ছিন্ন হৈ থকা দেশসমূহৰ কিছুমান সুবিধাও আছে । ইংলেণ্ড আৰু আমেৰিকাই বিচ্ছিন্ন পৰিবেশৰ পৰা যথেষ্ট লাভান্বিত হৈছে । আনহাতে স্থলভাগে আগুৰি থকা দেশসমূহৰ বহিঁ শত্ৰুৰ আক্ৰমণৰ সম্ভাৱনা অনেক । বলকান ৰাজ্যসমূহ এনে ভৌগোলিক পৰিবেশৰ বাবে বিশ্ব-ৰাজনীতিৰ কেন্দ্ৰ বিন্দু আৰু যুদ্ধৰ আশংকাত স্তব্ধমান । সেইদৰে সাগৰৰ কাষৰীয়া দেশসমূহৰ ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় ৰাজনীতি উভয় ক্ষেত্ৰতে যথেষ্ট প্ৰভাৱ। সাগৰীয় পথৰ আৱিষ্কাৰ আৰু ষ্টীম ইঞ্জিনৰ উদ্ভাৱনে ৰাজনীতিত নতুনত্বৰ সন্ধান দিলে । "সাগৰৰ ৰাণী" ইংলণ্ড নৌবাহিনীক কেন্দ্ৰ আৰু ভিত্তি কৰিয়েই বিশ্বত উন্নয়নশীল ৰাষ্ট্ৰৰ তালিকাত সৰ্বোচ্চ আসন লাভ কৰিছিল । সম্ৰাট নেপোলিয়নে সমগ্ৰ ইউৰোপ পদানত কৰিবলৈ সমৰ্থ হ'লেও মাত্ৰ ৪০ কিলোমিটাৰ দূৰত্বৰ জলপথ (চুৱেজখাল) অতিক্ৰম কৰিবলৈ গৈ মুখ-থেকেচা খাবলগীয়া হৈছিল । দ্বিতীয় মহাসমৰত হিটলাৰে আমেৰিকা আৰু ইংলেণ্ড পদানত কৰিব নোৱাৰাৰ কাৰণো নৌবাহিনীৰ অভাৱ । ভৌগোলিক পৰিবেশৰ বাবেই নেপোলিয়নে কৰা ব্যৰ্থ ৰাছিয়া অভিযানৰ পুনৰাবৃত্তি ঘটিল হিটলাৰৰ দিনত । মধ্য প্ৰাচ্যৰ ভৌগোলিক পৰিবেশে বিশ্বৰ দুই বৃহৎ শক্তি আমেৰিকা আৰু ৰাছিয়াৰ লোভাতুৰ দৃষ্টিৰ বাবে যুদ্ধৰ লেলিহান শিখাক আকৰ্ষিত কৰিছে । সেই অঞ্চলৰ তৈল-ভাণ্ডাৰৰ প্ৰতি থকা দুৰ্বলতা আৰু লোভেই এই সংঘৰ্ষৰ মূল কাৰণ ।

সুউচ্চ পৰ্বতমালা, মালভূমি আৰু সীমান্তত সাগৰীয় অৱস্থানে দেশৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ গাথনি দৃঢ় কৰে । আমি ভাৰতবাসীয়ে সৌ সিদিনালৈকে আকাশলঙ্ঘী হিমালয়ক লৈ কম গৌৰৱ কৰা নাছিলো; কিন্তু ১৯৬২ চনৰ চীনা আক্ৰমণে সেই গৌৰৱ ধূলিসাৎ কৰি দিলে । তথাপিও প্ৰাকৃতিক প্ৰতিৰক্ষা ব্যৱস্থা আমাৰ এক অদম্য সাহস ; হিমালয় অবিহনে ভাৰত পৰিণত হ'লহেঁতেন বালিময় মৰুভূমিত ।

দেশৰ অৰ্থনীতিত প্ৰাকৃতিক সম্পদ, পানী খনিজাত দ্ৰব্য আৰু খাদ্য সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল। ভাৰতবৰ্ষ কৃষিৰ ওপৰিও খনিজ সম্পদতো চহকী ; কিন্তু চুবুৰীয়া পাকিস্থান কৃষিত চহকী যদিও খনিজ সম্পদৰ অভাৱে দুয়োখন দেশৰ মাজত অৰ্থনৈতিক পাৰ্থক্য দেখা যায় । দেশৰ কৃষি, শিল্প দুয়োটা উদ্যোগ মূলতঃ জলবায়ু, মাটিৰ বিভাগ আৰু দেশবাসীৰ কাৰিকৰী জ্ঞানৰ ওপৰত নিৰ্ভৰশীল পেট্ৰোলিয়াম,




ইউৰেনিয়াম বিশ্বৰ উন্নতিৰ অপৰিহাৰ্য্য মূলধন । আনৱিক শক্তি আহৰণত ইউৰেনিয়ামৰ গুৰুত্ব অপৰিসীম । ৰাচিয়া আৰু আমেৰিকা দুয়ো দেশ এইবিধ খনিজ সম্পদত চহকী । যিহেতু আনৱিক শক্তি ধ্বংসৰ বাবেও ব্যৱহৃত হ'ব পাৰে সেয়েহে যদিহে ইউৰেনিয়ামৰ আহৰণত আমেৰিকা আৰু ৰাচিয়াক সংযত হোৱা দেখা নাযায়— অনাগত কালত ই বিশ্বৰ আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিক আঘাত কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

দুখন দেশৰ সীমা-বিবাদৰ উৎপত্তিৰ গুৰিত ভৌগোলিক অৱস্থান । পাক-ভাৰত-বিবাদকে ধৰি বহু সীমা বিবাদৰ ঘটনা ইতিহাসত লিপিবদ্ধ হৈ ৰৈছে। প্ৰাকৃতিক সীমা মানি চলি এনে বিবাদ এৰাই চলিব পাৰি । ছুইজাৰলেণ্ডৰ সীমা আৰু কানাডা আৰু আমেৰিকাৰ স্ব-নিৰ্ধাৰিত সীমাই কোনো বিবাদৰ সূত্ৰপাত নকৰাটোও উল্লেখযোগ্য ।

মূলতঃ ৰাষ্ট্ৰৰ শক্তিৰ মূল আধাৰ ভৌগোলিক পৰিবেশ, জনসংখ্যা, প্ৰাকৃতিক সম্পদ, সামৰিক ক্ষমতা, শিল্প আৰু প্ৰশাসনিক দক্ষতা, কূটনৈতিক বিচক্ষণতা আৰু লগতে নৈতিক আৰু প্ৰযুক্তিবিদ্যা সকলো ওতঃপ্ৰোতঃ ভাৱে জড়িত । শাসকৰ জাতীয় চৰিত্ৰই বিশ্বৰ ৰাজনীতিত দেশৰ স্থান নিৰূপণ কৰাত ইন্ধন যোগায় । বৈজ্ঞানিক দক্ষতা আৰু প্ৰায়োগিক সদব্যৱহাৰে বিশ্বত দেশৰ স্থান নিৰ্ণায়কৰ ভূমিকা ল'ব পাৰে ।


*With Best Compliments From :*



**PUJA STEEL WORKS**

NEAR ASSAM GAS COMPANY MAIN GATE

P. O. Duliajan - 786602

Dibrugarh

# আহোম যুগৰ নাৰী

–ভূপেন শইকীয়া
জেষ্ঠ প্ৰবক্তা, বুৰঞ্জী বিভাগ

অসম বুৰঞ্জীত আহোমৰ ছশ বছৰীয়া শাসন কাল বিশেষভাৱে উল্লেখযোগ্য। একেটা ৰাজবংশই নিৰৱচ্ছিন্নভাৱে ছশ বছৰ ৰাজত্ব কৰা ইতিহাসত বিৰল। আহোম যুগৰ এই গুৰুত্বপূৰ্ণ সাফল্যৰ বাবে স্বৰ্গদেউসকলৰ স্বদেশ প্ৰেম, স্বাধীনতা স্পৃহা, সুদক্ষ প্ৰশাসন, গভীৰ কূটনৈতিক তথা ৰাজনৈতিক পৰিপক্কতাৰ কথাই মনলৈ আহে । কিন্তু তাতোতকৈ অলপ দকৈ গমি চালে দেখা পোৱা যায় স্বৰ্গদেউসকলৰ এই যুগমীয়া ঐতিহ্যৰ আঁৰত আছিল বহুতো নামী অনামী নাৰীৰ গভীৰ স্বদেশপ্ৰেম, ত্যাগৰ কাহিনী । অতি দুখৰ কথা যে সেই সময়ৰ বুৰঞ্জী লেখকসকলে নাৰী সকলক বুৰঞ্জীত যেনেদৰে স্থান দিব লাগিছিল তেনেদৰে দিয়া নাই । যাৰ ফলস্বৰূপে বহুতো, উল্লেখনীয় নাৰী চৰিত্ৰ লোক চক্ষুৰ আঁৰত থাকি যাব লগা হ'ল ।

আহোম যুগত কি নাই ; সকলো আছে । স্বামীৰ বাবে চাউদাঙৰ অত্যাচাৰ নীৰৱে সহ্য কৰি নিজক তিল তিলকৈ মৃত্যুৰ মুখলৈ থেলি দিব পৰা মহাসতী জয়মতী আছে। মূলাগাভৰুৰ নিচিনা বীৰাঙ্গনা আছে । স্বামী হন্তা বিদেশী আক্ৰমণকাৰী তুৰ্বকৰ ওপৰত প্ৰতিশোধ ল'বলৈ গৈ প্ৰাণ বিসৰ্জন দিব পৰা মূলাগাভৰুৰ দৰে বীৰাঙ্গনা নাৰীৰ কাহিনী যাউতিযুগীয়া হৈ আছে । কমতা, কছাৰী, আহোম সাম্ৰাজ্যত ধুমুহাৰ দৃষ্টি কৰিব পৰা গড়মা কুঁৱৰী আছে । শিক্ষা সংস্কৃতিৰ প্ৰতি আগ্ৰহী ফুলেশ্বৰী, অম্বিকা, সৰ্বেশ্বৰী কুঁৱৰী ইতিহাসৰ পাতত জিলিকি আছে । নাংবকলৌ গাভৰু দৰে স্বাধীনতা প্ৰিয় সাহসী নাৰী আহোম যুগত বিদ্যমান। তাৰোপৰি পিজৌ গাভৰু, বদন বৰফুকনৰ পেহীয়েক ৰঙিলী, কুৰঙ্গনয়নী, স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ মাতৃ ৰাজমাও আহোম যুগৰ উল্লেখনীয় নাৰী চৰিত্ৰ । এইসকলৰ উপৰিও বহুতো অনামিকা নাৰীয়ে স্বদেশ স্বজাতিৰ বাবে ত্যাগ স্বীকাৰ কৰি গ'ল তাৰ কি সংখ্যা নিৰূপণ কৰিব পৰা যাব ! এই সকল নাৰীৰ পৰা স্বৰ্গদেউ সকলে প্ৰশাসন, যুদ্ধ আদিত অসীম প্ৰেৰণা পাইছিল।

"সৃষ্টি মূলত যেনেকৈ নাৰী, ধ্বংসৰ মূলতো নাৰী" বচনটি আহোম যুগত অতি খাপখোৱা । আহোম সাম্ৰাজ্যৰ সৃষ্টি মূলতে নাৰী বুলি ক'ব পাৰি। কেৱল আহোম সাম্ৰাজ্য বুলি কলে ভুল হ'ব । অসমীয়া জাতি গঠনৰ প্ৰাক্ মুহূৰ্ত্তত এগৰাকী নাৰীৰ কথা মনলৈ আহে যি গৰাকী নাৰীৰ পৰামৰ্শ মতে চাওলুং চুকাফাই অসম ভূমিৰ সাত ৰাজ মাৰি একৰাজ কৰি আহোম সাম্ৰাজ্য গঢ়াই নহয় এক অসমীয়া জাতি গঠন কৰি থৈ গ'ল, সেইগৰাকী হ'ল অসমীয়া জাতিৰ পিতৃ স্বৰূপ চুকাফাৰ আইতাক । আইতাকে চুকাফাক কৈছিল–

"একে চোঙত দুটা বাঘ নাথাকে, একে শালত দুটা ঘোং নাথাকে । একে শালত দুটা হাতী নাথাকে, একে পাটত দুজন ৰজা নাথাকে ।" আইতাকৰ উপদেশ শিৰোধাৰ্য্য কৰি দূৰদৃষ্টি সম্পন্ন বীৰ পুৰুষ চুকাফাই অন্তৰত দুৰ্জয় বাসনা লৈ সূৰ্য্যক সাক্ষী কৰি দিগ্বিজয়ৰ



পাতনি মেলিলে । লগত আনিলে আইতাকৰ পৰামৰ্শমতে চোমদেও আৰু দুখনি হেংদাং । যাৰ শক্তিত বলীয়ান হৈ ভাৰতৰ পূৰ্ব্ব দেশত এনে এখন সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল সি ইতিহাসত বিৰল । সেয়েহে এই ক্ষেত্ৰত চুকাফাৰ আইতাকৰ প্ৰেৰণা কথা কবই লাগিব ।

স্বৰ্গদেউ চুকাফা এজন দিগ্বিজয়ী বীৰেই নাছিল। তেওঁ এজন চতুৰ কূটনীতিবিদ তথা ৰাজনীতিবিদ । তেওঁ এটা কথা ভালদৰে উপলব্ধি কৰিছিল তৰোৱালৰ বিজয় অতি ক্ষণস্থায়ী কিন্তু হৃদয়ৰ বিজয় দীৰ্ঘস্থায়ী। সেয়েহে সেই সময়ৰ অসমৰ বিভিন্ন জাতি জনজাতি সমূহৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰি সম্প্ৰীতিৰ এনাজৰীডাল কটকটীয়া কৰিছিল । শান্তি-সম্প্ৰীতিৰ জৰিয়তে অসমত বহু ৰাজ্যৰ ঠাইত এখন ৰাজ্য প্ৰতিষ্ঠা কৰা লক্ষ্য আগত ৰাখি চুকাফাই অতি সাৱধানতাৰে কৰ্ম্ম ক্ষেত্ৰত আগবাঢ়িছিল । থলুৱা মানুহৰ হৃদয়ত তেওঁ সোমাই পৰিছিল । চুকাফাই মৰাণ-বৰাহী ৰজাৰ ওচৰলৈ কটকী পঠিয়াই তেওঁলোকক থলুৱা ৰাইজৰ পৰিচয় কৰি দিবলৈ গৈছিল এনেদৰে–

"আমি উজনি ৰাজ্যৰ পৰা আহিছো । সিবোৰ হৈছে স্থানগিৰি । আমি আলহী । আমাক গাওঁ-ভূঁইৰ লগত পৰিচয় কৰাই দিব লাগে ।"

চুকাফাৰ এনে উদাৰ মনোভাৱত মৰাণ, বৰাহী সকল সন্তুষ্ট হৈ তেওঁক উপহাৰ আদি আগবঢ়াই আত্মীয় হৈ পৰিছিল । চুকাফাৰ আচৰণত ইমান 'আত্ম সন্তুষ্টি লাভ কৰিলে যে– তেওঁলোকে কবলৈ ধৰিলে– উজনি ৰাজ্যৰ পৰা অহা ৰজা প্ৰজা সকলে আমাক চলেৰে বনুৱা কৰি লোৱা সত্বেও আমাৰ মনত বেয়া লগা নাই । বৰঞ্চ এইদৰে খাটি লুটি অহা-যোৱাকৈ থাকিবৰহে মন যায় । এওঁলোক দেও মানুহ। এওঁলোকৰ সম কোনো নাই ।" ইমানেই নহয় বৰাহী ৰজা বদৌছাৰ জীয়াৰী খাম-জী-হিঙুলী আৰু মৰাণৰ ৪ গৰাকী কুঁৱৰীক বিয়া কৰাই মিত্ৰতা স্থাপন কৰিছিল। খাম-জী-হিঙুলীৰ পৰিয়ালৰ কথামতে চুকাফাই চৰাইদেউত ৰাজধানী পতাৰ কথা জনা যায় ।

চতুৰ্দশ শতিকাৰ শেষভাগত, চুতুফাৰ মৃত্যুৰ পিছত মন্ত্ৰী সকলে কোনো ৰাজকোঁৱৰক ৰাজপাটৰ বাবে উপযুক্ত বুলি বিবেচনা নকৰাত মন্ত্ৰী সকলে ৪ বছৰ ৰাজপট চলোৱাত দেশত বিশৃঙ্খলতাই দেখা দিলে । শেষত চুখাংফা স্বৰ্গদেউৰ ভাতৃ ত্যাওখামথিক ১৩৮০ খৃঃত ৰাজপাটৰ দায়িত্ব অৰ্পণ কৰিলে । সেইসময়ত আহোম-চুতীয়া ৰণ হৈ আছিল । ত্যাওখামথি সিংহাসনত বহিয়েই, ৰাজ্যৰ দায়িত্ব বৰকুঁৱৰীৰ হাতত অৰ্পণ কৰিলে । সেইসময়ত আহোম-চুতীয়া ৰণ হৈ আছিল । ত্যাওখামথি সিংহাসনত বহিয়েই, ৰাজ্যৰ দায়িত্ব বৰকুঁৱৰীৰ হাতত অৰ্পণ কৰি ভাতৃহন্তা চুতীয়া ৰজাৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিলে । ৰজাৰ দুগৰাকী ভাৰ্য্যা । বৰকুঁৱৰী ৰূপৱতী কিন্তু স্বভাৱত অতি উগ্ৰ। বৰ কুঁৱৰী সন্তানহীনা আছিল । অন্যহাতে সৰু কুঁৱৰী গৰ্ভৱতী আছিল । সন্তানহীনা বৰকুঁৱৰীৰ স্বভাৱজাত হিংসাই সৰুকুঁৱৰীৰ ওপৰত প্ৰতিশোধ লোৱাৰ সুযোগ যেন আহি পৰিল । বৰকুঁৱৰীয়ে সৰুকুঁৱৰীৰ চৰিত্ৰত খুঁট উলিয়াই প্ৰাণদণ্ডৰ আদেশ দিলে । চাউদাঙে সৰু কুঁৱৰীক গৰ্ভৱতী অৱস্থা দেখি হত্যা নকৰি ভুঁৰত উটুৱাই দিলে । কুকুৰ এটা কাটি তাৰ তেজেৰে হেঙদাং ৰাঙলি কৰি বৰকুঁৱৰীক দেখুৱাই সন্তুষ্ট কৰিলে । হাবুঙৰ এজন ব্ৰাহ্মণে সৰুকুঁৱৰীক আশ্ৰয় দিলে । ব্ৰাহ্মণৰ ঘৰতেই এটি সন্তান জন্ম দি সৰুকুঁৱৰীৰ মৃত্যু হ'ল । ৰজা আৰু বৰকুঁৱৰীৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি প্ৰজাই দুয়োকে খুচি খুচি মাৰিলে। ৰাজপাট শূন্য হোৱাত প্ৰজাই বিচাৰি বিচাৰি ব্ৰাহ্মণৰ ঘৰৰ পৰা সৰুকুঁৱৰীৰ সন্তানটিক আনি সিংহাখনত বহুৱালেহি । এৱেঁই হ'ল চুদাংফা বা বামুণী কোঁৱৰ । বামুণৰ ঘৰত জন্ম লাভ কৰাৰ বাবে বামুণী কোঁৱৰ বোলা হয় । লগে লগে আহোম প্ৰশাসনত হিন্দু ধৰ্মৰ

প্ৰভাৱ পৰিলক্ষিত হোৱা দেখিবলৈ পোৱা যায় ।

আহোম যুগৰ অন্য এগৰাকী নাৰী হ'ল— গড়মাকুঁৱৰী । গৌড় দেশৰ পৰা অহাৰ বাবে তেওঁৰ নাম গড়মা কুঁৱৰী । এওঁৰ প্ৰকৃত নাম আছিল সুশুদ্ধি। গৌড় ৰজাই কমতাৰ ৰজালৈ সুশুদ্ধি কুঁৱৰীক উপহাৰ দি মিত্ৰতা স্থাপন কৰিছিল । সুশুদ্ধিৰ লাস্যময়ী তন্বী তথা তেজোদ্দীপ্ত গাৰ বৰণত মুগ্ধ হৈ ৰাজকাৰেঙৰ পুৰোহিতৰ পুতেক প্ৰেমত পৰিল । ৰজাই সুশুদ্ধিত ৰাজকাৰেঙৰ পৰা বাহিৰ কৰি দিয়াত গৌড়েশ্বৰে যুদ্ধৰ হুমকি দিয়াত কমতেশ্বৰে যুদ্ধ নকৰি আহোমৰ শৰণাপন্ন হ'ল । ইফালে সুশুদ্ধি কছাৰী ৰজালৈ পলাই গ'ল । আহোম ৰজাই কছাৰী ৰাজ্য আক্ৰমণ কৰিলে। ৰাজমাওঁৰ পৰামৰ্শমতে থেহ পাতি থকা ফ্ৰাচেংমুং বৰ গোহাঁইয়ে কছাৰী যুদ্ধলৈ সেনাপতি হিচাবে যাবলৈ মন বান্ধিলে । যুদ্ধত কছাৰী ৰজা ডেটচুঙক ঘটুৱাই সুশুদ্ধিক উদ্ধাৰ কৰিলে । সুশুদ্ধি এইবাৰ চুহুংমুঙৰ শয্যাশায়িনী হ'ল । এদিন ধনশিৰি নদীৰ পাৰত সুশুদ্ধিৰ প্ৰেমত মত্ত হৈ থাকোতে কণচেঙ বৰপাত্ৰ গোহাঁইয়ে শিবিৰত জুই লগাই স্বৰ্গদেউক উদ্ধাৰ কৰিলে। সুশুদ্ধিয়ে লগ এৰা নাছিল । সুশুদ্ধিৰ প্ৰেমে এইবাৰ বলিয়া কৰিলে ডেকা ৰজাক । সুশুদ্ধিৰ দৰে এগৰাকী বিচিত্ৰ চৰিত্ৰৰ নাৰী অসম বুৰঞ্জীত দেখা পোৱা যায়।

মূলাগাভৰু আহোম ৰাজত্ব কালত এগৰাকী বীৰাঙ্গনা নাৰী হিচাপে খ্যাতি যুগে যুগে থাকিব। সেইসময়ত তুৰ্ব্বকে অসম আক্ৰমণ কৰি আহোম সাম্ৰাজ্যত প্ৰৱেশ কৰিছিল । মূলাগাভৰুৰ স্বামী ফ্ৰাচেংমুঙ বৰগোহাঁই দেৱে যুদ্ধ ক্ষেত্ৰলৈ যোৱা নোযোৱা কোনো সিদ্ধান্ত নোহোৱাত মূলাগাভৰুৱে যুদ্ধৰ কবচ কাপোৰ সময়মতে স্বামীক দিব নোৱাৰিলে ইফালে-ৰাজমাৱে ফ্ৰাচেংমুঙক বুজালে—

ৰাজ্য নহ'লে ৰজা কোন ? ডা-ডাঙৰীয়ানো ক'ত ৰয় ? ৰাজ্য এখন শত্ৰুৰ হাতত পৰিছে । ৰজাৰ কথাত লাগিলে কাৰ হানি ? জীৱনৰ বা থানথিত ক'ত ? ৰাজমাওৰ এই বচনকেই শিৰোগত কৰি ফ্ৰাচেংমুঙ যুদ্ধলৈ গৈ দেশৰ হকে, জাতিৰ হকে প্ৰাণাহুতি দিলে । স্বামীৰ মৃত্যুৰ বাতৰি পাই তেওঁ প্ৰথমে হতাশাত ভাগি পৰিছিল । তেওঁ শোকক সাহসত পৰিণত কৰি এক বিশাল নাৰী বাহিনী গঠন কৰি প্ৰতিজ্ঞা কৰিলে পতিঘাটি দেশবৈৰী তুৰ্ব্বকক মাৰি, নিজহাতে দিম বলি নতুবা দ্বিজ হৈ প্ৰাণ দিম সমৰত বিপক্ষৰ হাতত। স্বামী হন্তাৰ পোতক তুলিবৰ বাবে মূলাগাভৰুৱে হাতত হেংডাং লৈ যুদ্ধ ক্ষেত্ৰলৈ ঢাপলি মেলিলে । ৰণচণ্ডী মূলাৰ হাতত বহুত মোগল সেনাৰ প্ৰাণবায়ু উৰি গ'ল। শেষত নাৰীৰ সীমিত শক্তি পৰাজয় ঘটিল । তুৰ্ব্বকৰ হাতত মূলা গাভৰুৱে দেশৰ হকে চৰম ত্যাগ স্বীকাৰ কৰি উত্তৰ পুৰুষৰ বাবে প্ৰেৰণাৰ উৎস হৈ ৰ'ল।

চুতীয়াৰাণী সতী সাধনী আহোম যুগৰে এগৰাকী মহীয়সী নাৰী । ১৫২৩ খৃঃত ডিক্ৰু নৈৰ কাষৰ যুদ্ধত চুতীয়া ৰজা নীতিপাল পৰাজয় হোৱাত নীতিপালে আহোমৰাজ চুহুংমুঙলৈ কটকী পঠিয়াই সন্ধিৰ প্ৰস্তাৱ আগবঢ়োৱাত আহোম স্বৰ্গদেউ চুহুংমুং দিহিঙীয়া ৰজাই চুতীয়াৰ কুবেৰদত্ত সম্পত্তি নাপালে মিত্ৰতা নহয় বুলি কোৱাত পুনৰ যুদ্ধ হ'ল । যুদ্ধত নীতিপালৰ মৃত্যু হ'ল। ৰাণী সতী সাধনীয়ে বুকুত কুবেৰ দত্ত আপত্তি বান্ধি নৈত জপিয়াই আত্মবলিদান দিলে । এই গৰাকী মহীয়সী নাৰীক ভাৰত বুৰঞ্জীৰ পদ্মিনীৰ লগত তুলনা কৰিব পাৰি ।

আহোম যুগৰ মহামতী জয়মতী মাদুৰীয়াল বৰ গোহাঁই ফৈদৰ লাইথেপেনা বৰগোহাঁইৰ কুঁৱৰীৰ নাম নক্ষত্ৰৰ দৰে সদায় জিলিকি আছে । জয়মতীৰ অন্যান্য বাই-ভনী সকল বিজয়মতী, জয়েশ্বৰী, জয়প্ৰভা, জয়কান্তি, জনাপ্ৰভা, জয়দা, ৰত্নপ্ৰভা, অঞ্জনা, জয়তৰা, চেংমতী, হীৰামতী আৰু গুৰুমতী। চুলিকফা ল'ৰা ৰজাৰ ৰাজমন্ত্ৰী লালুকসোলা বৰফুকনে ভৱিষ্যতে নিজে



ৰজা হ'বৰ বাবে চিন্তা কৰি ৰজা হোৱাৰ যোগ্য কোঁৱৰ সকলক ল'ৰাৰজাৰ নামত আদেশ জাৰি কৰি অঙ্গক্ষত কৰিবলৈ ধৰিলে । তুঙ্খুঙীয়া ফৈদৰ গদাপাণি কোঁৱৰক বিচাৰি নাপাই পত্নী জয়মতীক ধৰাই আনি জেৰেঙা পথাৰত তিল তিলকৈ শাস্তি দিয়াই মৰালে । জয়মতীৰ শাস্তিৰ বিষয়ে ভিন্ন লোকগীতও পোৱা যায় —

ছ অঁৰা ককাই ভাই আহঙত খাইছিলো
ৰাজমন্ত্ৰীৰ আছিলো জী
ছ অঁৰা চাঙদাঙে নানা শাস্তি কৰে
মাৰিব যাতনা দি ।

এগৰাকী ৰাজবোৱাৰীক মুকলি পথাৰত চাউদাঙৰ হতুৱাই শাস্তি দি মাৰি ইতিহাসত নোহোৱা কাম কৰিলে । প্ৰজাগণে চকুলো টুকিলে । দ্ৰোপদীক ৰাজসভাত কৌৰৱে অপমান কৰাৰ বাবে কৌৰৱকুল ধ্বংস হোৱাৰ দৰে জয়মতীৰ দৰে অসহায় নিৰপৰাধী নাৰীক পথাৰৰ মাজত যমৰ যাতনা দি মাৰি নাৰী জাতিক অপমান কৰাৰ দৰেই আহোম ৰাজত্ব ধ্বংস হ'ল বুলি ক'ব পাৰি ।

স্বৰ্গদেউ লক্ষ্মীসিংহ স্বৰ্গদেউৰ দিনত কুৰঙ্গনয়নীয়ে যি দেশ প্ৰেমৰ পৰিচয় দিলে সেইয়া সদায় বুৰঞ্জীৰ পাতত জিলিকি থাকিব । ৰাঘৰক বধ কৰি বন্দী স্বৰ্গদেউ লক্ষ্মীসিংহক উদ্ধাৰ কৰি কুৰঙ্গনয়নীয়ে যি অসাধ্য সাধন কৰি বুৰঞ্জীত তেওঁৰ নাম যুগমীয়া কৰি গৈছে ।

চন্দ্ৰকান্ত সিংহ স্বৰ্গদেউৰ ৰাজত্ব কালত আন তিনিগৰাকী ৰাণীৰ বিশিষ্ট ভূমিকাৰ কথা উল্লেখ কৰিব পাৰি । তেওঁলোক হ'ল মহামন্ত্ৰী পূৰ্ণানন্দৰ বুঢ়া গোহাঁইদেৱৰ বোৱাৰী পিজৌ, বদন বৰফুকনৰ পেহীয়েক ব্ৰহ্মৰাজ বদৌপায়াৰ মৰমৰ ৰাণী ৰঙিলী আৰু চন্দ্ৰকান্ত সিংহৰ মাতৃ ৰাজমাও। উল্লেখিত তিনিওগৰাকী নাৰীৰ ৰাজনৈতিক ভূমিকাই দেশৰ পৰিস্থিতি সলনি কৰি পেলাইছিল । বাহুল্যতাৰ বাবে ব্যাখ্যা কৰাৰ পৰা বিৰত থাকিলো।

আহোমৰ ছশ বছৰীয়া ৰাজত্ব কালত পুৰুষ সকলৰ দৰে নাৰী সকলেও সকলো দিশতে সমানেই ভূমিকা গ্ৰহণ কৰি আহিছিল । সাংসাৰিক কাম-কাজৰ উপৰিও প্ৰয়োজন সাপেক্ষে দেশমাতৃক উদ্ধাৰ কৰিবলৈ, দেশ শাসন কৰিবলৈ নাৰী সকল ওলাই আহিছিল । ত্যাগ, দেশপ্ৰেম, কলা সংস্কৃতিৰ প্ৰতি অনুৰাগ সেই যুগৰ নাৰীসকলৰ মনস্তত্ত্বত বিদ্যমান । মহাসতী জয়মতী, কুৰঙ্গনয়নী, মূলাগাভৰু, ফুলেশ্বৰী আদি তাৰেই জ্বলন্ত প্ৰতিচ্ছবি । আহোম যুগৰ নাৰীক শিক্ষা দানৰ ক্ষেত্ৰত কোনো ধৰণৰ কাৰ্পণ্য কৰা নাছিল। নাৰীক চোৱাংচোৱা পদতো নিযুক্তি দিয়া হৈছিল । বোৱা কটা কামতো তেওঁলোক পাৰ্গত আছিল । একে ৰাতিৰ ভিতৰতে যুদ্ধৰ কবচ কাপোৰ স্বামীক বৈ দিছিল। মুঠতে আহোম যুগত নাৰী সকলৰ স্থান উচ্চ আছিল।

# তৈল নগৰী দুলীয়াজান ঃ এটি চমু পৰিচয়

–ববিতা বৰুৱা
স্নাতক তৃতীয় বৰ্ষ (কলা)

**আৰম্ভণি ঃ** ভাৰতবৰ্ষৰ যি কেইখন ৰাজ্যক প্ৰাকৃতিক সম্পদৰ দৃষ্টিত গুৰুত্বপূৰ্ণ বুলি জনা যায় তাৰ ভিতৰত অসমৰ নাম বিশেষভাৱে উল্লেখযোগ্য । অসমৰ দুলীয়াজান নামৰ ঠাইখন শুনাত এক সৰু অঞ্চল যেন লাগে যদিও ইয়াত থকা একমাত্ৰ অইল ইণ্ডিয়া কোম্পানীয়ে এই সৰু অঞ্চলক পৃথিৱী বিখ্যাত কৰি তুলিছে । দুলীয়াজান অঞ্চলটোৰ বাবে অইল ইণ্ডিয়া কোম্পানীৰ ভূমিকা লেখত ল'বলগীয়া । এই কোম্পানীৰ বিষয়ে কিছু চমু বিৱৰণ তলত দিয়া হ'ল-

উত্তৰ পূৰ্ব ভাৰতত খাৰুৱা তেল আৰু প্ৰাকৃতিক উদ্‌ঘাটন, উৎপাদন আৰু পাইপলাইনেৰে সেইবিলাক সৰহবৰাহৰ কাম অইল ইণ্ডিয়া লিমিটেডে কৰি আছে। ১৯৫১ চনত ভাৰত চৰকাৰ আৰু বাৰ্মা অইল কোম্পানীৰ যুটীয়া উদ্যোগত অইল ইণ্ডিয়া গঠিত হয়। ১৯৪১ চনৰ ১৪ অক্টোবৰত অইল ইণ্ডিয়া লিমিটেড চৰকাৰৰ ৰাষ্ট্ৰীয়কৃত উদ্যোগ প্ৰতিষ্ঠান হিচাপে পৰিগণিত হয় । ইয়াৰ মুখ্য কাৰ্যালয় আছে অসমৰ দুলীয়াজানত। ১৯৮২ চনৰ পৰা অইল ইণ্ডিয়া লিমিটেডে ৰন্ধন গেছৰো উৎপাদন আৰম্ভ কৰে । অৰুণাচলৰ পৰা আৰম্ভ কৰি অসম, পশ্চিমবঙ্গ, বিহাৰ আৰু ১৯৭৯ চনৰ পৰা উৰিষ্যা, ৰাজস্থান আৰু আন্দামান নিকোবৰ দ্বীপ পুঞ্জতো অইল ইণ্ডিয়াই কাম-কাজ চলাই আছে । ইয়াৰ প্ৰধান কৰপোৰেট অফিচ নতুন দিল্লীত । অইল ইণ্ডিয়াৰ দ্বাৰা খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ উৎপাদন কাৰ্য্য অসমৰ ডিব্ৰুগড় আৰু শিৱসাগৰ জিলা আৰু অৰুণাচলৰ টিৰাপ জিলাতে সীমাবদ্ধ। উত্তৰ-পূৰ্বাঞ্চলত ইয়াৰ অৱস্থানৰ ফলত সমগ্ৰ দুলীয়াজান বিশেষকৈ আমাৰ অসম ৰাজ্য ইয়াৰ দ্বাৰা যথেষ্ট উপকৃত হৈছে । অইল ইণ্ডিয়াই অসমৰ বিত্তীয় ভাণ্ডাৰক বছৰি প্ৰায় ৬৫ কোটি টকাৰ অনুদান ৰয়েল্টি, বিক্ৰী কৰ, অনুমতি ফিজ আৰু স্থানীয় কৰৰ যোগেদি আগবঢ়ায় । আৰ্থসামাজিক উন্নয়ন, বিনিয়োগৰ সা-সুবিধা আৰু কোম্পানীয়ে চলাই অহা প্ৰত্যক্ষ, শৈক্ষিক আৰু সামাজিক কল্যাণ কাৰ্যসূচীৰ মাধ্যমেৰে দুলীয়াজান আৰু ইয়াত বাস কৰা বাসিন্দা সকল যথেষ্ট উপকৃত হৈছে ।

**অইল হস্পিতালৰ ভূমিকা ঃ** যি সময়ত হাবি জংঘলৰ বুকু খান্দি পনীয়া সোণৰ সন্ধানত দুলীয়াজানত অইল ইণ্ডিয়া কোম্পানীৰ জন্ম হৈছিল, ঠিক সেই সময়তেই অইলৰ সমূহ কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ স্বাস্থ্য ৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি অইল ইণ্ডিয়া চিকিৎসালয় স্থাপিত হৈছিল । ১৯৬৩ চনত এটা চি টাইপ ঘৰত অস্থায়ীভাৱে এই চিকিৎসালয়ৰ জন্ম হৈছিল । সেই সময়ত কৰ্মচাৰীৰ সংখ্যা আছিল তেনেই তাকৰ । চিকিৎসা সেৱাও আছিল সীমিত। লাহে লাহে অইল ইণ্ডিয়া কোম্পানীৰ কলেৱৰ বাঢ়িব ধৰিলে আৰু তাৰ লগত সামঞ্জস্য ৰাখি চিকিৎসালয়ৰ পৰিসৰো বৃদ্ধি কৰিব লগা হ'ল । সেয়ে চি টাইপ ঘৰৰ সীমাবদ্ধতাৰ পৰা ওলাই আহি অইল চিকিৎসালয়ৰ নিজা ভৱন সম্পূৰ্ণ নিৰ্মাণ হয় ১৯৬৭ চনত । এই চিকিৎসালয়ৰ উদ্বোধন কৰে বাৰ্মা অইল কোম্পানীৰ চি, এম, ডি মিঃ আৰ পি স্মিথে ১৯৬৭ চনৰ জানুৱাৰী মাহৰ ৩১ তাৰিখে । মেডিচিন, পেথোলজি পসূতি, শল্য চিকিৎসা, শিশু চিকিৎসা আদি অত্যাৱশ্যকীয় গোটৰ সমাৱেশত ইয়াত চিকিৎসা কৰা হয়। বিৱৰ্তনৰ এই সময়ছোৱাত বিভিন্ন সময়ত বিভিন্ন সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি নতুন নতুন বিভাগ সংযোজন কৰা হৈছে । ১৯৮৬ চনত চকুৰোগ বিশেষজ্ঞ আৰু ১৯৮৭ চনত ৰেডিঅ'লষ্টিজে হস্পিতালত যোগ দিয়ে । আনেহাতে দুলীয়াজানৰ ক্ৰমবৰ্ধমান জনসংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি নতুন এটা বৰ্হি বিভাগ মুকলি কৰা হয় । এই চিকিৎসালয়ত অপাৰেচনৰ বাবে লগা সা-সৰঞ্জামকে আদি কৰি নতুন এটা অপাৰেচন থিয়েটাৰ কমপ্লেক্স নিৰ্মাণ কৰি মুকলি কৰা হয় ১৯৮৯ চনৰ ৫ জুনত । ঠিক তেনেদৰে আলট্ৰাচন'গ্ৰাফি মেচিন, চি টি স্কেন মেচিন আৰু মেম' গ্ৰাফি মেচিন ৰেডিঅ'লজি বিভাগত স্থাপিত হয় ক্ৰমে ১৯৮৭, ১৯৯৩ আৰু ২০০১ চনত। দুলীয়াজানত অৱস্থিত এই হস্পিতালৰ কাম নিয়াৰিকৈ চলাবৰ বাবে বৰ্তমান কম্পিউটাৰৰ ব্যৱহাৰ কৰা হৈছে । ইতিমধ্যে কম্পিউটাৰ প্ৰশিক্ষণৰ ওপৰিও বিভিন্ন কৰ্মী, নাৰ্চ তথা চিকিৎসক সকলৰ বাবে সঘনাই ট্ৰেইনিঙৰ ব্যৱস্থা কৰা হৈছে। অইল ইণ্ডিয়া কোম্পানীৰ নীতি অনুসৰি তেলখাদ থকা অঞ্চলৰ বাইজৰ চিকিৎসাৰ বাবে অইল হস্পিতালে ভ্ৰাম্যমান চিকিৎসা আৰম্ভ কৰে। এইদৰে অইল হস্পিতালে অইল ইণ্ডিয়া কোম্পানীৰ সহযোগত বিভিন্ন প্ৰকাৰে দুলীয়াজানবাসীৰ প্ৰতি সেৱা আগবঢ়াই আছে ।

দুলীয়াজানত থকা অইল ইণ্ডিয়া কোম্পানী আৰু অইল হস্পিতালৰ উপৰিও ইয়াত থকা ক্লাৱ সমূহেও ইয়াৰ বাসিন্দা সকলৰ প্ৰতি যথেষ্ট সেৱা আগবঢ়াইছে । এই ক্লাৱসমূহৰ ভিতৰত বিশেষভাৱে উল্লেখ কৰিব পাৰি Ladies Club ৰ কাৰ্য্য সমূহ । এই ক্লাৱে দুলীয়াজানত অৱস্থিত 'মৃণালজ্যোতি' নামৰ মানসিকভাৱে অসুস্থ আৰু বিকলাংগ ছাত্ৰ-ছাত্ৰী থকা স্কুলখনৰ বাবে যথেষ্ট অনুদান আগবঢ়াইছে । ইয়াৰ উপৰিও Ladies Club এ মৰাণত থকা 'জনমঙ্গল অন্ধ বিদ্যালয়'ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে খাদ্য, কিতাপ, আদিৰ যোগান ধৰে । লায়ন্স ক্লাৱেও অইল ইণ্ডিয়া কোম্পানীৰ সহযোগত প্ৰতি বছৰে বিনামূলীয়া চকু চিকিৎসা ২০০০ চনৰ পৰা আয়োজন কৰি আহিছে। ইয়াৰ উপৰিও দুলীয়াজান ক্লাৱত প্ৰতিবছৰে অনুষ্ঠিত হয় সাংস্কৃতিক প্ৰতিযোগিতা । এই প্ৰতিযোগিতা সমূহ হ'ল— বৰগীত, লোকগীত, গজল, ভজন, ৰবীন্দ্ৰ সংগীত, সমবেত সঙ্গীত আদি । এইবিলাকৰ বাহিৰেও এই ক্লাৱত আয়োজন কৰা হয় গ্ৰন্থমেলা । দুলীয়াজান ক্লাৱৰ বৰ্তমান পৰিচালনা সমিতিৰ উদ্যোগত এতিয়ালৈকে দুখনি গ্ৰন্থমেলা অনুষ্ঠিত হৈছে । দুলীয়াজানত অৱস্থিত এই ক্লাৱ সমূহৰ কাৰ্যসমূহ শলাগিব লগীয়া আৰু দুলীয়াজানৰ ৰাইজে তেওঁলোকৰ পৰা সদায় এনে মনোগ্ৰাহী আমোদ-প্ৰমোদ তথা জ্ঞানবৰ্দ্ধক অনুষ্ঠান পাবলৈ বাঞ্ছা কৰে ।

দুলীয়াজানত অসংখ্য বিদ্যালয় আছে যদিও ইয়াত থকা ছাত্ৰ-ছাত্ৰীৰ বাবে আৰু এখন নতুনকৈ বিদ্যালয় স্থাপন কৰা হৈছে । বিদ্যালয়খনৰ নাম হ'ল – দিল্লী পাব্লিক স্কুল । অইল ইণ্ডিয়া লিমিটেডে দুলীয়াজান অঞ্চলৰ ক্ৰমবৰ্ধমান শিক্ষাৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি চলিত শিক্ষাবৰ্ষৰ পৰা পোন প্ৰথম বাৰৰ বাবে দুলীয়াজানত 'দিল্লী পাব্লিক স্কুল'ৰ এটি শাখা প্ৰতিষ্ঠা কৰিছে । অইল হায়াৰ চেকেণ্ডৰী স্কুল আৰু কেন্দ্ৰীয় বিদ্যালয়ৰ পিছত দুলীয়াজান অইল ইণ্ডিয়াৰ পৃষ্ঠপোষকতা লাভকৰা এইখন তৃতীয় স্কুল । দিল্লী পাব্লিক স্কুল পেশাদাৰী প্ৰশিক্ষণ প্ৰাপ্ত লোকৰ দ্বাৰা পৰিচালিত, জাতীয় স্বীকৃতিপ্ৰাপ্ত বিদ্যালয় । চেণ্ট্ৰেল বোৰ্ড অৱ চেকেণ্ডৰী এডুকেশ্বন পাঠ্যক্ৰমত শিক্ষা লোৱাৰ পিচত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে সৰ্ব-ভাৰতীয় পৰ্যায়ত দেশৰ যিকোনো ঠাইলৈকে উচ্চ শিক্ষা গ্ৰহণৰ বাবে যাব পাৰে । দুলীয়াজান অঞ্চলত এই স্কুল প্ৰতিষ্ঠা কৰাৰ মুখ্য উদ্দেশ্য হ'ল এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ

সৰ্বাত্মক উন্নয়ন সাধন কৰা যাতে পিচলৈ গৈ দেশৰ যোগ্য নাগৰিক হিচাপে তেওঁলোকে বিশ্বৰ বুকুত থিয় দিব পাৰে । নতুন সহস্ৰাব্দত এখন সুস্থ সবল দেশ গঢ়ি তুলিবলৈ আমাৰ যি স্বপ্ন আছে দিল্লী পাব্লিক স্কুলে তাত অৰিহণা যোগাব পাৰিব বুলি আশা কৰিব পাৰি ।

এই বিদ্যালয়ৰ উপৰিও এই অঞ্চলত শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবৰ বাবে বি টাইপৰ ওচৰত নতুনকৈ এটি পুথিভঁৰাল ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ বাবে মুকলি কৰা হয় ২০০৩ চনৰ ২২ অক্টোবৰত । এই পুথিভঁৰালৰ বাবে অইল ইণ্ডিয়া কোম্পানীয়ে ৫৫ লাখ টকাৰ অনুদান আগবঢ়াইছে । এই পুথিভঁৰালৰ বাবে সকলো ধৰণৰ সুবিধা প্ৰদান কৰা হৈছে । ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকল এই পুথিভঁৰালৰ দ্বাৰা যথেষ্ট উপকৃত হ'ব বুলি আমাৰ দৃঢ় বিশ্বাস।

বিভিন্ন বিদ্যালয় আৰু এটি ৰাজহুৱা পুথিভঁৰালৰ উপৰিও দুলীয়াজানত আছে দুখন মহাবিদ্যালয় । এখন হৈছে— ছোৱালী মহাবিদ্যালয় আৰু আনখন হৈছে— ছোৱালী আৰু ল'ৰা উভয় শিক্ষাৰ্থী থকা দুলীয়াজান মহাবিদ্যালয় । এই দুলীয়াজান মহাবিদ্যালয় স্থাপিত হয় ১৯৬৯ চনত । প্ৰায় ১০০ জন ছাত্ৰ-ছাত্ৰীৰ সৈতে এই মহাবিদ্যালয় আৰম্ভ কৰা মহাবিদ্যালয়খনি বৰ্তমান বিজ্ঞান, বাণিজ্য, কলা আৰু বহুতো শিক্ষাৰ শাখাৰ সৈতে ইয়াৰ পৰিসৰ যথেষ্ট বৃদ্ধি পাইছে।

ইয়াৰ উপৰিও এই অঞ্চলত আছে একাধিক বজাৰ, বেংক, এখন আৰক্ষী থানা আৰু এখন খেলপথাৰ । এই খেলপথাৰত প্ৰতিবছৰে ফুটবল টুৰ্ণামেণ্ট আয়োজন কৰা হয় ।

অৱশেষত অইল ইণ্ডিয়াৰ কাৰণে দুলীয়াজানখন যথেষ্ট সম্ভাৱনাপূৰ্ণ আৰু ই ৰাজহ সংগ্ৰহ বহু পৰিমাণে বঢ়াব পাৰিব । সকলো প্ৰাকৃতিক সম্পদত সীমাহীনভাৱে ঐশ্বৰ্যশালী হোৱাৰ পিচতো সকলো ক্ষেত্ৰত পিচ পৰি থকা দুলীয়াজান আৰু অসমীয়া জনসাধাৰণক অৰ্থনৈতিক স্বাৱলম্বিতা প্ৰদান কৰি শক্তিশালী কৰি তুলিবলৈ অইল ইণ্ডিয়াই যি সপোন দেখিছে তাক আমি সকলোৱে আদৰণি জনোৱা উচিত ।



# আহোম যুগত নিৰ্মিত স্থাপত্য ভাস্কৰ্য্যৰ অনুপম নিদৰ্শনকাৰী কেইটামান মন্দিৰ আৰু দেৱালয়

–পুষ্পাঞ্জলী গগৈ
স্নাতক ৩য় বৰ্ষ (কলা)

৬০০ বছৰীয়া আহোম ৰাজত্বকালত আহোম স্বৰ্গদেউসকলে বহুতো মঠ-মন্দিৰ, দৌল-দেৱালয়, কাৰেং আদি নিৰ্মাণ কৰিছিল । এই মঠ-মন্দিৰ আৰু দৌল-দেৱালয় সমূহে আহোমসকলৰ উৎকৃষ্ট আৰু দৃষ্টিনন্দন স্থাপত্য শিল্পৰ স্বাক্ষৰ বহন কৰি আহিছে । উজনি অসমৰ শিৱসাগৰৰ শিৱদৌল, বিষ্ণুদৌল, দেৱীদৌল, ৰংঘৰ, কাৰেংঘৰ, গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত কামাখ্যা মন্দিৰ, অশ্বক্ৰান্ত মন্দিৰ, দেৰগাঁৱৰ ওচৰৰ নেঘেৰিটিং দেৱালয়, গোৱালপাৰাৰ টুক্ৰেশ্বৰী দেৱালয়, গুৱাহাটীৰ মদন-কামদেৱৰ দেৱালয় আদি এই স্থাপত্য চিহ্নবোৰে আজিও পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে অসমৰ ইতিহাস অধ্যয়নতো সমল যোগাই আহিছে । আহোম ৰজাৰ দিনত নিৰ্মিত কেইটামান মন্দিৰ আৰু দেৱালয়ৰ চমু বৰ্ণনা তলত উল্লেখ কৰা হ'ল ।

**নৱগ্ৰহ মন্দিৰ ঃ** গুৱাহাটীৰ চিত্ৰাচল পাহাৰত থকা এক প্ৰাচীন মন্দিৰ । ইয়াত সূৰ্যকে ধৰি নটা গ্ৰহৰ শিলাচিহ্ন আছে, সেয়েহে ইয়াৰ নাম নৱগ্ৰহ মন্দিৰ । এই মন্দিৰ অতিকৈ প্ৰাচীন, ঐতিহ্য সম্পন্ন । এসময়ত প্ৰাচ্যৰ জ্যোতিষ চৰ্চাৰ প্ৰাণকেন্দ্ৰৰূপে প্ৰখ্যাত এই মন্দিৰতে বিখ্যাত জ্যোতিবিদ বৰাহ মিহিৰে জ্যোতিষ চৰ্চা কৰিছিল বুলি জনা যায় । নৱগ্ৰহ মন্দিৰ কোনে কেতিয়া প্ৰতিষ্ঠা কৰিছিল তাৰ সঠিক তথ্য পাবলৈ নাই । এই মন্দিৰৰ প্ৰাঙ্গণত থকা এখন শিলালিপি অনুসৰি ১৭৫২ চনত আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই মন্দিৰটো নকৈ নিৰ্মাণ কৰোৱাইছিল বুলি জনা যায় ।

**শুক্ৰেশ্বৰ মন্দিৰ ঃ** গুৱাহাটীৰ পাণবজাৰৰ ওচৰত ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত এটি প্ৰাচীন প্ৰসিদ্ধ মন্দিৰ । আহোম স্বৰ্গদেউ প্ৰমত্ত সিংহৰ দিনত (১৭৪৪-১৭৫১) নিৰ্মিত এই মন্দিৰৰ ভিতৰত এটি বৃহৎ শিৱলিঙ্গ আছে। জনশ্ৰুতি অনুসৰি দৈত্যগুৰু শুক্ৰাচাৰ্যই এই শিৱলিঙ্গ প্ৰতিষ্ঠা কৰিছিল বাবে ইয়াৰ নাম শুক্ৰেশ্বৰ হয় । দৈনিক পূজা-পাতলৰ উপৰি শিৱৰাত্ৰিৰ সময়ত ইয়াত অগণন ভক্তৰ সমাগম হয় ।

**হয়গ্ৰীৱ-মাধৱ মন্দিৰ ঃ** কামৰূপ জিলাৰ হাজোৰ 'মণিকূট' পাহাৰত অৱস্থিত প্ৰসিদ্ধ মন্দিৰ । কোঁচৰজা ৰঘুদেৱ নাৰায়ণে ১৫৮৩ খ্ৰীষ্টাব্দত এই মন্দিৰ স্থাপন কৰিছিল বুলি জনা যায় । অৱশ্যে কোনো কোনো বুৰঞ্জীবিদৰ মতে ষষ্ঠ শতিকাত পাল বংশৰ ৰজাইহে এই মন্দিৰ নিৰ্মাণ কৰিছিল । দীঘল শিলৰ খট্‌খটীৰে মন্দিৰলৈ যাব লাগে । মন্দিৰটোৰ বেৰত থকা প্ৰাচীন ভাস্কৰ্য্য দৃষ্টিনন্দন । মন্দিৰৰ ওচৰতে বিষ্ণুপুষ্কৰ বা মাধৱ পুখুৰী নামে এটি ডাঙৰ পুখুৰী আছে । দৈনিক পূজা-পাতলৰ উপৰি বিভিন্ন উৎসৱতো বহু তীৰ্থযাত্ৰী আৰু পৰ্য্যটক এই মন্দিৰ দৰ্শন কৰিবলৈ আহে।

**কামাখ্যা মন্দিৰ ঃ** গুৱাহাটী মহানগৰৰ পশ্চিমে নীলাচল পাহাৰত অৱস্থিত কামাখ্যা মন্দিৰ । ইয়াত শিৱই কান্ধত লৈ ফুৰা সতীৰ যোনি অংশ পৰিছিল কাৰণে ই যোনি পূজাৰ পবিত্ৰ তীৰ্থস্থান বুলি জনবিশ্বাস

প্ৰচলিত । এই মন্দিৰটো মহাৰাজ নৰনাৰায়ণে ১৫৬৫ খ্ৰীঃত পুনৰ্নিৰ্মাণ কৰে ।

**বশিষ্ঠাশ্ৰম ঃ** গুৱাহাটীৰ সন্ধ্যাচল পাহাৰত অৱস্থিত এখন তীৰ্থস্থান । কালিকা পুৰাণৰ মতে এবাৰ ব্ৰহ্মাৰ মানস পুত্ৰ বশিষ্ঠ মুনি নিমি ৰজাৰ শাপত দেহহীন হয়। আনহাতে নিমিও বশিষ্ঠৰ শাপত দেহহীন হয় । নিৰুপায় হৈ বশিষ্ঠ মুনি ব্ৰহ্মাৰ শৰণাপন্ন হোৱাত তেওঁৰ উপদেশ অনুসৰি এই সন্ধ্যাচল পৰ্বতত ভগৱান বিষ্ণুক তপস্যা কৰিবলৈ ধৰে । তপস্যাত ভগৱান বিষ্ণু সন্তুষ্ট হয় আৰু মহৰ্ষিয়ে তপোবলত সন্ধ্যা, ললিতা আৰু কান্তা— এই ত্ৰিধাৰা প্ৰৱাহিত কৰি গংগাক নমাই আনে । এই ত্ৰিধাৰাৰ সংগম স্থলত গা ধুই আৰু পানী খাই বশিষ্ঠ মুনিয়ে পূৰ্বৰূপ ঘূৰাই পায়।

আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত (১৭৫১-১৭৬৯) ইয়াত এটা বশিষ্ঠ দেৱৰ মন্দিৰ নিৰ্মাণ কৰা হয় । মন্দিৰৰ ভিতৰত বশিষ্ঠ মুনিৰ পদ চিহ্ন আছে । মন্দিৰৰ বেৰত ৰাজেশ্বৰ সিংহৰ দিনৰে এখন শিলালিপিও আছে । সূৰ্য্য আৰু চন্দ্ৰ গ্ৰহণৰ সময়ত ইয়াত স্নান কৰিবলৈ বহু তীৰ্থযাত্ৰীৰ সমাবেশ হয় ।

**জনাৰ্দন দেৱালয় ঃ** গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰৰ লগতে থকা এটা বিষ্ণু মন্দিৰ । এই মন্দিৰৰ ভিতৰত বিষ্ণু জনাৰ্দনৰ এটি সুন্দৰ মূৰ্তি আছে । আহোম স্বৰ্গদেউ প্ৰমত্ত সিংহই (১৭৪৪-১৭৫১) এই মন্দিৰ নিৰ্মাণ কৰোৱাইছিল বুলি জনা যায় । মন্দিৰটোৰ বেৰত ভালেমান মনোৰম মূৰ্তি খোদিত কৰা আছে । তদুপৰি ইয়াতে প্ৰমত্ত সিংহৰ এখন শিলালিপিও দেখা যায় ।

**উমানন্দ দেৱালয় ঃ** পৃথিৱীৰ ক্ষুদ্ৰতম নদীদ্বীপ । গুৱাহাটীৰ কাছাৰী ঘাটৰ উত্তৰে ব্ৰহ্মপুত্ৰৰ মাজত অৱস্থিত । প্ৰাচীন গ্ৰন্থসমূহত এই দ্বীপ ভস্মাচল, ভস্মকূট, ভস্মগেল আদি বিভিন্ন নামেৰে উল্লেখ আছে । কিংবদন্তি অনুসৰি উমাক আনন্দ দিবৰ কাৰণে মহাদেৱ এই স্থানত চিৰবিদ্যমান । সেয়ে ইয়াৰ নাম উমানন্দ । আন এক কিংবদন্তি অনুসৰি মহাদেৱে তেওঁৰ তৃতীয় নয়নৰ পৰা ওলোৱা বহ্নিৰে কামদেৱক ইয়াতে ভস্ম কৰিছিল ; সেয়ে এই দ্বীপক ভস্মাচল বা ভস্মগেল বুলি কোৱা হয় । ইংৰাজীত এই দ্বীপৰ নাম Peacock Island অৰ্থাৎ ময়ূৰদ্বীপ । দ্বীপটো হেনো দেখিবলৈ ম'ৰা চৰাইৰ দৰে। সেয়ে ইংৰাজসকলে ইয়াক Peacock Island বুলি নামকৰণ কৰিছিল । এই দ্বীপতে এটা শিৱ মন্দিৰ আছে । আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ নিৰ্দেশমতে ১৬৯৪ খ্ৰীঃত গড়গঞা সন্দিকৈ বৰফুকনে নিৰ্মাণ কৰোৱাইছিল। ইয়েই আজিকালি প্ৰসিদ্ধ উমানন্দ দেৱালয় বা উমানন্দ দৌল নামেৰে জনাজাত । শিৱৰাত্ৰিৰ দিনা এই দেৱালয়ত এক ডাঙৰ উৎসৱ হয়, বহু তীৰ্থযাত্ৰীৰ সমাগম ঘটে ।

**উগ্ৰতাৰা দেৱালয় ঃ** গুৱাহাটীৰ আমবাৰী উজান বজাৰৰ যোৰ পুখুৰীৰ পাৰত অৱস্থিত এখন দেৱালয়। ইয়াত এটি আহোম যুগৰ মন্দিৰ আছে । এই ঠাইত সতীৰ নাভিমণ্ডল পৰিছিল বুলি কথিত আছে । মন্দিৰৰ পাৰত দুটা পুখুৰী আছে । ইহঁতক যোৰ পুখুৰী হিচাপে জনা যায় । এই পুখুৰীৰ পাৰৰ এখন শিলালিপিত লিখা আছে যে স্বৰ্গদেউ শিৱ সিংহৰ মহিষী ৰাণী ফুলেশ্বৰী দেৱীয়ে এই পুখুৰী পুনৰ খন্দোৱাইছিল । শিলালিপিৰ সময় ১৬৬০ শক । ইয়াৰ পৰা এই মন্দিৰ শিৱ সিংহৰ দিনত নিৰ্মাণ কৰা হৈছিল বুলি ঠাৱৰ কৰা হৈছে ।

**নেঘেৰিটিং দেৱালয় ঃ** গোলাঘাট জিলাৰ দেৰগাঁৱৰ ওচৰৰ এখন উল্লেখযোগ্য দেৱালয় । ইয়াত থকা ঐতিহাসিক শিৱ মন্দিৰৰ বাবে এই অঞ্চল বিশেষভাৱে প্ৰখ্যাত । এই শিৱ মন্দিৰ থকা ঠাইত সৰুবৰ বহুতো টিলা দেখা যায় । নেঘেৰিটিং নামটো সম্পৰ্কে একাধিক জনশ্ৰুতি প্ৰচলিত । এসময়ত এই ঠাইত হেনো অসংখ্য নেঘেৰি (এবিধ সৰু চৰাই) চৰাইৰ বাহ আছিল । তাৰ পৰাই পোনতে অঞ্চলটোৰ নাম নেঘেৰি আৰু পাছলৈ নেঘেৰিটিং হয়গৈ । আন এক জনশ্ৰুতি অনুসৰি সেই সময়ত বহু নৰ্তকীয়ে নাচোঁতে মূৰৰ ওপৰত ওখকৈ



খোপা বান্ধিছিল । সেই খোপাটোৰ নাম নেঘেৰি খোপা । খোপাৰ ওপৰত ওৰণিৰ দৰে কাপোৰ লৈ নাচোতে, এটা ধুনীয়া সৰু টিং যেন দেখি এই অঞ্চলত থকা টিলাবোৰকো নৰ্তকীৰ মূৰৰ নেঘেৰি খোপাৰ দৰে দেখাত মানুহে এই টিলাবোৰক নেঘেৰি খোপাৰ টিং বা নেঘেৰিটিং বুলিবলৈ লয় । ইয়াৰ পৰাই সমগ্ৰ অঞ্চলটোৰ নাম নেঘেৰিটিং হয়গৈ ।

নেঘেৰিটিঙৰ প্ৰসিদ্ধ শিৱ মন্দিৰটো আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ (১৭৫১-১৭৬৯) দিনত নিৰ্মাণ কৰা হয় । মাজৰ সৰ্ববৃহৎ মন্দিৰৰ সৈতে ই পাঁচটা মন্দিৰৰ সমষ্টি । এটা টিলাৰ ওপৰত অৱস্থিত এই মন্দিৰৰ চৌপাশৰ নৈসৰ্গিক দৃশ্য অতি মনোৰম । শিৱভক্ত বহুকেইজন আহোম স্বৰ্গদেউৰ এই মন্দিৰৰ প্ৰতি গভীৰ আস্থা আৰু ভক্তি আছিল । এই মন্দিৰৰ পূজাৰ নিৰ্মালী প্ৰতিদিনে পুৰা আহোমৰ ৰাজধানী গড়গাঁৱলৈ নিয়াৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছিল । সেই উদ্দেশ্যে নেঘেৰিটিং দেৰগাঁৱৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে গজপুৰ, দিখৌমুখ হৈ গড়গাঁৱলৈ এটা আলি বন্ধোৱা হৈছিল । বুৰঞ্জীত এই আলি বৰআলি নামেৰে প্ৰসিদ্ধ ।

আহোম ৰাজত্বকালত নিৰ্মাণ হোৱা মঠ-মন্দিৰ দৌল-দেৱালয় সমূহৰ পৰা সেই যুগৰ স্থাপত্য কলাৰ বিকাশ আৰু প্ৰসিদ্ধিৰ বিষয়ে জানিব পাৰি। অসমৰ বহুতো ঠাইত স্থাপত্য-ভাস্কৰ্য্যৰ অনুপম নিদৰ্শন বহনকাৰী অনেক ঐতিহাসিকে স্মৃতিচিহ্ন উদ্ধাৰ কৰিছে । এই প্ৰাচীন স্মৃতিচিহ্ন সমূহ পৰ্য্যটক আকৰ্ষণৰ মুখ্য কেন্দ্ৰ হৈ পৰিছে ।

With Best Compliments From :

M/s. M.G. Enterprise

TIPLING DULIAJAN ROAD

OPP - Parthana Hotel

Deals in : Hardware, Electrical Item & Cement

# স্বাধীনতা সংগ্ৰামত আজাদ হিন্দ ফৌজ

–মিণ্টু খনিকৰ
স্নাতক ৩য় বৰ্ষ (কলা)

**ভা**ৰতৰ স্বাধীনতা সংগ্ৰামত "আজাদ হিন্দ ফৌজ"এ যি ভূমিকা আগবঢ়ালে তাৰ গুৰুত্ব কোনো দিনেই নুই কৰিব নোৱাৰি । স্বাধীনতা সংগ্ৰামৰ বিষয়ে আলোচনা কৰোঁতে "আজাদ হিন্দ ফৌজ"ৰ কথা নকলে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস আধৰুৱা হৈ ৰ'ব। এই আজাদ হিন্দ ফৌজৰ নেতা আছিল সুভাষ চন্দ্ৰ বসু । সুভাষ চন্দ্ৰ বসুৱে ভাৰতৰ ইংৰাজ চৰকাৰখনক অস্ত্ৰ-শস্ত্ৰৰে সু-সংগঠিত এটা শক্তিশালী দুৰ্গৰ সৈতে তুলনা কৰিছিল আৰু কৈছিল যে— এই দুৰ্গটোক চাৰিওফালৰ পৰা নিৰস্ত্ৰ অথচ শত্ৰুভাৱে দেশৰ জনসাধাৰণে আগুৰি আছে । দুটা উপায়েৰে এই দুৰ্গটো দখল কৰিব পাৰি। প্ৰথমে সৰ্বাত্মক অসহযোগ আৰু সম্পূৰ্ণ কৰ বন্ধ আন্দোলন আৰম্ভ কৰি ইংৰাজ চৰকাৰৰ ভাত মৰা ; দ্বিতীয়তে, সশস্ত্ৰ আক্ৰমণৰ দ্বাৰা তেওঁলোকক আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰোৱা । তেওঁৰ মতে এই দুটা পথৰ বাদে আন কোনো বিকল্প পথ নাছিল ।

১৯৩৮ চন আৰু ১৯৩৯ চন এই দুয়োটা বছৰ কংগ্ৰেছৰ সভাপতি পদৰ বাবে সুভাষ চন্দ্ৰ বসুৱে নিৰ্বাচনত থিয় দিলে । আৰু এই দুয়োবাৰ সুভাষ চন্দ্ৰ বসুকেই কংগ্ৰেছৰ নিৰ্বাচক মণ্ডলীয়ে জয়ী কৰিলে । কিন্তু ১৯৩৯ চনৰ নিৰ্বাচনৰ ফলাফলক স্বাধীনতাৰ বাবে চূড়ান্ত সংগ্ৰামৰ সপক্ষে কংগ্ৰেছ সংগঠনে ৰায় দিয়া বুলি মানি নলৈ গান্ধীজী আৰু তেওঁৰ অনুগামীসকলে নেতাজীক সম্পূৰ্ণৰূপে এঘৰীয়া কৰিলে। তেওঁ লক্ষ্য কৰিলে যে বাওঁ পন্থীসকলেও তেওঁৰ পক্ষ লোৱা নাই । অৱশেষত ১৯৩৮ চনৰ মাৰ্চ মাহত সভাপতি পদ ইস্তফা দিয়ে ।

কংগ্ৰেছৰ তিতা-কেঁহা লগা অভিজ্ঞতাৰ পাছৰ পৰাই নেতাজীয়ে স্থিৰ কৰিলে যে চলিত বিশ্বযুদ্ধৰ পৰিস্থিতিৰ সুযোগ লৈ দেশৰ বাহিৰলৈ গৈ দেশৰ স্বাধীনতাৰ হকে ইংৰাজ চৰকাৰৰ ওপৰত এটা ডাঙৰ আক্ৰমণ কৰিব। এই উদ্দেশ্য আগত ৰাখি ১৯৪১ চনৰ ১৬ জানুৱাৰীত নিশা ৯ বজাত বিদেশ যাত্ৰা আৰম্ভ কৰে । বহু কষ্টৰে বাধা-বিঘিনী অতিক্ৰম কৰি ২ এপ্ৰিলৰ দিনা নেতাজী বাৰ্লিনত উপস্থিত হয় । ১৯৪১ চনৰ নৱেম্বৰ মাহত নেতাজীয়ে জাৰ্মান চৰকাৰৰ সৈতে এটা বুজাপৰাত আহিব পাৰিলে । নেতাজীয়ে বাৰ্লিনত স্বাধীন ভাৰত সংস্থা নামে এটা সংস্থা স্থাপন কৰিলে আৰু আজাদ হিন্দ ফৌজৰ ভেটি স্থাপন কৰিলে । স্বাধীন ভাৰত সংস্থাই নিজৰ কাম আৰম্ভ কৰাৰ পাছতেই কেইটামান গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈছিল- যিবোৰ আমাৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জীত চিৰযুগমীয়া হৈ ৰ'ব । প্ৰথম আমাৰ জাতীয় অভিবাদন হ'ব 'জয় হিন্দ' ; দ্বিতীয়তে ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত হ'ব ৰবীন্দ্ৰনাথ ঠাকুৰৰ বিৰচিত 'জনগণ মন অধিনায়ক জয়হে' তৃতীয় সুভাষ চন্দ্ৰ বসুৰ উপাধি হ'ব নেতাজী; চতুৰ্থ আমাৰ জাতীয় ভাষা হ'ব ৰোমান আখৰত লিখা হিন্দী আৰু উৰ্দুৰ সংমিশ্ৰণ হিন্দুস্থানী ; যি ভাষা দেশৰ অধিকাংশ লোকে অনায়াসে বুজিব পাৰে ।

নেতাজীয়ে সকলো কাম সম্পূৰ্ণ কৰি ১৯৪৪ চনৰ ৮ জানুৱাৰী দিনা তেওঁ ৰেঙ্গুনৰ পৰা গান্ধীৰ উদ্দেশ্য কৰি এটা দীঘলীয়া অনাতাঁৰ ভাষণ দিলে।



এই ভাষণতে তেওঁ ১৯৪১ চনত দেশ ত্যাগ কৰাৰ পাছৰে পৰা নিজৰ কাৰ্যকলাপৰ সম্পৰ্কে এটা বিতং বিৱৰণ দিলে । নেতাজীয়ে দৃঢ় আত্মবিশ্বাসেৰে গান্ধীজীক ক'লে যে কূটনীতিৰ ক্ষেত্ৰত সকলোতকৈ চতুৰ ইংৰাজ সকলেও যেতিয়া তেওঁক বিপথে পৰিচালিত কৰিব নোৱাৰিলে, তেন্তে অন্য দেশৰ কূটনীতিবিদেও তেওঁক ঠগিব নোৱাৰে । নিজৰ দেশৰ বিৰুদ্ধে কোনো কামেই তেওঁ নকৰে ।

১৯৪৩ চনৰ শেষৰ ফালে উত্তৰ বাৰ্মাৰ চিন্দ উইন নদীৰ দুই পাৰে দুটা পক্ষ যুদ্ধৰ বাবে পৰস্পৰৰ মুখামুখি হ'ল । পশ্চিম পাৰত ইংৰাজ, আমেৰিকান আৰু ভাৰতত থকা চীনা সৈনিক । আনহাতে পূব পাৰত গোট খাইছিল জাপানী সেনা বাহিনী আৰু আজাদ হিন্দ ফৌজ । জাপানী সেনাবাহিনীয়ে বাৰ্মাৰ ৰক্ষাৰ্থে ভাৰতৰ উত্তৰ-পূব মণিপুৰৰ ইম্ফল আৰু কহিমাৰ ফালৰ পৰা আক্ৰমণ কৰিবলৈ যো-জা চলাইছিল। জাপানী সেনাবাহিনীয়ে ইম্ফল আৰু কহিমাইদি কৰিব খোজা আক্ৰমণৰ সুযোগ লৈ নেতাজীয়ে যুদ্ধত "আজাদ হিন্দ ফৌজ"ক জড়িত কৰাই ভাৰতৰ ভিতৰত প্ৰৱেশ কৰাটো বিচাৰিছিল । ইম্ফল আৰু কহিমাত হোৱা ৰণৰ দৰে ৰক্তক্ষয়ী যুদ্ধ দ্বিতীয় বিশ্বযুদ্ধত আৰু হোৱা নাছিল । কেইবাশ মাইল জোৱা যুদ্ধক্ষেত্ৰৰ বিভিন্ন খণ্ডত শত্ৰুৰ তুলনাত নিচেই তাকৰ হোৱা সত্বেও আজাদ হিন্দ ফৌজে যি অসীম বীৰত্ব, ত্যাগ আৰু কাৰ্য্যক্ষমতাৰ পৰিচয় দিলে সেয়া লৈ বহু কাহিনী ৰচিত হৈছে । এই যুদ্ধৰ পিচৰ পৰাই জাপানী পক্ষৰ পৰা আজাদ হিন্দ ফৌজে সম্পূৰ্ণ আস্থা আৰু শ্ৰদ্ধা অৰ্জন কৰিব পাৰিছিল । কিন্তু দুখৰ বিষয় যে এই যুদ্ধ মাত্ৰ এমাহ মানহে ঠাইডোখৰ ধৰি ৰাখিব পাৰিছিল। জুনৰ শেষত জাপানী সৰ্বাধিনায়ক কাওৱাবে উপায়হীন হৈ তেওঁ সেনাবাহিনীক পিছুৱাই আহিবলৈ নিৰ্দেশ দিলে । নেতাজীক এই সিদ্ধান্তৰ কথা যেতিয়া জনালে, তেতিয়া নেতাজীয়ে দৃঢ়তাৰে ক'লে যে কোনো বিপ্লৱী বাহিনীয়ে হাৰ নামানে আৰু পিছ হোঁহকি নাযায় । জাপানী বাহিনী উভতি গ'লেও আজাদ হিন্দ ফৌজৰ দিল্লীৰ যাত্ৰা অব্যাহত থাকিব । কিয়ানিও নেতাজীৰ সৈতে একমত হ'ল । কাওৱাবেৰ যুক্তিবাদীৰ বুলনীত শেষত নেতাজীয়ে তেওঁৰ বাহিনীক উভতি আহিবলৈ আদেশ দিলে । এই উভতনি যাত্ৰা অতি মৰ্মান্তিক যদিও ই ত্যাগ, সাহস আৰু জ্বলন্ত দেশ প্ৰেমৰ এটা অপূৰ্ব আখ্যান।

১৯৪৩ চনৰ শেষৰ পৰাই নেতাজীয়ে বিশ্বযুদ্ধত জাৰ্মান আৰু জাপানৰ পৰাজয় ঘটিলে এটা বিদেশ পথেৰে দেশৰ স্বাধীনতাৰ বাবে সংগ্ৰাম কৰাৰ কথা চিন্তা কৰিলে । ১৯৪১ চনত দেশ ত্যাগ কৰোতে ১৯৪৩ চনত জাৰ্মানীৰ পৰা দুবাৰো জাহাজেৰে যাত্ৰা কৰাৰ দৰে ১৯৪৫ চনৰ আগষ্ট মাহত তেওঁ আৰু এবাৰ নিজৰ জীৱনটোক হাতৰ মুঠিত লৈ অজান বাটত খোজ পেলাবলৈ সাজু হ'ল । ১৯৪৫ চনৰ ১৭ আগষ্টৰ দিনা পূব এচিয়া এৰি যোৱাৰ আগতে নেতাজীয়ে আজাদ হিন্দ ফৌজৰ উদ্দেশ্যে নিজৰ আক্ৰমণৰ বিশেষ হুকুমনামা জাৰি কৰে । আমাৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জীত নেতাজীৰ এই বাণীয়ে এটা অন্য স্থান দখল কৰিলে । তেওঁ কৈছিল—

"আমাৰ মাতৃভূমিৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জীত আমি এটা অভাৱনীয় বিপৰ্য্যয়ৰ সন্মুখীন হৈছো । আপোনালোকে হয়তু মন কৰিছে যে দেশ স্বাধীন কৰাৰ লক্ষ্যত আপোনালোক বিফল হৈছে । কিন্তু মই আপোনালোকক ক'ব খোজো যে এইটো সাময়িক বিফলতাহে মাথো, কোনো বিপৰ্য্যয় অথবা ব্যৰ্থতাই আপোনালোকৰ অতীতৰ মহান কীৰ্তিসমূহ ম্লান কৰিব নোৱাৰে । আপোনালোকৰ বহুতো সহযোদ্ধাই যুদ্ধক্ষেত্ৰত প্ৰাণ বিসৰ্জন দিছে আৰু তেওঁলোক স্বাধীন ভাৰতত অমৰ শ্বহীদ বুলি পৰিগণিত হ'ব ......... ।"

এই অন্ধকাৰ মুহূৰ্তত মই আপোনালোকক নির্দেশ দিছো যে এটা প্রকৃত বিপ্লৱী বাহিনীৰ যোগ্য অনুশাসন, আত্ম সন্মান আৰু শক্তি যেন আপোনালোকে দেখুৱাই যায় । ইতিপূৰ্বেই আপোনালোকে যুদ্ধক্ষেত্ৰত নিজৰ সাহস আৰু ত্যাগৰ প্ৰমাণ দি থৈছে । বর্তমান এই সাময়িক পৰাজয়ৰ সময়ত আপোনালোকৰ কৰ্তব্য হ'ব দুৰ্জয় আশা আৰু অবিচলিত আত্ম শক্তি প্ৰদৰ্শন কৰা । মই ভাবো যে এই সংকটময় মুহূর্তত আমাৰ আঠত্ৰিশ কোটি দেশবাসীয়ে আমাৰ আজাদ হিন্দ ফৌজৰ পিনে চাই আছে । সেয়েহে ভাৰতৰ প্ৰতি সদায় আনুগত্য বজাই ৰাখিব আৰু ক্ষন্তেকৰ বাবেও ভাৰতৰ অদৃষ্টৰ ওপৰত বিশ্বাস নেহেৰুৱাব । দিল্লীলৈ বাট বহুতো আৰু দিল্লীয়েই আমাৰ লক্ষ্য হৈ ৰ'ব । আপোনালোক আৰু আপোনালোকৰ সহযোদ্ধাসকলৰ আত্মবলিদানে নিশ্চয় পূর্ণ সফলতা আনি দিব । বিশ্বত এনে কোনো শক্তি নাই যি ভাৰতক দাস কৰি ৰাখিব পাৰে । ভাৰতবৰ্ষ স্বাধীন হ'বই আৰু সোনকালে হ'ব। "জয় হিন্দ" ।

১৯৪৫ চনৰ ১৭ আগষ্টৰ আবেলি পাঁচ বাজি পোন্ধৰ মিনিটত নেতাজী সুভাষ চন্দ্র বসু চাইগন বিমান বন্দৰৰ পৰা হবিবুৰ ৰহমান আৰু অন্য জাপানী সহযাত্ৰী সকলৰ সৈতে অজান পথৰ যাত্ৰী হ'ল । তেওঁ আৰু উভতি নাহিল ।

১৯৪৫ চনৰ মাজভাগৰ পৰা ১৯৪৬ চনৰ মাজ ভাগলৈকে নেতাজী আৰু আজাদ হিন্দ ফৌজৰ অৱদানে ভাৰতৰ ৰাজনৈতিক মঞ্চত বিশেষ গুৰুত্ব লাভ কৰে । ১৯৪৫ চনৰ সাধাৰণ নির্বাচনত কংগ্রেছ দলে নেতাজী আৰু আজাদ হিন্দ ফৌজৰ ভূমিকাৰ গুণ গান কৰিয়েই বিপুলভাৱে জয়ী হ'ল । সেই সময়ত যদি নেতাজী দেশলৈ ওভতি আহিলহেঁতেন তেন্তে জাতি, ধৰ্ম নিৰ্বিশেষে ভাৰতবাসীয়ে তেওঁক নিঃসন্দেহেই ক্ষমতাৰ সিংহাসনত বহুৱালেহেঁতেন । ভাৰতত প্ৰভুত্ব বজাই ৰাখি ইংৰাজসকলৰ শেষ অস্ত্র আছিল ভেৰোনীয়া ভাৰতীয় বাহিনী বিদেশী সাম্রাজ্যৰ প্রতি থকা আনুগত্য নষ্ট কৰি দি নেতাজীয়ে ইংৰাজ ৰাজত্বৰ লাই খুটাত কুঠাৰাঘাত কৰি থৰক-বৰক কৰি দিয়ে । ১৯৪৩ চনৰ ফেব্রুৱাৰী মাহত ইংৰাজসকলৰ নৌ বাহিনীত ব্যাপক বিদ্ৰোহ হ'ল । বিদ্রোহীসকলে কৰাচী আৰু মুম্বাই বন্দৰ দুটা অৱৰোধ কৰিলে । আজাদ হিন্দ ফৌজৰ সমৰ্থনত সমগ্ৰ দেশতে হোৱা সাধাৰণ ধৰ্মঘট আৰু ছাত্ৰ আৰু যুৱকসকলে কৰা আন্দোলনৰ ফলত এক উত্তপ্ত পৰিবেশৰ সৃষ্টি হ'ল । কিন্তু নেতাজীৰ অবিহনে আজাদ হিন্দ ফৌজে কোনো সক্রিয় ৰাজনৈতিক সিদ্ধান্ত ল'ব নোৱাৰিলে । এই বৈপ্লবিক পৰিবেশৰ সুযোগ লৈ ইংৰাজসকলৰ হাতৰ পৰা ক্ষমতা কাঢ়ি আনি এখন ঐক্যবদ্ধ স্বাধীন ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিব পৰাকৈ ভাৰতত কোনো সবল নেতৃত্ব দিব পৰা নেতা নাছিল ফলত ভাৰতত ইংৰাজৰ আধিপত্য সম্পূর্ণভাৱে বৰ্তি থাকিল ।

আজাদ হিন্দ ফৌজে ভাৰতৰ স্বাধীনতাৰ বাবে অশেষ দুখ আৰু ত্যাগ বৰণ কৰি বুৰঞ্জীত চিৰযুগমীয়া হৈ ৰ'ল । আজাদ হিন্দ ফৌজৰ আদর্শ, ত্যাগ আৰু প্ৰেৰণাৰ ফলশ্ৰুতি আৰু মহাত্মা গান্ধীৰ দৰে নেতাসকলৰ সবল নেতৃত্বত শেষত ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতে স্বাধীনতা লাভ কৰিবলৈ সক্ষম হয় । আজাদ হিন্দ ফৌজ ভাৰতৰ ভৱিষ্যত প্রজন্মৰ আদর্শ আৰু প্ৰেৰণাৰ উৎস হৈ আমাৰ দেশক সৰ্বাঙ্গীণ মুক্তি আৰু উন্নতিৰ বাটত আগুৱাই লৈ যাব ।

॥ জয় হিন্দ ! ॥



# পৰ্যটন বা ভ্ৰমণ, অতীত আৰু বৰ্তমান

–ভাস্কৰজ্যোতি চুতীয়া
স্নাতক ৩য় বৰ্ষ (কলা)

মানৱ জীৱনৰ এটা অপৰিহার্য অংগ হ'ল ভ্ৰমণ। আজিৰ পৰা বহু হাজাৰ বছৰৰ আগেয়ে মানুহৰ যেতিয়া জ্ঞান হৈছিল তেতিয়াৰে পৰা বৰ্তমান সময়লৈকে মানুহে বিভিন্ন উদ্দেশ্য লৈ ভ্ৰমণ কৰি আছে আৰু ভৱিষ্যতেও কৰি থাকিব । আদিতে মানুহে জীৱিকাৰ বাবে ইখনৰ পৰা সিখন ঠাইলৈ গৈছিল । তাৰ পিছত ক্ৰমে জ্ঞান অৰ্জন, ব্যৱসায়, অধ্যয়ন আদি বিভিন্ন উদ্দেশ্যলৈ ভ্ৰমণ কৰি আহিছে । এইদৰে ব্যৱসায় বা অৰ্থোপাৰ্জনৰ কোনো উদ্দেশ্যৰে উদ্বুদ্ধ নোহোৱাকৈ কেৱল মানুহৰ ৰচনা সংস্কৃতি আৰু প্ৰকৃতিৰ বিপুল সৌন্দৰ্য্যক অধ্যয়ন আৰু উপভোগ কৰিবলৈ কোনো অচিনাকী ঠাইলৈ যোৱাকে প্রকৃত ভ্ৰমণ বুলি কোৱা হয়।

'পৰ্যটন' এটা সংস্কৃত শব্দ, ইংৰাজীত যাক Tourism বুলি কোৱা হয় । পৰ্যটন মানে প্ৰমোদ বা জ্ঞানৰ সন্ধানত বাহিৰলৈ যোৱা । পৰ্যটন শব্দৰ লগত সমাৰ্থক শব্দ হিচাপে সংস্কৃত ভাষাত আৰু দুটা শব্দ সচৰাচৰ ব্যৱহাৰ হয় । সেই দুটা হ'ল— 'দেশটন' আৰু তীৰ্থটন। এই তিনিওটা শব্দৰে মূল হ'ল 'অটন', যাৰ অৰ্থ ঘৰৰ পৰা অন্য ঠাইলৈ যোৱা । ১৯১০ চনত প্ৰথমবাৰলৈ পৰ্যটনৰ সংজ্ঞা আগবঢ়াই হাৰ্মান ডি, শুলাৰ্ড নামৰ এজন অষ্ট্ৰিয়ান অথনীতিবিদে কয় ; "অৰ্থনৈতিক কৃষ্টিয়েই হ'ল পৰ্যটনৰ মূল ভেটি ।"

আদিম যুগত মানুহে ভ্ৰমণ কৰিছিল জীৱিকাৰ বাবে । সেই সময়ত মানুহবিলাকে খাদ্যৰ সন্ধানত ইখন ঠাইৰ পৰা সিখন ঠাইলৈ ঘূৰি ফুৰিছিল । ক'বলৈ গ'লে ইয়াতেই ভ্ৰমণৰ আৰম্ভণি । ইয়াৰ পিছত মানুহে ঘৰ-দুৱাৰ সাজি খেতি কৰিবলৈ শিকিলে আৰু তাৰ বাবে উপযুক্ত বাসস্থান বিচাৰি ইফালৰ পৰা সিফাললৈ ঘূৰি ফুৰিবলৈ ধৰিলে । ইয়াৰ লগে লগে মানুহবোৰ আৰু সভ্য হৈ অহাত সমাজ পাতি কোনো এখন ঠাইত নির্দিষ্টভাৱে ৰৈ গ'ল আৰু তাতে সৃষ্টি হ'ল একো একোখন নগৰ বা ৰাষ্ট্ৰৰ ।

আদিতে যাত্ৰা বা ভ্ৰমণ আছিল চিনাকী মাটিতে সীমিত । কিয়নো প্ৰথম অৱস্থাত যাতায়তৰ বাবে মানুহে নিজৰ ভৰি দুটাৰ ওপৰতে নিৰ্ভৰ কৰিব লগা হৈছিল । নদীৰ পানীত উটি অহা কাঠ, বাঁহ বা পাতবিলাক লক্ষ্য কৰিয়ে হয়তো সৃষ্টি কৰিলে নাও। আকৌ গছ ভাগি, গছৰ ডাল ভাগি অথবা শিলগুটি বাগৰি অহা দৃশ্য দেখি উপলব্ধি কৰাৰ পিছতেই হয়তো আৱিষ্কাৰ হ'ল চকাৰ । ইয়াৰ লগে লগে যাত্ৰাও চিনাকী মাটিৰ পৰা প্ৰসাৰিত হয় । পিছত ই ক্ৰমে প্ৰসাৰিত হয় সাগৰ-মহাসাগৰ, আকাশ-মহাকাশলৈ। মানুহবিলাকে সভ্যতাৰ পোহৰ পোৱাত নিজৰ জীৱিকা আৰ্জনৰ বাবে ইখন ঠাইৰ পৰা সিখন ঠাইত ঘূৰি ফুৰিবলৈ ধৰিলে । ইয়াতে আৰম্ভ হয় বিভিন্ন ঠাইৰ মাজত বেপাৰ-বাণিজ্য । ফলত বেপাৰ-বাণিজ্য কৰাৰ বাবে নতুন নতুন ঠাই আৱিষ্কাৰ কৰাৰ উদ্দেশ্যে ভ্ৰমণ কৰিবলৈ ল'লে এই ক্ষেত্ৰত কলম্বাছৰ নাম উল্লেখ কৰিব পাৰি । তেওঁ আটলাণ্টিক মহাসাগৰৰ মাজেদি ভাৰতবৰ্ষলৈ আহিব বিচাৰিছিল যদিও তেওঁ আমেৰিকাত

উপস্থিত হয় । অন্যহাতে ১৪৯৮ খ্ৰীঃত পতুৰ্গীজ নাবিক ভাস্কো-ডা-গামাই বেপাৰ বাণিজ্য কৰাৰ উদ্দেশে আফ্ৰিকাৰ উত্তমাশা অন্তৰীপ পাৰ হৈ আহি ভাৰতত উপস্থিত হয় । সেইদৰে মাৰ্কপল'ই পৃথিৱী ভ্ৰমণ কৰিছিল । প্ৰাচীন কালতে বহুতো পৰ্যটক আহিছিল। তেওঁলোকৰ ভিতৰত হ'ল প্ৰধানকৈ ফাহিয়ান (৩৮০ খ্ৰীঃত), হিউৱেন চাঙ (৬৩০খ্ৰীঃ) । তেওঁলোকৰ দিনত ভ্ৰমণ আহিলাই হ'ল নাও ।

বেপাৰ-বাণিজ্য কৰিবলৈ বিভিন্ন ঠাইৰ মানুহবিলাক আহি বিশ্বৰ বিভিন্ন স্থানত আহি ব'লহি। তাতে সৃষ্টি হ'ল উপনিবেশিকতাবাদ । এনেদৰে বৃদ্ধি পাই অহা উপনিবেশ তথা জনসংখ্যা বৃদ্ধি হৈ অহাৰ লগে লগে মানুহৰ মাজত নিজৰ প্ৰতিপত্তি স্থাপনৰ বাবে প্ৰতিযোগিতাত নামি পৰে । লগে লগে বৃদ্ধি পাই আহে যুদ্ধ বিগ্ৰহৰ । যুদ্ধ নিজৰ মাজতে আৱদ্ধ নাথাকি বিভিন্ন দেশৰ মাজত বিয়পি পৰে আৰু আৰম্ভ হয় দুখনকৈ বিশ্ব যুদ্ধৰ । প্ৰথম বিশ্ব যুদ্ধৰ শেষত যুদ্ধৰ ধ্বংসলীলা আৰু ভয়াবহতাৰ পৰা অলপ শান্তি বিচাৰি আঁতৰি ইখন দেশৰ পৰা সিখন দেশলৈ মানুহবোৰে অলপ নিৰ্জন ঠাই বিচাৰি যাবলৈ ধৰিলে আৰু ইয়াতে আধুনিক পৰ্যটনৰ আৰম্ভ বুলি ক'ব পাৰি । অন্যহাতে প্ৰথম মহাসমৰত আকাশীযানৰ বহুল প্ৰচলনে আধুনিক পৰ্যটনক নতুন দিশ প্ৰদান কৰে ।

যুদ্ধৰ পৰৱৰ্তী কালছোৱাত ইউৰোপৰ পুনৰ গঠন হয় আৰু ঔদ্যোগিক বিকাশ সাধন হয় । আমেৰিকা আৰু ইউৰোপত চহকী মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ হয় । তদুপৰি প্ৰথম বিশ্ব যুদ্ধই আন্তৰ্জাতিক বাধাসমূহ বহুলাংশে কমাই দিয়ে । বিশ্বত শান্তি স্থাপনৰ উদ্দেশ্যে জাতিসংঘৰ প্ৰতিষ্ঠা হয় । এক শান্তি পৰিবেশ পোৱাত পৰ্যটনৰ দ্ৰুত গতিত বিকাশ হৈ আহে । যুদ্ধৰ পৰৱৰ্তী সময়ত পৰ্যটনৰ সম্পৰ্কে একেবাৰে অজ্ঞাত দেশতো প্ৰথমবাৰৰ বাবে পৰ্যটকৰ আগমন হ'বলৈ ধৰে । বহুদেশে এই নতুন পৰ্যটকৰ পৰা যথেষ্ট লাভৱান হৈছিল । কিয়নো দেশলৈ বৈদেশীক বিনিময় (Foreign Exchange) আনে, যিটো দেশবিলাকৰ প্ৰাকৃতিক সম্পদ, ৰপ্তানিকৃত সম্পদতকৈও অধিক আছিল । ক'বলৈ গ'লে সেই সময়ছোৱাই আছিল 'পৰ্যটন উদ্যোগ' (Tourism industry) হিচাপে গঢ়ি উঠা প্ৰথম পৰ্য্যায়। তেতিয়াৰ পৰা বৰ্তমানলৈকে বহুদেশে পৰ্যটনকে ৰাজহ সংগ্ৰহৰ প্ৰধান উৎস হিচাপে লৈ আহিছে । প্ৰধানকৈ ছুইজাৰলেণ্ড, নেপাল, ছিংগাপুৰ আদি । আমাৰ অসমলৈও বৰ্তমান বহু পৰ্যটকৰ আগমন ঘটিছে। ২৯ চেপ্তেম্বৰ ২০০২ তাৰিখৰ পূৰ্বাঞ্চলত প্ৰকাশিত তথ্য অনুসৰি ২০০০-০১ চনৰ ভিতৰত অসমলৈ ৫৮৮৭ জন আন্তৰ্জাতিক পৰ্যটক আৰু ৮৯৮১৬৬ জন দেশীয় পৰ্যটক আহিছিল।

আনহাতে ১৯২৮ চনত গঠন International union of official organisation for tourist propaganda আছিল আন্তৰ্জাতিক পৰ্যটনৰ এক যুগান্তকাৰী ঘটনা । ইয়াৰ প্ৰথম অধিবেশন বহে হেগত । ইয়াত ১৪খন ইউৰোপীয় দেশীয় জাতীয় পৰ্যটনৰ কাৰ্যালয়ৰ প্ৰতিনিধিক লৈ বহে আৰু ইয়াত পৰ্যটনৰ প্ৰসাৰ সম্পৰ্কে তথ্য বিনিময় কৰা, পৰ্যটন প্ৰসাৰ সামগ্ৰী ৰপ্তানী-আমদানিৰ ওপৰত আন্তৰ্জাতিক ৰেহাই আৰু সীমান্ত আনুষ্ঠানিকতাৰ পথত থকা বাধা সমূহ আঁতৰ কৰাৰ ক্ষেত্ৰত আলোচনা কৰে।

দ্বিতীয় মহাসমৰৰ পিছত আধুনিক পৰ্যটনৰ ক্ষেত্ৰখনত বিপুল পৰিৱৰ্তন আহে । বিভিন্ন দেশৰ পৰ্যটন সংগঠনবিলাকে মিলিত হৈ ১৯৪৭ চনত International Union of Official Travel Organisation (UOTO) গঠন কৰে । বিশ্বজুৰি পৰ্যটনৰ প্ৰত্যেকটো দিশ এই সংগঠনে চোৱাচিতা কৰিছিল । ইয়াৰ লগে লগে সকলোবোৰ দেশতে গঢ়ি উঠিছিল জাতীয় পৰ্যটন প্ৰশাসন (National Tourist




Admisitration) । অৱশ্যে দেশ ভেদে ইয়াৰ নাম বেলেগ বেলেগ । ভাৰতত কোৱা হয় Department of Tourism, চিংগাপুৰত কোৱা হয় Tourism Promotion Board, ইংলেণ্ডত কোৱা হয় Tourism Authority। এই সংগঠন বিলাকে প্ৰত্যেকে নিজ নিজ দেশৰ পৰ্যটনৰ দিশ বিলাকৰ উন্নয়ন আৰু জনপ্ৰিয়তা বৃদ্ধিত লোৱা কাৰ্যাৱলীৰ ফলত পৰ্যটনৰ ক্ষেত্ৰখন আৰু অধিক বিস্তাৰিত হৈছিল ।

বৰ্তমান কালত মানুহে ভ্ৰমণ কৰে আমোদ-প্ৰমোদ, অধ্যয়ন আদিৰ বাবে । যান্ত্ৰিক পৰিবেশৰ পৰা অলপ আঁতৰি আহি প্ৰকৃতিৰ নৈসংগিক শোভাৰে বিভূষিত পৰিবেশত সময় কটাবলৈকে আজিকালি ভ্ৰমণ কৰে । আগৰ তুলনাত বৰ্তমান ভ্ৰমণ অতি সহজ আৰু নিৰাপদ। কিয়নো পুৰণি কালত নাও, ঘোঁৰা অথবা খোজকাঢ়ি ভ্ৰমণ কৰিব লাগিছিল । কিন্তু পৰিবহন ব্যৱস্থা যদি উন্নত নহয় তেন্তে ভ্ৰমণ কষ্টকৰ হৈ পৰে । কিন্তু বৰ্তমান যুগ হৈছে বিজ্ঞানৰ যুগ । নতুন নতুন যান-বাহনৰ আৱিষ্কাৰে যাতায়ত ব্যৱস্থাৰ সহজ কৰি তুলিছে আৰু দ্ৰুতৰ পৰা দ্ৰুততৰ কৰাত সহায় কৰিছে । বৰ্তমান মানুহে সহজে এখন ঠাইৰ পৰা অন্য এখন ঠাইলৈ যাব পাৰে। এইদৰে মানুহে উন্নত যাতায়ত ব্যৱস্থাৰ জৰিয়তে দূৰত্বক জয় কৰিলে। যাত্ৰাৰ কালানুক্ৰমিক বিস্তাৰ আৰু সংযোগ ব্যৱস্থাৰ আশ্চৰ্যজনক উন্নয়নে পৃথিৱীৰ আপেক্ষিক আকাৰ কমাই আনিলে আৰু পৃথিৱীৰ প্ৰতিটো চুক-কোণ বিচাৰি মানুহ যাব পৰা হ'ল । এনেদৰেই পৰ্যটনৰ সহায়ত মানুহে পৃথিৱীক এখন 'গাঁৱত' পৰিণত কৰি তুলিলে।

With best compliments from —

HOTEL MAYURI



In front of OIL Market
DULIAJAN
PHONE 2800070

# গৌৰীসাগৰ

–অনু সোণোৱাল
উচ্চতৰ মাধ্যমিক ২ বৰ্ষ (কলা)

আহোম ৰাজত্বৰ ছশ বছৰীয়া সোণালী ঐতিহ্যৰ পৰিচয় হিচাপে অসমৰ বিভিন্ন ঠাইত থকা ভিন ভিন কীৰ্তিচিহ্নই এতিয়াও নিজ শিৰ উচ্চ কৰি সেইবিলাকৰ আপোন মহিমা ব্যক্ত কৰি আহিছে । শিৱসাগৰ জিলাখনৰ গৌৰীসাগৰ অঞ্চলত থকা একাধিক এনে পুৰণি ঐতিহ্যই ঠাইখনক এতিয়াও গাম্ভীৰ্য প্ৰদান কৰি আহিছে । এই গৌৰীসাগৰতে আছে দেশ-বিদেশৰ পৰ্যটক আকৰ্ষণ কৰিব পৰা আহোম যুগৰ বহুবিলাক পুৰণি অমূল্য কীৰ্তিচিহ্ন ।

অসমৰ গৌৰৱোজ্বল ইতিহাসত ৰাজনীতি - সমাজনীতি, সাহিত্য-সংস্কৃতি, স্থাপত্য-ভাস্কৰ্য আদিত এক মহান যুগৰ স্ৰষ্টা আহোম স্বৰ্গদেউসকলৰ ভিতৰত অন্যতম শিৱসিংহৰ ৰাজত্বকালত পুৰণি ৰংপুৰ আৰু বৰ্তমানৰ শিৱসাগৰ নগৰৰ ১২ কিঃ মিঃ নিলগৰ আহোম যুগৰ নানা প্ৰত্নতত্ত্ব আৰু স্থাপত্য বিদ্যাৰ স্মৃতিৰ স্বাক্ষৰ বহনকাৰী ঠাই 'গৌৰীসাগৰ' । চিনাতলীয়া নটৰ জীয়াৰী ৰাণী ফুলেশ্বৰী শিৱসিংহৰ বৰকুঁৱৰী হোৱাৰ আগেয়ে ফুলেশ্বৰী গৌৰীনাথ নামৰ এজন যুৱকৰ প্ৰণয় প্ৰাৰ্থী আছিল যদিও তেওঁ ৰাজকীয় বিধি-বিধানমতে শিৱসিংহৰ বৰকুঁৱৰী হ'ল । দৈৱজ্ঞৰ গণনামতে স্বৰ্গদেউ শিৱসিংহৰ 'ছত্ৰভংগ' যুগ পৰে । ফলত ফুলেশ্বৰীয়ে ৰাজপাটত বহি বৰৰজা উপাধি লয় । ফুলেশ্বৰীয়ে পূৰ্বৰ প্ৰেমিকে গৌৰীনাথৰ স্মৃতি জীয়াই ৰাখিবলৈ নামদাঙত পুখুৰী খন্দাই দ'ল নিৰ্মাণেৰে ঠাই ডোখৰৰ নাম থ'লে গৌৰীসাগৰ । কথিত আছে যে পুখুৰীৰ পাৰৰ বৰদ'লটো হ'ল দেৱীদ'ল । দ'লৰ নিৰ্মাণ কালত স্বৰ্গদেউ শিৱসিংহৰ মূৰ্তি নিদি ফুলেশ্বৰীয়ে নিজৰ মূৰ্তি কটায় বেৰত থলে। হেতু শিৱৰ পত্নী গৌৰী, সেইবাবেই নিজকে গৌৰী বুলি পুখুৰীৰ নাম গৌৰীসাগৰ ৰাখিলে । কালক্ৰমত পুখুৰীৰ কাষৰীয়া ঠাইখণ্ডৰ নাম 'গৌৰীসাগৰ' হ'ল বুলি জানিব পৰা যায় । ফুলেশ্বৰী কুঁৱৰীয়ে খন্দোৱা গৌৰীসাগৰ বৰ পুখুৰী আৰু নিৰ্মাণ কৰোৱা দ'ল আদি বুৰঞ্জী প্ৰসিদ্ধ বহু সমলে গৌৰীসাগৰৰ দৰে সাধাৰণ ঠাইডোখৰ অসাধাৰণ ৰূপে চিহ্নিত কৰিলে । তেওঁ ১৭৩৪ চনত ১১৩ পুৰা ১ বিঘা দুকঠা ১৫ লোচা মাটিত গৌৰীসাগৰ পুখুৰীটো খন্দুৱাইছিল। এই সাগৰ সদৃশ পুখুৰীৰ পাৰতে থকা দেৱী দ'লৰ সৌন্দৰ্য্য সঁচাই মনোৰম । বুৰঞ্জীবিদ সদ্যপ্ৰয়াত ভূৱন চন্দ্ৰ সন্দিকৈৰ মতে দেৱীদ'লৰ জোখ হ'ল ভেটিৰ পৰা চুলাৰ ওপৰলৈ ৪৩ হাত । দ'লত খোদিত বিভিন্ন দেৱ-দেৱীৰ ছবি আদিয়ে আহোম যুগৰ কাৰিকৰী আৰু অভিযান্ত্ৰিক কৌশলৰ লগতে আহোম ৰাজত্বকালৰ শিল্পকৰ্মৰ মনোৰম নিদৰ্শন দাঙি ধৰে।

গৌৰীসাগৰতে প্ৰত্যক্ষ কৰা যায় একৈশ শতিকাৰ কাৰিকৰী আৰু বিজ্ঞান প্ৰযুক্তিৰ চমকপ্ৰদ সাফল্যৰ দিনতো আহোম যুগত নিৰ্মিত দ'লবিলাকৰ লগতে সাম্প্ৰতিক বৈজ্ঞানিক আৰু অভিযন্তাসকলৰ বাবে ৰহস্য হৈ পৰা নামদাঙৰ শিলৰ সাঁকো । আহোম ৰাজত্বৰ শ্ৰেষ্ঠ শাসনকৰ্তা স্বৰ্গদেউ ৰুদ্ৰসিংহই ১৭০৩ চনত নামদাং নদীৰ ওপৰত এই শিলৰ সাঁকো নিৰ্মাণ কৰাইছিল ।

১৭৫২ চনত ৰাজেশ্বৰ সিংহ আহোম ৰাজসিংহাসনত বহে । তেওঁ এজন আমোদপ্ৰিয় ৰজা আছিল । ৰাজ্য পৰিচালনাৰ ভাৰ কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ হাতত তেওঁ অৰ্পণ কৰিছিল । তেওঁ মণিপুৰীয়া ৰজা জয়সিংহৰ কন্যা কুৰংগনয়নীক নীতিমতে বিয়া কৰোৱাৰ পূৰ্বে কীৰ্তিচন্দ্ৰৰ সহায়ত গৌৰীসাগৰত ৰখাৰ কথা জনা যায় ।

স্বৰ্গদেউ গদাধৰ সিংহৰ দিনতে বৈষ্ণৱ ভক্তসকলক নানা অত্যাচাৰ কৰা হৈছিল । শিৱ সিংহৰ দিনত ই চূড়ান্ত অৱস্থা পাইছিল । শেষত কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ অপমান আৰু অত্যাচাৰত গৌৰীনাথ সিংহৰ দিনত মোৱামৰীয়া বিদ্ৰোহে আহোম ৰাজত্ব ধ্বংস কৰিবলৈ উঠি পৰি লাগিছিল । মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ গৌৰীসাগৰৰ নামদাঙত আহোম ৰাজন্যবৰ্গই বাহৰ পাতিছিল । ইয়াত মোৱামৰীয়াসকলক প্ৰতিহত কৰিব নোৱাৰি পিছত গৌৰীসাগৰৰ সমীপৰ ভটিয়াপাৰাত আহোম সেনাই মোৱামৰীয়াৰ লগত ৰণ কৰিছিল ।

এনে এক ঐতিহাসিক সমৃদ্ধ গৌৰীসাগৰৰ বৰপুখুৰী, দ'ল, শিলৰ সাঁকোৰ উপযুক্ত সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধনৰ জৰিয়তে অঞ্চলটোত পৰ্যটন উদ্যোগ গঢ়ি অঞ্চলটোৰ অৰ্থনৈতিক বিকাশৰ প্ৰচেষ্টা চলাব পৰা যায় যদিও সংশ্লিষ্ট বিভাগ তথা চৰকাৰে এই কীৰ্তিচিহ্নবিলাক অক্ষত অৱস্থাত ৰখাৰ বাবে ন্যূনতম ব্যৱস্থাই কাৰ্যকৰী কৰা নাই । আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য, প্ৰত্নতাত্ত্বিক জলবিজ্ঞান, অভিযান্ত্ৰিক আদি দিশৰ উৎকৃষ্টতাৰ স্বাক্ষৰ বহন কৰা এই কীৰ্তিচিহ্নবিলাক আজিৰ এই অৱস্থাৰ দৰে অৱহেলিত হৈ থাকিলে পুনৰ ইতিহাসৰ বা-মাৰলীত এই মূল্যৱান সম্পদসমূহ নিঃশেষ হৈ যোৱাৰ পূৰ্ণ আশংকা আছে ।

With best compliments from -

✆ 2800676

LC

**LIFE CARE NURSING HOME**

Jayanagar, Duliajan

We are providing best service with reasonable price.

All types of general surgery, Obstetrical & Gynaecological Surgery, Laparoscopic Surgery

☞ **Ultrasonography including T.V.S.**

☞ **X-ray, ECG, Laboratory**

➲ *Emergency OT - 24 hours.*

OPD Hours : 8.00 AM - 12 Noon 3.30 PM - 8.00 PM

# অসমীয়া সংস্কৃতিলৈ শিৱসিংহৰ দান


—লক্ষ্যধৰ চেতিয়া

দ্বাদশ শ্ৰেণী


প্ৰাচীন কালৰ পৰাই বিভিন্ন দেশৰ ৰজাসকলে নিজ নিজ দেশৰ সভ্যতা আৰু সংস্কৃতিলৈ বৰঙণি যোগাই আহিছে। বুৰঞ্জীয়ে ভালকৈ ঢুকি পোৱা অসমীয়া ৰজাসকলৰ ভিতৰত কোঁচৰজা নৰনাৰায়ণৰ নাম সকলোৱে জানে আৰু তেওঁৰ গুণ-গৰিমা সকলোৱে গায়। নৰনাৰায়ণৰ সমানেই বিদ্যোৎসাহী কলাপ্ৰিয় আন এজন অসমৰ ৰজা হ'ল শিৱসিংহ। কিন্তু দুই চাৰিজন পণ্ডিতৰ লিখনিত সীমাবদ্ধ থকাৰ বাহিৰে এইজন ৰজাৰ বৰঙণি সৰ্বসাধাৰণে নাজানে আৰু বহুত সময়ত জানিও প্ৰকাৰান্তৰে অস্বীকাৰ কৰিবলৈ চেষ্টা কৰে। সৰ্বসাধাৰণৰ চকুত এওঁ স্ত্ৰী-জিত বৈষ্ণৱ বিদ্ৰোহী ঘোৰ শাক্ত ৰজা। এই ধাৰণাৰ প্ৰধান কাৰণ হ'ল যে ব্যক্তিগতভাৱে তেওঁ শক্তি উপাসক আছিল। স্বৰ্গদেউ শিৱসিংহই নিজে শাক্ত ধৰ্ম আচৰণ কৰিলেও আৰু তেওঁৰ দিনতে বৰ ৰজাই কোনো কোনো মহন্তক নিৰ্যাতন কৰিলেও বহুতো বৈষ্ণৱ সন্ত, মহন্ত আৰু সত্ৰক মাটি-বৃত্তি দান কৰি যোৱাৰ প্ৰমাণ পোৱা যায়। সত্ৰসমূহৰ বুৰঞ্জী আৰু বংশাৱলীয়ে এই কথাৰ প্ৰমাণ দিয়ে। হৰিনাৰায়ণ দত্ত বৰুৱা সম্পাদিত প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্তত দান কৰা কেইবাখনো ফলি উদ্ধৃত কৰি দিছে। গতিকে শাক্তপন্থী হ'লেও শিৱসিংহ বৈষ্ণৱ বিদ্বেষী নাছিল নিশ্চয়। বৰং ধৰ্ম ভীৰু ৰজাই বৈষ্ণৱ মহন্তসকলক সাধ্যানুসাৰে সহায় কৰাহে উদাহৰণ যথেষ্ট পোৱা যায়।

অসমীয়া সাহিত্যলৈকো পৰোক্ষভাৱে তেওঁ যথেষ্ট দান কৰি গৈছে। কোঁচৰজা নৰনাৰায়ণৰ ৰাজসভা যেনেকৈ পণ্ডিত, কবি আৰু বিদ্বৎমণ্ডলীৰ কেন্দ্ৰস্থল হৈ পৰিছিল, তেনেকৈ স্বৰ্গদেউ ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ ৰাজসভাও বাছকবনীয়া হৈ পৰিছিল। শিৱসিংহই নিজে কেইটামান গীত ৰচনা কৰি গৈছে। তেওঁৰ ভণিতা থকা গীত কেইটা যদি দৰাচলতে স্বৰচিত হয় তেন্তে সংস্কৃত ভাষাটো তেওঁৰ কিছু হাত আছিল বুলি ক'ব লাগিব। গীতকেইটা তেওঁৰ নামত ৰাজ পণ্ডিতে ৰচনা কৰিছিল বুলি ধৰি ল'লেও তেওঁ যে বিদ্যোৎসাহী আৰু ৰসজ্ঞ পুৰুষ আছিল সেই বিষয়ে সন্দেহ নাই। কবিৰাজ চক্ৰৱৰ্তী, কৱিচন্দ্ৰ দ্বিজ, অনন্ত আচাৰ্য্য আদিয়ে তেওঁৰ অনুগ্ৰহ লাভ কৰি ভালেকেইখন গ্ৰন্থ লেখি অসমীয়া সাহিত্য সমৃদ্ধিশালী কৰি গৈছে। কৱিৰাজ চক্ৰৱৰ্তীয়ে 'ব্ৰহ্ম বৈৱৰ্ত পুৰাণ' শঙ্খচূড় বধ, শকুন্তলা আৰু গীত গোবিন্দ কাব্য ৰচনা কৰে। কবিচন্দ্ৰ দ্বিজৰ ধৰ্মপুৰাণ এখন সুবৃহৎ গ্ৰন্থ। ইয়াৰ পাণ্ডুলিপি পুৰাতত্ত্ব বিভাগত ৰক্ষিত হৈছে। তেওঁৰ আন এক উল্লেখযোগ্য সংস্কৃত নাটক, কাম কুমাৰ হৰণ। অনন্ত আচাৰ্য্যৰ 'আনন্দ লহৰী' নামৰ ভৱানীৰ মাহাত্ম্য আৰু স্তুতিপৰ শাক্ত গ্ৰন্থখন শংকৰাচাৰ্য্যৰ 'আনন্দ লহৰী' স্তোত্ৰৰ মুকলি অনুবাদ। এই গ্ৰন্থখনতো অনন্ত আচাৰ্য্যই ৰংপুৰ নগৰৰ আৰু শিৱসিংহ ফুলেশ্বৰীৰ বহল বিৱৰণ দিয়া আছে।

শিৱসিংহই ৰাজ পণ্ডিতসকলৰ হতুৱাই ধৰ্মগ্ৰন্থ কেইখন কেৱল অনুবাদ কৰাই নাছিল। অসমীয়া ভাষাত 'হস্তীবিদ্যাৰ্ণৱ, ঘোঁৰা নিদান' নামৰ পশু চিকিৎসাৰ পুথি, 'ভাস্বতী' নামৰ জ্যোতিষৰ পুথি ৰচনা কৰাইছিল।



শিৱ সিংহৰ অনুপ্ৰেৰণাতে চিত্ৰ বিদ্যাই অসমত খোপনি পুতিলে বুলি ক'ব পাৰি। সংস্কৃতিৰ পৰা অনুদিত পুথিসমূহৰ আখ্যানবিলাক নিপুণ চিত্ৰকৰৰ হতুৱাই তেওঁ চিত্ৰিত কৰাইছিল। শিৱসিংহৰ নাম উল্লেখ থকা প্ৰায় আটাইকেইখন গ্ৰন্থৰ প্ৰত্যেকৰ পাতে পাতে বিভিন্ন ৰঙৰ চিত্ৰ আছে। আনন্দ লহৰী, শঙ্খচূড় বধ, গীত গোবিন্দ, ধৰ্ম পুৰাণ আৰু হস্তী বিদ্যাৰ্ণৱ গ্ৰন্থৰ আন আন চিত্ৰৰ লগত শিৱসিংহ আৰু বৰ ৰজা ফুলেশ্বৰীৰ চিত্ৰও সন্নিবিষ্ট আছে। 'হস্তী বিদ্যাৰ্ণৱ' গ্ৰন্থত চিত্ৰকৰ দুজনাৰ নামো উল্লেখ কৰিছে। তেওঁলোক দুজন হ'ল দিলবৰ আৰু দোসাই। এই নাম দুটাৰ পৰা তেওঁলোক যে জাতিত মুছলমান সেইটো অনুমান সহজে কৰিব পাৰি। মহাৰাজ ৰুদ্ৰসিংহই ভাৰতৰ অন্য প্ৰদেশৰ পৰা গুণী গায়ন আদি অনাই অসমীয়া কৃষ্টিত এটা নতুন ৰূপ দিবলৈ চেষ্টা কৰিছিল। শিৱসিংহয়ো পিতৃজনা ৰজাক এই বিষয়ত সম্ভৱতঃ অনুসৰণ কৰিছিল। উত্তৰ ভাৰতৰ পৰা চিত্ৰকৰ আনাই অনুদিত পুথিসমূহ চিত্ৰিত কৰাৰ দিহা তেওঁ কৰিছিল। এই চিত্ৰবিলাকত দেখুওৱা সাজ-পোছাকত মোগল ৰাজপুত সাজ-পোছাকৰ প্ৰভাৱ বিশেষভাৱে মন কৰিবলগীয়া। এতিয়ালৈকে আৱিষ্কৃত হোৱা চিত্ৰিত পুথিবিলাকৰ ভিতৰত শিৱসিংহৰ নাম থকা পুথিৰ সংখ্যাই বেছি।

মন্দিৰ নিৰ্মাণ আৰু পুষ্কৰিণীখনন আদি জনহিতকৰ শিক্ষা কাৰ্যতো শিৱসিংহই যাউতি যুগীয়া কীৰ্তি ৰাখি গৈছে। শিৱসাগৰৰ দ'ল আৰু পুখুৰী আৰু ধাইআলি শিৱসিংহৰ ৰাজত্বত নিৰ্মাণ কৰা হয়। কিন্তু দুৰ্ভাগ্যবশতঃ শিৱসিংহ নাম বৰৰজা ফুলেশ্বৰীৰ নামৰ লগত জড়িত হৈ পৰাৰ কাৰণে তেওঁ স্বকীৰ্তিসমূহ তল পৰি ৰ'ল।


With best compliments from

TVS

M/S MOINA AUTO AGENCY

16 NO. TINIALI, DULIAJAN

Dist. - Dibrugarh (Assam)

Ph. (0374) 2803375

# সাঁচিপাতৰ নিৰ্মাণ কৌশল

—মৃদুল গগৈ
স্নাতক তৃতীয় বৰ্ষ (কলা)

অসমত কাগজ ব্যৱহাৰ হোৱাৰ আগতে পুথি-প[illegible]নাট আদি লিখিবৰ বাবে সাঁচিপাত ব্যৱহাৰ কৰিছিল । সাঁচিপাত তৈয়াৰ কৰিবৰ কাৰণে পূৰঠ সাঁচি গছৰ বাকলি দীঘলে দীঘলে এৰুৱাই ল'ব লাগে । সাঁচি গছৰ ছালৰ বাহিৰ ফালটো সেউজীয়া, ভীমকলৰ পটুৱাৰ বাহিৰ ফালৰ দৰে, আৰু ভিতৰ ফালটো বগা আৰু মিহি, নিমজ । গছৰ পৰা কাটি এৰুৱাই আদি ছালখনৰ ভিতৰৰ বগা ফালটো বাহিৰলৈ দি সাত-আঠ দিন ৰ'দত ভালকৈ শুকুৱাব লাগে । ভালকৈ শুকুৱাৰ পাছত শিল বা কাঠৰ পিৰাত হাতেৰে ঘঁহি ঘঁহি বাকলিৰ বাহিৰ ফালটোৰ সেউজীয়াবোৰ আৰু খহতা ফোঁহোৰাবোৰ মিহি কৰিব লাগে । ছালখন মুকলিকৈ মেলি এৰাতি নিয়ৰত থব লাগে। তাৰ পাছত ঘঁহি পিহি ছালখনৰ খহটা ফালৰ নিকৰিবোৰ নোহোৱা কৰি পুথি লিখিবৰ জোখাৰে চাৰি-পাঁচ বেগেত দীঘল আৰু এক দুই বেগেত বহলকৈ কাটি লৈ পাতখন এপৰমান সময় তিয়াই থৈ চোকা দা বা কটাৰি এখনেৰে পাতখনৰ দুয়োপিঠি সমান আৰু নিমজ কৰিব লাগে । ৰ'দত ভালদৰে শুকুৱাই আকৌ শুকান শিল বা ইটাৰে ঘঁহি মিহি কৰি পিছত মাটি মাহ বাটি লেও কৰি পাতখনৰ ওপৰত ভালকৈ ঘঁহিব লাগে । তাৰ পাছত সেই বগা সাঁচি পাতখন জৰধৰ বা হেঙুলৰ বোলেৰে বোলাই সোণবৰণীয়া কৰিব লাগে । তাৰ পিছত পাতখন আকৌ ৰ'দত ভালকৈ শুকুৱাব লাগে । অৱশেষত ঘঁহি ঘঁহি মানুহৰ গা যেন মিহি আৰু তামৰ ফলি যেন সমান কৰিলেহে লিখাৰ উপযোগী হৈ পৰে । এইদৰে সাঁচিপাত তৈয়াৰ কৰা হয়।

সাঁচিপাতত লিখিবলৈ খাগৰি ঢেঁকীয়ালতি বা বাঁহৰ কাপ তৈয়াৰ কৰি, শিলিখাৰ ৰস আৰু গৰুৰ মূত্ৰেৰে তৈয়াৰ কৰা মহীৰ সহায়ত লিখা হয়।



# পৰশুৰামকুণ্ডৰ ইতিবৃত্ত

–ৰবী গগৈ
স্নাতক ৩য় বৰ্ষ

পৰশুৰামকুণ্ড মহানদ ব্ৰহ্মপুত্ৰৰ এটা কুণ্ড আৰু এই কুণ্ড ভৈয়ামলৈ নমা ঠাইত । এই কুণ্ড অতীজৰ পৰা হিন্দুৰ পবিত্ৰ তীৰ্থস্থান । ইয়ালৈ অতীজৰ পৰা বৰ্তমানলৈকে ভাৰতৰ নানা ঠাইৰ তীৰ্থযাত্ৰী আহে । কালিকা পুৰাণত এই কুণ্ডৰ বিষয়ে লিখিছে— কৈলাশৰ ওচৰত মৰ্য্যদা পৰ্বতত শান্তনু ঋষিয়ে তেওঁৰ পত্নী অমোঘাৰ সৈতে আশ্ৰম পাতি আছিল । এদিন শান্তনুৰ অনুপস্থিতিত ব্ৰহ্মা আশ্ৰমত উপস্থিত হৈ অমোঘাৰ সৌন্দৰ্যত মোহিত হৈ, আলিঙ্গন প্ৰাৰ্থনা কৰে । অমোঘাই ব্ৰহ্মাৰ প্ৰাৰ্থনা প্ৰত্যাখান কৰাত, ব্ৰহ্মাই ধৰিবলৈ খেদি যায়, অমোঘাই লৰি ঘৰৰ ভিতৰত সোমাই দুৱাৰত ডাং দিয়ে আৰু ব্ৰহ্মাক শাপ দিম বুলি কয় । শাপৰ ভয়ত ব্ৰহ্মা পলাই যায় । কিন্তু অতিকৈ কামোন্মত হোৱাত পৃথিৱীত তেওঁৰ বীৰ্য পৰি যায় । শান্তনুৱে ঘূৰি আহি তেওঁৰ ঘৰৰ সন্মুখত হাঁহৰ (ব্ৰহ্মাৰ বাহন ৰাজহাঁহ) খোজ আৰু পৃথিৱীত তেজোময় বীৰ্য দেখি আচৰিত হৈ তেওঁৰ পত্নীক তাৰ কাৰণ সোধে। অমোঘাই কয় যে চাৰিমুখীয়া কোনো এজন ৰাজহাঁহত উঠি আহি তেওঁক বলাৎকাৰ কৰিব খুজিছিল, কিন্তু তেওঁ শাপ দিম বুলি কোৱাত ভয়ত পলাই যায় । শান্তনুৱে ধ্যান কৰি পালে যে, জগতৰ হিতৰ কাৰণে ব্ৰহ্মাই তেওঁৰ আশ্ৰমত উপস্থিত হৈ তেওঁৰ প্ৰতি কৃপা দৃষ্টি কৰি, অমোঘাক বলাৎকাৰ নকৰি বীৰ্য পেলাই থৈ যায় । শান্তনুৱে অমোঘাক বীৰ্য পান কৰিবলৈ কয় । পতিপৰায়ণ অমোঘাই এহাতে বীৰ্য পান কৰিবলৈ টান পালে আৰু আনহাতে পতিবাক্য অৱজ্ঞা কৰিবও নোৱাৰা হ'ল । সেইকাৰণে তেওঁ ঋষিক বীৰ্য পান কৰি প্ৰসাদ স্বৰূপে অৱশিষ্ট অংশ তেওঁক পান কৰিবলৈ দিবৰ বাবে প্ৰাৰ্থনা জনালে। ঋষিয়ে তাকে কৰিলে । ব্ৰহ্মবীৰ্য পান কৰাত যথা সময়ত অমোঘাৰ এটি তেজোময় পুত্ৰ হয় । ল'ৰাটি ব্ৰহ্মাৰ পুত্ৰ কাৰণে তেওঁৰ নাম ব্ৰহ্মপুত্ৰ হয়। ব্ৰহ্মপুত্ৰই পাহাৰত পানীৰে এটি কুণ্ড কৰি তাতে সোমাই থাকিল। এয়ে হ'ল ব্ৰহ্মকুণ্ড - হিন্দুৰ পবিত্ৰ তীৰ্থস্থান।

জমদগ্নি ঋষিয়ে স্নান কৰিবলৈ পানী আনিবলৈ তেওঁৰ পত্নী ৰেণুকাক গঙ্গালৈ পঠায় । ৰেণুকাই পানী আনিবলৈ গৈ চিত্ৰৰথক তেওঁৰ কামিনীগণসহ গঙ্গাত জলকেলি কৰা দেখি, সেইফালে চাই থাকি পানীলৈ পাহৰিলে । বহুত সময়ৰ মূৰত তেওঁৰ পানী নিবলৈ অহা কথা মনত পৰি লৰালৰিকৈ পানী লৈ ঘৰ পায়গৈ। ধ্যান কৰি ঋষিয়ে ৰেণুকাৰ পলম হোৱাৰ কাৰণ জানি পুতেকহঁতক ৰেণুকাক হত্যা কৰিবলৈ আদেশ দিয়ে । ঋষিৰ প্ৰথম চাৰিজন পুত্ৰই মাতৃহত্যা পাপলৈ ভয় কৰি অস্বীকাৰ কৰাত পঞ্চম পুত্ৰ পৰশুৰামে হাতত থকা পৰশু কুঠাৰেৰে মাকৰ মূৰ কাটি পেলায় । মাতৃহত্যা কৰাত কুঠাৰখন তেওঁৰ হাতৰ পৰা নেৰা হয় । ঋষিয়ে পুতেকৰ কামত সন্তুষ্ট হৈ তেওঁক চিৰজীৱি অজেয় বীৰ হ'বলৈ আশীৰ্বাদ দি বৰ প্ৰাৰ্থনা কৰিবলৈ কয় । পৰশুৰামে মাকৰ পুনৰ জীৱন আৰু ককায়েকহঁতৰ শাপ মোচনৰ বাবে বৰ প্ৰাৰ্থনা কৰি তেওঁ মাতৃহত্যা পাপৰ পৰা উদ্ধাৰ পাবলৈ উপায় সোধে । ঋষিয়ে তেওঁক তপস্বী বেশে তীৰ্থ ভ্ৰমণ কৰিবলৈ উপদেশ দিয়ে । পৰশুৰামে তীৰ্থ ভ্ৰমণ কৰি অৱশেষত ব্ৰহ্মকুণ্ড পাই, তেওঁৰ হাতৰ কুঠাৰেৰে পৰ্বত কাটি কুণ্ডৰ পানী বোৱাই দি সেই পানীত স্নান কৰাত তেওঁৰ হাতৰ কুঠাৰখন সৰি পৰে । পৰশুৰামে স্নান কৰি মাতৃহত্যা পাপৰ পৰা উদ্ধাৰ পোৱা ঠাইৰ নাম হ'ল পৰশুকুণ্ড বা পৰশুৰাম কুণ্ড । ●

### দুলীয়াজান মহাবিদ্যালয়ৰ

# বুৰঞ্জী বিভাগৰ ভিতৰ চ'ৰা

● দুলীয়াজান মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰাচীৰ পত্ৰিকা *'সৌমাৰ জ্যোতি'*ৰ প্ৰথম সংখ্যাটি ২০০৪ চনৰ ৭ ফেব্ৰুৱাৰী দিনা শুভ উদ্বোধন কৰা হয়। সংখ্যাটি সম্পাদনা কৰে অধ্যাপক ভূপেন শইকীয়া দেৱে। উদ্বোধন কৰে দুলীয়াজান মহাবিদ্যালয়ৰ ভূতপূৰ্ব অধ্যক্ষ পূৰ্ণকান্ত হাজৰিকা দেৱে। উদ্বোধনী ভাষণত তেখেতে বুৰঞ্জী বিভাগৰ কৰ্ম্মৰাজিৰ শলাগ লয়। প্ৰচীৰ পত্ৰিকাখনি নিৰ্ম্মাণ কৰি জয়ানগৰ অসমী ফাৰ্ণিচাৰৰ শ্ৰীযুত জিতেন বড়া দেৱে দান হিচাবে আগবঢ়ায়।

●● চলিত বছৰত বুৰঞ্জী বিভাগৰ তত্বাৱধানত দুলীয়াজান মহাবিদ্যালয়ত এটি **যাদুঘৰ** আৰু এটি **পুথি ভঁড়াল** নিৰ্ম্মাণৰ ব্যৱস্থা হাতত লোৱা হৈছে। ইয়াৰ বাবে বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা শ্ৰীযুতা সৰোজিনী দেৱী গোহাঁইক সভানেত্ৰী, হেম চন্দ্ৰ ঢেকীয়াল ফুকনক উপ-সভাপতি, ভূপেন শইকীয়াক সম্পাদক, অজিত গোহাঁইক সহঃ সম্পাদক হিচাবে লৈ এখনি শক্তিশালী সমিতি গঠন কৰা হৈছে। সমিতিখনিয়ে যাদুঘৰ নিৰ্ম্মাণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

●●● দুলীয়াজান মহাবিদ্যালয়ত এটি **বুৰঞ্জী সংস্থা** যোৱা জুলাই মাহত গঠন কৰা হয়। এই সংস্থাই পুৰণি পুথি-পাঁজি সংগ্ৰহ, সংৰক্ষণ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বুৰঞ্জী শিক্ষা প্ৰচাৰ-প্ৰচাৰত গুৰুত্ব দিছে।



## RECORD

## Department of History, Duliajan College



Jitu Khanikar

Mr. Jitu Khanikar, a student of the First batch of History (Major) of Duliajan College passed the T.D.C. Final Examination in 1998 securing 58% and First class second position in M.A. (History) from Dibrugarh University in 2001. At present he is a lecturer of Moran College, Dibrugarh, Assam.

*With best compliments from ——*

# JUNALI ENTERPRISES

## RAILWAY STATION ROAD

Duliajan - 786 6[illegible], Assam
Phone No. 2800365

HERO HONDA
OFFICIAL GLOBAL PARTNER



**WORKING HOURS : 8 A.M. TO 5 P.M.**
**SUNDAY CLOSED**

## Facilities Available :


- ***All Models of Hero Honda bikes are repaired by trained mechanics.***
- ***Hero Honda Genuine Spare parts are used and delivered with fair amount of discount.***
- ***All models of Hero Honda bikes are sold through company rules & regulations***

---

**ASSAM GAS COMPANY LTD**
(A GOVT. OF ASSAM UNDERTAKING)

An ISO 9001 Company

# The Journey to Industrialisation that began 41 years ago



**◆ HIGHLIGHTS OF COMPANY'S ACTIVITIES :**

- Maintaining growth rate, profitability and payment of regular dividend to the State Governmet.
- The first company to receive ISO 9001 certificate for quality managemet in the business of collection, distribution and transportation of natural gas.
- Maintenance of financial discipline and timely finalization of accounts.
- Fulfillment of all statutory requirements to the satisfaction of all statutory bodies.
- Observance of work culture in all spheres of the company activities and maintainig high standard of worker-management relationship.
- Focus on consumer satisfaction and achievement of highest standard of consumer-satisfactio level.
- Consultancy service's on.technical, management areas.

**FUTURE PROJECTS IN THE ANVIL**

- Gas supply to 500 MW Power Project in Tripura.
- Gas supply to proposed Power Project near Tinsukia in private sector and equity participation therein.
- Production and marketig of LNG/CNG in joint sector.
- Gas supply to Numaligarh Refinery and in tea-sector in Golaghat and Jorhat districts including domestic and commercial gas supply to Jorhat town.
- Participation in buildig up infrastructure facilities for input and output gas pipelines for Gas Cracker Project.
- Managemet and transportation of natural gas available in Arunachal Pradesh arid some other States outside North-Eastern Region.

**ASSAM GAS COMPANY LTD**
(A GOVT. OF ASSAM UNDERTAKING)

P.O. DULIAJAN, DIST. DIBRUGARH, ASSAM, PIN - 786 602
Ph. : 0374-2800558 / 2800556 / 2800202 / 2800221
Fax : 0374-2800557, E-mail : assamgas@sanchamet.in
Visit us at : www.assamgas.com

***The leader in Natural Gas Transportation Business in Eastern India***

# उत्तर पूर्बो विद्युत शक्ति निगम लिमिटेड

## (भारत सरकार का सँस्थान)

NEEPCO

## NORTH EASTERN ELECTRIC POWER CORPORATION LTD.

(A GOVT. OF INDIA ENTERPRISE)

**Assam Gas Based Power Project**

**NEEPCO BELIEVES IN A FAIR GAME**

What is taken from Nature as resources must be fairly paid back.

Guided by this priciple of mutual give-and-take. NEEPCO is pursuing the noble objective of power generation and environmental protection.

**ACHIEVEMENT HIGHLIGHTS :**

**KOPILI HYDRO ELECTRIC PROJECT**

Power Generation from the Kopili H.E. Project during the last 4 years are as follows :

| Year | Generation (MU) |
|---|---|
| 1993-94 | 905 |
| 1994-95 | 862 |
| 1995-96 | 707 |
| 1996-97 | 885 |

**ASSAM GAS BASED POWER PROJECT**

6 out of 9 turbo generators of the Assam Gas Based Power; at Kathalguri commissioned upto 1996 adding 201 MW generation capacity in the regional grid. Further, 90 MW will be added within 1997-98 from this Project.

Power Generation from Assam Gas Based Power Project during the last 2 Years are as follows :

| | |
|---|---|
| 1995-96 | 330.0167 MU |
| 1996-97 | 529.6529 MU |

**PROJECT UNDER EXECUTION :**

❖ **Doyang H.E. Project (75 MW) in Nagaland.** ❖ **Ranganadi H.E. Project (405 MW) in Arunachal Pradesh.** ❖ **Kopili H.E. Project - stage I Extn. (100 MW) in Assam.** ❖ **Agartala Gas Turbine Project (81 MW) in Tripura.** ❖ **Tuirial H.E. Project (60 MW) in Mizoram**

**ADDITION PROGRAMME FOR IX & X PLAN :**

**NEEPCO** intends to a capacity addition programme of approximately 935 MW during the IXth & Xth Plan. Acknowledging the indispensability of the Environment NEEPCO has taken up schemes for terrace cultivation. Soil and water conservation through dam construction and afforestation in all H,E, Projects.

**NEEPCO** it committed to both Power Generation and Environmental Protection.

**NEEPCO** is committed to both Power Generation and Environmental Protection.

**GIVE NATURE ITS DUE - PROTECT IT**

***With best compliments :***

**NORTH EASTERN ELECTRIC POWER CORPORATION LTD.**


(A GOVT. OF INDIA ENTERPRISE)

**BROOKLAND COMPOUND : LOWER NEW COLONY**

**SHILLONG - 793003**

# অইলৰ আহ্বান !

# পৰিবেশ সংৰক্ষণ কৰোঁ আহক



বিধ্বস্ত তৰু-তৃণ, অনুৰ্বৰ ভূমিখণ্ড, প্ৰদূষিত বতাহ-পানী আৰু প্ৰাণহীন অৰণ্য আমি ভৱিষ্যতৰ প্ৰজন্মৰ বাবে এৰি থৈ যোৱাটো জানো উচিত হ'ব ! পৰিবেশ আৰু প্ৰাকৃতিক সম্পদৰ নিৰ্দয় ধ্বংসলীলাৰ মাজেৰে কোনো জাতিয়ে বিকাশ আৰু প্ৰগতিৰ পথত অগ্ৰসৰ হ'ব নোৱাৰে।

পৰিবেশ সংৰক্ষণৰ প্ৰতি অইলৰ সজাগতা নতুন নহয় । খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ অনুসন্ধান আৰু উৎপাদনৰ সৈতে জড়িত হৈ আছে নানান জটিল কাৰ্য্য প্ৰণালী । এই সকলোবোৰৰ দ্বাৰা পৰিবেশ সদায়ে প্ৰভাৱান্বিত হৈ আহিছে। পৰিবেশ সংৰক্ষণৰ প্ৰতি ক্ৰমবৰ্দ্ধমান সজাগতালৈ লক্ষ্য ৰাখি অইল ইণ্ডিয়াই বহুতো প্ৰদূষণ নিয়ন্ত্ৰণৰ আঁচনি গ্ৰহণ কৰিছে। কিন্তু ইয়াৰ পিচতো প্ৰশ্ন থাকি যায় – শক্তি সম্পদৰ প্ৰয়োজনীয়তা আৰু উন্নয়নৰ প্ৰতি আমাৰ দায়বদ্ধতাৰ মাজত আমি কিদৰে সমতা ৰক্ষা কৰিম ?

শক্তি আৰু প্ৰাকৃতিক সম্পদৰ ৰক্ষণা-বেক্ষণ, শক্তি সম্পদৰ সংৰক্ষণ তথা পৰিবেশ সচেতনতাৰে সমতা ৰক্ষা কৰিহে আমি চৌদিশৰ পৰিবেশক সুস্থ আৰু পৰিচ্ছন্ন কৰি ৰাখিব পাৰিম।

**অইল ইণ্ডিয়া লিমিটেড**
(ভাৰত চৰকাৰৰ এটা উদ্যম)
দুলীয়াজান - ৭৮৬ ৬০২, অসম

ত্ৰিশূল এন্টাৰপ্ৰাইজ দুলীয়াজানত মুদ্ৰিত, ফোন নং- ২৮০০৩৯৬